www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহৰ এই জীৱন অনন্ত আৰু প্ৰেম অমৰ। কিন্তু মৃত্যু? আমাৰ দৃষ্টিৰে ঢুকি পোৱা দিগন্তই হ'ল মৃত্যু। - ৰজিটাৰ ৰেমণ্ড

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৫৭ ❐ সোমবাৰ ❐ ১৫ ডিচেম্বৰ, ২০২৫ চন ❐ ২৮ আঘোণ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 257 ❐ Monday ❐ 15th December, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

❑ ৬৮ বছৰীয়া ইতিহাসত প্ৰথমগৰাকী মহিলা সভাপতি নিৰ্বাচিত ❑

## প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ সভাপতি পদত অসম কন্যা সংগীতা বৰুৱা পিছাৰতি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ ৬৮ বছৰীয়া গৌৰৱময় ইতিহাসত এটি নতুন অধ্যায়ৰ সূচনা হৈছে। অসমৰ জ্যেষ্ঠ সাংবাদিক তথা অসম কন্যা সংগীতা বৰুৱা পিছাৰতি এই প্ৰতিষ্ঠানৰ সভাপতি পদত নিৰ্বাচিত হৈ প্ৰথমগৰাকী মহিলা হিচাপে ইতিহাস ৰচনা কৰিছে। একে সময়তে, উত্তৰ-পূবৰ পৰা ⏩ ৬ পৃষ্ঠাত



## বিশিষ্ট সাংবাদিক, পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** অসমৰ সাংবাদিকতা জগতৰ এগৰাকী দিগ্বিজেষী ব্যক্তি, পদ্মশ্ৰী বঁটা প্ৰাপক তথা 'দ্য আছাম ট্ৰিবিউন' গোটৰ পৰিচালন সঞ্চালক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দেহাৱসান ঘটিছে। ৰাতিপুৱা প্ৰায় ৯.৪০ বজাত গুৱাহাটীৰ এপ'লো হাস্পতালত তেওঁ অন্তিম নিশ্বাস ত্যাগ কৰে। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বাৰ্ধক্যজনিত বিভিন্ন জটিলতাৰ বাবে প্ৰায় এসপ্তাহ ধৰি হাস্পতালত ⏩ ৬ পৃষ্ঠাত

অসমৰ সাংবাদিকতা জগতত অপূৰণীয় ক্ষতি

## CAAৰ অধীনত বৰাক উপত্যকাত দুগৰাকী বাংলাদেশী হিন্দুক ভাৰতীয় নাগৰিকত্ব প্ৰদান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইন (সিএএ) ২০১৯ৰ অধীনত অসমৰ বৰাক উপত্যকাত শেহতীয়াকৈ দুগৰাকী বাংলাদেশী হিন্দু ব্যক্তিক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। এই দুগৰাকীৰ ভিতৰত এগৰাকী মহিলা বিবাহসূত্ৰে নাগৰিকত্ব ⏩ ৬ পৃষ্ঠাত

■ ইহুদী সম্প্ৰদায়ক লক্ষ্য কৰি আক্ৰমণ ■ ১১ জন নিহত, ২৯ জন আহত ■

# বণ্ডি বিচৰ হানুকাহ উৎসৱত সন্ত্ৰাসবাদীৰ নৰসংহাৰ

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ ছিডনী চহৰৰ বিখ্যাত বণ্ডি বিচত ইহুদীসকলৰ হানুকাহ উৎসৱৰ প্ৰথম দিনা ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হৈছে। দুজন বন্দুকধাৰীয়ে উৎসৱত জমা হোৱা হাজাৰ হাজাৰ লোকৰ মাজত গুলীচালনা চলাই অন্ততঃ ১১জন লোকক হত্যা কৰে আৰু ২৯ জনক আহত কৰে। আহতসকলৰ ভিতৰত দুজন আৰক্ষী বিষয়াও অন্তৰ্ভুক্ত। নিউ চাউথ ৱেলছ আৰক্ষীয়ে এই ঘটনাক 'সন্ত্ৰাসবাদী কাণ্ড' বুলি ঘোষণা কৰি কয় যে, এই আক্ৰমণ ইহুদী সম্প্ৰদায়ক লক্ষ্য কৰি চলোৱা হৈছিল। প্ৰাথমিক তথ্য অনুসৰি, আক্ৰমণকাৰী দুজনৰ এজন আৰক্ষীৰ গুলীত নিহত হৈছে আৰু আনজন গুৰুতৰভাৱে ⏩ ৬ পৃষ্ঠাত



❑ বিজেপিৰ সংসদীয় ব'ৰ্ডৰ অনুমোদন ❑

## নীতিন নবীন বিজেপিৰ নতুন ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ এক গুৰুত্বপূৰ্ণ সাংগঠনিক সিদ্ধান্তত বিহাৰৰ কেবিনেট মন্ত্ৰী তথা পাঁচবাৰৰ বিধায়ক নীতিন নবীনক দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিয়া ⏩ ৬ পৃষ্ঠাত



❑ শীঘ্ৰে ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ দাবী ❑

## নতুন দিল্লীৰ যন্তৰ মন্তৰত ৰাভা জাতীয় সংগঠনৰ ধৰ্ণা কাৰ্যসূচী

### '২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাভা হাছং পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি কৰাৰ দাবী




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৪ ডিচেম্বৰ ঃ** নতুন দিল্লীৰ যন্তৰ মন্তৰ প্ৰাংগণত ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচিত অন্তৰ্ভুক্তিৰ দাবীত ১২ ডিচেম্বৰত ৰাভা জাতীয় সংগঠন সমূহে "ধৰ্ণা কাৰ্যসূচী" ৰূপায়ণ কৰি উত্তাল কৰি তোলে নতুন দিল্লীৰ পৰিবেশ। নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী কমিটিৰ লগতে ৰাভা হাছং যৌথ সংগ্ৰাম ⏩ ৬ পৃষ্ঠাত

২০ বছৰৰ বাবে ফিক্স ডিপ'জিট; উপাৰ্জিত ধন খৰচ কৰা হ'ব সাংস্কৃতিক জগতত

## জুবিন গাৰ্গৰ সৈতে কৰা প'ডকাষ্টৰ পৰা ৰীতা চৌধুৰীৰ সংগ্ৰহ ২, ৯০৯ ডলাৰ ৰাজহ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** ঐতিহাসিক শিৱসাগৰত আগন্তুক ৬ৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ব্ৰহ্মপুত্ৰ ⏩ ৬ পৃষ্ঠাত

## এপ্ৰিলৰ পৰা আৰম্ভ হ'ব ২০২৭ চনৰ লোকপিয়ল

সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে হ'ব দেশৰ যোড়শ গণনা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** স্বাধীনতা-উত্তৰ ভাৰতৰ অষ্টম আৰু দেশৰ যোড়শ লোকপিয়লৰ কাম-কাজ আগন্তুক বৰ্ষৰ এপ্ৰিল মাহৰ পৰা দেশজুৰি আৰম্ভ হ'ব। ⏩ ৬ পৃষ্ঠাত

যোৰহাট লোকসভা সমষ্টিৰ সাংসদজনৰ খালী ঠাই পূৰণ কৰিবলৈ মই যোৰহাটত আছো ঃ পবিত্ৰ মাৰ্ঘেৰিটা

## 'সাংসদ ক্ৰীড়া মহোৎসৱ'; যোৰহাটত বিজেপিৰ সক্ৰিয়তা বৃদ্ধিৰে গৌৰৱ বধৰ চেষ্টা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** ক্ৰীড়াৰ আশ্ৰয় লৈ যোৰহাট লোকসভা সমষ্টিত বিজেপিয়ে নতুন কৌশল গ্ৰহণ কৰিছে বুলি চৰ্চা হৈছে। এই কৌশলৰ অংশ হিচাপে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী তথা ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই উদ্যোগ লৈ আয়োজন কৰিবলৈ ওলাইছে 'সাংসদ ক্ৰীড়া মহোৎসৱ'ৰ। দেওবাৰে যোৰহাটৰ ⏩ ৬ পৃষ্ঠাত



## অমিত শ্বাহৰ বটদ্ৰৱা আগমনৰ প্ৰাকক্ষণত প্ৰকল্পস্থলী পৰিদৰ্শন মুখ্য সচিব ড° ৰবি কোটাৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনক লৈ বটদ্ৰৱা থান অঞ্চলত এতিয়া উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। আগন্তুক ২৯ ডিচেম্বৰত ⏩ ৬ পৃষ্ঠাত

শৃংখলাত ২-১ অগ্ৰগতি লাভ

## ধৰ্মশালাত ভাৰতৰ দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাজয়

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৪ ডিচেম্বৰ ঃ** হিমাচল প্ৰদেশ ক্ৰিকেট সংস্থা ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় টি-২০ আন্তঃৰাষ্ট্ৰীয় ⏩ ৬ পৃষ্ঠাত

পশ্চিমবংগ চৰকাৰক তীব্ৰ সমালোচনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

## কলকাতাৰ বিশৃঙ্খলাৰ মূল কাৰণ ভিআইপি সংস্কৃতি !

ৰাজ্যৰ গৃহমন্ত্ৰী যিগৰাকী মুখ্যমন্ত্ৰীও আৰু কলকাতা আৰক্ষী আয়ুক্তক গ্ৰেপ্তাৰ কৰা উচিত আছিল



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** বিশ্ব ফুটবলৰ মহাতাৰকা লিয়নেল মেছিৰ 'GOAT Tour 2025'ৰ কলকাতা পৰ্যায়ত সৃষ্টি হোৱা চৰম বিশৃঙ্খলাৰ বাবে পশ্চিমবংগ চৰকাৰক কঠোৰ সমালোচনা কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শনিবাৰে এই ⏩ ৬ পৃষ্ঠাত



## গুৱাহাটী কনচাৰ্টৰ পূৰ্বে মা কামাখ্যা মন্দিৰত দৰ্শন চনু নিগমৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ ডিচেম্বৰ ঃ** আমেৰিকান পপ ষ্টাৰ পষ্ট মেলনৰ ⏩ ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

এঘাৰখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, মাতৃ গোট, পৰিচালনা সমিতি আৰু অভিভাৱক আৰু শিক্ষক শিক্ষয়িত্ৰীৰ অংশগ্ৰহণ

# নামনি মাজুলী চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত বৃহৎ সামূহিক উৎসৱ সম্পন্ন

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত হেজাৰ হেজাৰ লোকৰ অংশগ্ৰহণ; ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতা সম্পন্ন




**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা মাজুলীৰ অন্তৰ্গত নামনি মাজুলীৰ চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত দিনজোৰা কাৰ্যসূচীৰে সামূহিক উৎসৱ পালন কৰা হয়। এই উপলক্ষে আজি পুৱা ৯: ০০ বজাত খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীন সৰকাৰে পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। উক্ত, সামূহিক উৎসৱ উপলক্ষে পুৱা ১০ঃ০০ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ ১১খন বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতি সদস্য-সদস্যা, মাতৃ গোট, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰে। উক্ত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম লাইভ 24ৰ মাজুলীৰ সাংবাদিক ৰজনী কান্ত বৰদলৈয়ে। দিনৰ ১১ঃ০০ বজাৰ পৰা মুকলি সভা, বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। মুকলি সভা আৰু সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ ৰাজীৱ দত্ত ভূঞাই। সভাত খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা সমবেত সংগীতৰে শুভাৰম্ভ কৰা হয়। উক্ত, মুকলি সভাৰ আঁত ধৰে চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক -চি, আৰ, চি, চি ৰূপজ্যোতি শইকীয়াই। মুকলি সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰৰত্ন কাকতি, পীতাম্বৰ গোস্বামী মহাবিদ্যালয়ৰ অধ্যাপক যদু কলিতা, খণ্ড সমল ব্যক্তি বসন্ত বৰা। উক্ত, অনুষ্ঠানত চিলাকলা মণ্ডলৰ অন্তৰ্গত বিদ্যালয় সমূহৰ মাতৃগোট আৰু ছাত্ৰ-ছাত্ৰী সকলে সাংস্কৃতিক কাৰ্যসূচীত দিহা নাম, বিয়া নাম, দলীয় আধুনিক নৃত্য, মিচিং বিহু, আধুনীক গীত পৰিৱেশন কৰে। তাৰপিছত অংশগ্ৰহণকাৰী বিদ্যালয়সমূহৰ পৰিচালনা সমিতি আৰু মাতৃগোটৰ সদস্য সকলৰ মাজত টেকেলী ভঙা, চকী খেল, পাৰ-পানী প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, মাৰ্টন দৌৰ, পাৰ-পানী চকী খেল অনুষ্ঠিত কৰা হয়। বিয়লি বিভিন্ন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। শোভাযাত্ৰাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ বিদ্যালয়ৰ বঁটা লাভ কৰে ২২ নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ে। "ক" শাখাৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে আউনীআটী বিষ্ণুদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰী ক্ৰমে অৰ্পিতা দত্ত আৰু ছাত্ৰ অংকুৰ কলিতাই। তৃতীয় স্থান লাভ কৰে বৰুণ চিতাদাৰ বৰলুইত মধ্য ইংৰাজী বিদ্যালয়ৰ বিক্ৰম পায়েং। উদ্‌গনিমূলক বঁটা লাভ কৰে ১নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ বসন্ত পায়েং। "খ" শাখাত চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰথম স্থান খাৰজানপাৰ জনজাতি উচ্চতৰ মধ্যমিকৰ ছাত্ৰী ৰীতামণি পেগু। দ্বিতীয় আৰু তৃতীয় স্থান আউনীআটি বিষ্ণুদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ ক্ৰমে মাধুৰ্য শইকীয়া আৰু দিপাংকৰ বেজে। উদ্‌গনিমূলক বঁটা লাভ কৰে বৰুণ চিতাদাৰ বৰলুইত মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ বাচা কমানে। মাতৃগোটৰ সদস্যাসকলৰ মাজত অনুষ্ঠিত সংগীত চকী খেলত প্ৰথম স্থান ১ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ মাতৃ দীপা পায়েং, দ্বিতীয় স্থান ৮২ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ মাতৃ গোটৰ সদস্যা মমী নৰহ পায়েং আৰু তৃতীয় স্থান লাভ কৰে চিতাদাৰ বোকোৰা প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যা লক্ষ্মীমাই কেওটয়ে। শিক্ষয়িত্ৰী সকলৰ মাজত হোৱা সংগীত চকী খেলত প্ৰথম স্থান খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহশিক্ষয়িত্ৰী সুস্মিতা দত্ত, দ্বিতীয় স্থান ১ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভাগ্যশ্ৰী বৰুৱা আৰু তৃতীয় স্থান আউনিআটী বিষ্ণুদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক গণেশ বৰাই। 'ক' শাখাৰ পাৰ-পানী প্ৰতিযোগিতাত প্ৰথম স্থান আউনীআটী বিষ্ণুদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰী পূৰ্ণিমা বৰুৱা, দ্বিতীয় স্থান ১ নং বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰণামিকা নৰহ আৰু তৃতীয় স্থান মালিৰাম কামান প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী গুণগুণ কমানে। "খ" শাখা সংগীত চকী খেল প্ৰতিযোগিতাত বৰুণ চিতাদাৰ বৰলুইত মধ্য ইংৰাজী বিদ্যালয়ৰ দীপ সৰকাৰে প্ৰথম, পপী কামানে তৃতীয় আৰু আউনিআটী বিষ্ণুদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ মাৰ্ধূৰ্য শইকীয়াই দ্বিতীয় স্থান লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰক হিচাবে উপস্থিত থাকে ১৬৫ নং মালাপিন্ধা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জাহ্নু মুদৈ আৰু নতুন বোকোৰা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰবীন সৰকাৰ। সাংস্কৃতিক শোভাযাত্ৰাৰ বিচাৰক হিচাবে উপস্থিত থাকে কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মনজ্যোতি ৰেগন আৰু ২১ নং চিলাকলা কৈৰ্বত্ত প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰকাশ প্ৰসাদ। সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত সামূহিক উৎসৱৰ শেষত পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে ৰূপজ্যোতি শইকীয়াই।

# পুৰণিগুদামত সূতাৰগাঁও মণ্ডল সমল কেন্দ্ৰৰ দ্বাৰা ৰাইজৰ উৎসৱ উদ্‌যাপন



**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ সূতাৰ গাঁও মণ্ডল সমল কেন্দ্ৰৰ দ্বাৰা যোৱা ১২ ডিচেম্বৰত দিনযোৰা কাৰ্যসূচীৰে ৰাইজৰ উৎসৱ-২০২৫ শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পুৰণিগুদাম ড° ভৱেন্দ্ৰনাথ নাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই ৰাইজৰ উৎসৱত পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ আৰু শোভাযাত্ৰাৰে আৰম্ভ হোৱা কাৰ্যসূচীত সূতাৰগাঁও মণ্ডলৰ অধীনৰ সমূহ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ, নৃত্য, কবিতা আবৃত্তি, কুইজ আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছতেই ৰাইজৰ উৎসৱ উপলক্ষে অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে পুৰণিগুদামৰ ঐতিহ্যমণ্ডিত নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাস্কৰ ভূঞাই। সূতাৰগাঁও মণ্ডলৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক নৱজ্যোতি বৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু ব্ৰহ্মচাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দ্বীপজ্যোতি নাথে আঁত ধৰা মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ৰূপহী শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰঞ্জন কুমাৰ দাস, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চামগুৰিৰ প্ৰবক্তা ৰূপজ্যোতি বৰা, ৰূপহী শিক্ষাখণ্ডৰ সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতী। আমলখি, ভৰাগুৰি, গটঙা আৰু হালোৱাগাঁও মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ক্ৰমে হিমাংশু দাস, কংকণজ্যোতি মুদৈ, ডেভিদ বৰা, চন্দ্ৰিকা ৰজক, নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে মণ্ডলৰ অন্যান্য বিদ্যালয়ৰসমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সূতাৰগাঁও মণ্ডলৰ অধীনৰ শিক্ষক মৃগাংক শেখৰ শৰ্মা, মঞ্জিতা দেৱী কলিতা, নয়না বৰুৱা, ত্ৰিবেণী শৰ্মা, ৰূপামণি গায়ন, লক্ষহীৰা বৰা, ললিত ফুকন, সুৰজিত দাস, লনিতা শৰ্মা, নাজনিন হুচেইনে ৰাইজৰ উৎসৱ উপলক্ষে আয়োজিত বিভিন্ন প্ৰতিযোগিতা পৰিচালনা তথা বিচাৰকৰূপে দায়িত্ব পালন কৰে। শেষত ৰাইজৰ উৎসৱ শীৰ্ষক বাৰেৰহণীয়া এই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে মণ্ডল সমন্বয়কনৱজ্যোতি বৰাই উৎসৱটিত উপস্থিত আৰু জড়িত হোৱা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

# আমগুৰি মহাবিদ্যালয়ত নৱ-বৈষ্ণৱ ধৰ্ম আৰু লোক পৰিৱেশ্য কলাৰ অৱদান শীৰ্ষক বক্তৃতানুষ্ঠান

**অসম বাৰ্তা, আমগুৰি, ১৪ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আমগুৰি মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত আজি এক গুৰুত্বপূৰ্ণ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। স্বৰ্গীয় অৰুণ মহন্ত সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানটি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দীপামনি বৰঠাকুৰৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। আৰম্ভণিতে মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা অনুৰাধা গগৈয়ে এটি মনোমোহা বৰগীত পৰিবেশন কৰে। অসমীয়া বিভাগৰ অধ্যাপিকা ড° মালা হাজৰিকাই অনুষ্ঠানৰ আঁত ধৰে। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নীহাৰিকা দুৱৰাই। সমল ব্যক্তি হিচাপে উপস্থিত থাকি ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই "নৱ-বৈষ্ণৱ ধৰ্ম আৰু অসমৰ লোক পৰিৱেশ্য কলাত ইয়াৰ অৱদান" শীৰ্ষক এক চিন্তাশীল আৰু তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। তেখেতে সত্ৰীয়া সংস্কৃতিৰ ঐতিহ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভা আৰু তেখেতৰ বিজ্ঞানমনস্ক দৃষ্টিভংগীৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। লগতে শংকৰদেৱৰ সৃষ্টিৰাজীৰ বিশ্বজুৰি হোৱা চৰ্চা আৰু গৱেষণাৰ জৰিয়তে মহাপুৰুষজনৰ অৱদানৰ সঠিক মূল্যায়ন কৰাৰ বাবে নৱপ্ৰজন্মক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত সৌৰভ ঘোষে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ অধ্যাৱসায় আৰু নিয়মিত অধ্যয়নত মনোনিবেশ কৰিবলৈ উৎসাহিত কৰে। উপাধ্যক্ষ ড° দীপামনি বৰঠাকুৰে প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰি অনুষ্ঠানটোক অধিক জীপাল কৰি তোলে। অনুষ্ঠানত আমগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অনিল হাজৰিকা, বিশিষ্ট নাট্যকৰ্মী তথা জৰাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক অনুপম দত্তসহ আমগুৰি অঞ্চলৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত ড° প্ৰণতি বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# ডিব্ৰুগড়ত সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ ত্ৰয়োদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ত সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলন কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা সমিতিৰ সহযোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য ভৱনত বৰ্ণাঢ্য কাৰ্যসূচীৰে ত্ৰয়োদশ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আয়োজন কৰা হয়। পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মাণিক তামোলীয়ে, শ্বহীদ তৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ সম্পাদক মিণ্টু দত্তই। ইয়াৰ পাছতে প্ৰতিনিধি সভা আৰু মাণিক তামোলীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মিণ্টু দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সাম্প্ৰতিক সময়ত অসমৰ সুৰক্ষিত ভৱিষ্যতৰ ভেটি নিৰ্মাণ, ভাষা-সংস্কৃতিৰ স্বাৰ্থত জাতীয়তাবাদৰ প্ৰাসংগিকতা সন্দৰ্ভত আলোচনা কৰে। সভাৰ শেষত অসমৰ জনপ্ৰিয় শিল্পী তথা হিয়াৰ আমঠু জুবিন জুবিন গাৰ্গৰ ন্যায় নোপোৱা পৰ্যন্ত প্ৰতিখন জিলা সমিতিয়ে জুবিনৰ ন্যায়ৰ দাবীত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে। অসমৰ প্ৰতিখন জিলাত থলুৱা কৃষকৰ সুবিধাৰ্থে একোখন থলুৱা বজাৰ নিৰ্মাণৰ দাবীকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে সভাৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কেন্দ্ৰীয় বিত্ত সম্পাদক মৃদুপৱন দুৱৰাই। প্ৰতিনিধি সভাতে ধেমাজি জিলাৰ সম্পাদক সঞ্জীৱ ফুকনক কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা লগতে ধেমাজি জিলা সমিতিখন গঠন কৰা বাবে দায়িত্ব অৰ্পণ কৰে। সভাত ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক ৰূপজ্যোতি গগৈকে ধৰি অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

কৃতিম বুদ্ধিমত্তাৰে নতুন প্ৰজন্মক প্ৰত্যাহ্বানৰ সন্মুখীন কৰি তুলিছে ঃ মিলেশ্বৰ পাটৰ

# জাজৰি বালিজানত সদৌ অসম গৰীয়া মৰীয়া দেশী জাতীয় পৰিষদৰ জনগোষ্ঠীৰ সমাৰোহ

## নগাঁও মৰিগাঁও জিলা সমিতিৰ উদ্যোগ



**অসম বাৰ্তা, নগাঁও, ১৪ ডিচেম্বৰ ঃ** সদৌ অসম গৰীয়া মৰীয়া দেশী জাতীয় পৰিষদ নগাঁও আৰু মৰিগাঁও জিলাৰ উদ্যোগত তথা জাজৰি আঞ্চলিক সমিতি আৰু জাজৰিবাসীৰ আতিথ্যত মহৰ সিং চৰ্দাৰ ক্ষেত্ৰ বালিজানত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে বিশাল জনগোষ্ঠীয় সমাৰোহ। পুৱা ৯ বজাত জনগোষ্ঠীয় সমাৰোহৰ মূল তোৰণ শুভ উদ্বোধন কৰে ইমৰাণ হুচেইনে, পুৱা ৯-১৫ বজাত: জনগোষ্ঠীয় সমাৰোহৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি মুন ঠাকুৰীয়াই। ইয়াৰ সমান্তৰালভাৱে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ ১৯খন পতাকা উত্তোলন কৰে বিশিষ্ট ব্যক্তি সকলে। পুৱা ৯ঃ৩০বজাত শ্বহীদ তৰ্পণ কৰে মনোৱাৰা হুছেইনে। ইয়াৰ পাছতে স্মৃতি তৰ্পন কৰে কেন্দ্ৰীয় সমিতিৰ সাংগীতিক সম্পাদক ইছতাকুদ্দিন হাজৰিকা আৰু জনগোষ্ঠীৰ সম্পাদক আছাৰ উদ্দিন আহমেদে। পুৱা দহ বজাত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কেন্দ্ৰীয় সমিতিৰ কাঃসভাপতি মোজাম্মিল হকে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে মফিজ উদ্দিন আহমেদে। পুৱা ১০ঃ৪৫ বজাত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে ফাইজুৰ ৰহমানে। ইয়াৰ লগে লগে গছপুলি ৰোপণ কৰে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। পুৱা ১১ঃ৩০ বজাত লঘু আহাৰ বিতৰণ আৰু ১২ বজাত শৈক্ষিক আলোচনা চক্ৰ। কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষা জাতীয় আৰু সামাজিক দায়বদ্ধতাঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা শীৰ্ষক অনুষ্ঠানটিত সঞ্চালনা কৰে অভ্যৰ্থনা সমিতিৰ উপ সভাপতি আবুল খায়েৰ আহমেদে। অনুষ্ঠানটি উদ্বোধন কৰে সাধাৰণ সম্পাদক আৰিফ উদ্দিন আহমেদে। উদযাপন সমিতিৰ সাধাৰণ সম্পাদক জিয়াউৰ ৰহমানে আঁতধৰা অনুষ্ঠানটিত আলোকচক হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ ভীমবৰ দেউৰী বঁটা প্ৰাপক মিলেশ্বৰ পাটৰে কয় যে সাম্প্ৰতিক সময়ত তথ্য প্ৰযুক্তিৰ জগত খনত আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু চমকপ্ৰদ আৱিষ্কাৰেই হৈছে কৃত্ৰিম বুদ্ধিমত্তা। কম্পিউটাৰ জাতীয় যন্ত্ৰক মানুহৰ দৰে ভাবিবলৈ শিকিবলৈ আৰু সিদ্ধান্ত লব পৰা ক্ষমতা বা কৌশল প্ৰদান কৰাৰ ব্যৱস্থাই কৃত্ৰিম বুদ্ধি মৰ্ত্তাই মূল উদ্দেশ্য। বৰ্তমান সময়ত বহুল ভাবে চৰ্চিত বিষয় হৈছে যে কৃত্ৰিম বুদ্ধি মৰ্ত্তাৰ মাৰ্ত্তাধিক কৌশলে মানৱ সভ্যতালৈ ভাবুকি কঢ়িয়াই আনিছে নে কি। তেওঁ আৰু কয় যে কৃতিম বুদ্ধিমত্তাৰে নতুন প্ৰজন্মক প্ৰত্যাহ্বানৰ সন্মুখিন কৰি তুলিছে। সমাজখন পৰিচালনা কৰিবৰ বাবে ভাল সংগঠকৰ প্ৰয়োজন। মানুহতকৈও বুদ্ধিমত্তাৰে কাম কাজ কৰা ৰবটৰ দৰে যন্ত্ৰ আছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ যুগত আমি বসবাস কৰিছো। আমাৰ সময়ত তেতিয়া দুই চাৰি ঘৰ মানুহৰ ঘৰতহে একোটা লেণ্ডলাইন ফোনৰ ব্যৱস্থা আছিল। মুৱাইল ইনটাৰনেট ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি সাৱধান হব লাগিব। বেয়াখিনি বৰ্জন কৰিব পাৰিব লাগিব। ভালখিনি আদৰি লব জানিব লাগিব। সভাত আন এগৰাকী বক্তা ডঃচাহিন জাৰ্ফৰিয়ে কয় যে মুৱাইল ইণ্টাৰনেট ব্যৱহাৰৰ লগতে ছাত্ৰছাত্ৰী সকলে গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগিব। সদৌ অসম গৰীয়া মৰীয়া দেশী জাতীয় পৰিষদৰ সম্পাদক আৰিফ উদ্দিন আহমেদে উদ্বোধন কৰা সভাখনিত মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ডঃহৰমোহন কলিতা, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্ত, মৰিগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক ডঃঅপূৰ্ব ঠাকুৰীয়া, জাজৰি পিএমশ্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ স্মৃতিৰেখা বৰা, বিশিষ্ট শৈল চিকিৎসক ডাক্তৰ চৰফৰাজ আহমেদে কৃত্ৰিম বুদ্ধিমৰ্ত্তাৰ যুগত শিক্ষা জাতীয় আৰু সামাজিক দায়বদ্ধৰ ওপৰত আলোকপাত কৰি ভাষণ প্ৰদান কৰে। সন্ধিয়ালৈ জিকিৰ পৰিৱেশন কৰাৰ পাচত নিশালৈ ধৰণীধৰ বুঢ়াগোহাঁইয়ে উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত নগাঁও মৰিগাঁও জিলাৰ শিল্পী সকলে গীতৰ শৰাই আগবঢ়াই। অন্যহাতে কাইলৈ পুৱা সাংস্কৃতিক শুভাযাত্ৰা উদ্বোধন কৰিব অভিনেত্ৰী অমৃতা গগৈয়ে। দিনৰ ১বজাত জনগোষ্ঠীৰ সমাৰোহ আয়োজিত হব। উক্ত অনুষ্ঠানত বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

# ৰাষ্ট্ৰীয় বঁটাৰে গৌৰৱান্বিত বাপুকণ পায়েঙক মিচিং গোমৰাগ নৃত্যৰে উষ্ম আদৰণি



**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ডিচেম্বৰ ঃ** তাঁতশালত সপোন ৰচি মিচিং সমাজৰ অমূল্য সাংস্কৃতিক সম্পদ 'গাদু' অৰ্থাৎ 'মিৰিজিম' নিজ হাতেৰে তৈয়াৰ কৰি উলিয়াই হস্ততাঁত মন্ত্ৰালয়ে অনুষ্ঠিত কৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ভাৰতৰ ভিতৰতে স্থান লাভ কৰি ৰাষ্ট্ৰীয় বঁটা পাবলৈ সক্ষম হোৱা মধ্য মাজুলীৰ মহখুটি গাঁৱৰ বাপুকণ পায়েং আজি স্ব-গৃহত উপস্থিত হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ হাতৰ পৰা যোৱা ৯ ডিচেম্বৰত নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰি আজি স্ব-গৃহত উপস্থিত হোৱা বাপুকণ পায়েংক গাঁৱৰ তথা অঞ্চলৰ ৰাইজে মিচিং গোমৰাগ নৃত্যৰে উষ্ম আদৰণি জনোৱাৰ লগতে বাপুকণ পায়েংৰ গৃহত আজি মিচিং জাতীয় সংগঠন TMPK, MMK, TMMKৰ প্ৰতিনিধিৰ লগতে মিচিং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰতিনিধি উপস্থিত হৈ আদৰনি জনায়। উল্লেখযোগ্য যে ৯ ডিচেম্বৰত ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ ২০২৩-২৪ বৰ্ষৰ হস্তশিল্প বঁটা বিতৰণী অনুষ্ঠানত দেশৰ ৰাষ্টপতিৰ হাতৰ পৰা বঁটা গ্ৰহণ কৰা বাপুকন পায়েঙে সৰুৰে পৰা চহকী বয়ন শিল্পৰ সৈতে জড়িত থাকি মিচিং জনগোষ্ঠীৰ বৰ্ণিল ৰঙৰ চাদৰ-মেখেলা, মিবু গালুক, ৰিঃবি গাচেং, মিৰিজিম আদি বিভিন্ন ধৰণৰ কাপোৰ বৈ উলিয়াই পৰিয়ালৰ ভৰণ-পোষণৰ লগতে নিজৰ সন্তানৰ পঢ়া-শুনাৰ খৰচ বহন কৰি আহিছিল। ইতিমধ্যে বাপুকন পায়েঙে বৈ উলিওৱা পৰম্পৰাগত কাপোৰে দেশৰ লগতে বিদেশতো সমাদৰ লাভ কৰিছে। ভাৰত চৰকাৰৰ হস্তশিল্প মন্ত্ৰালয়ে আয়োজন কৰা দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্পী সকলৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পায়েঙে এনে বিৰল স্বীকৃতি অৰ্জন কৰাত স্থানীয় ৰাইজৰ লগতে লগতে মাজুলীবাসীয়েও শুভেচ্ছা জনাইছে। কপাহৰ খেতি কৰি কষ্টসাধ্যভাৱে টাকুৰিত সুতা কাটি বাপুকণ পায়েঙে মিচিং সকলৰ পৰম্পৰাগত বস্ত্ৰ 'মিৰিজিম' প্ৰস্তুত প্ৰণালী প্ৰদৰ্শন কৰি প্ৰতিযোগিতা খনত স্থান লাভ কৰি বিশ্ব দৰবাৰত জিলিকি উঠি মিচিং জনগোষ্ঠীটোকো গৌৰৱান্বিত কৰিবলৈ সক্ষম হ'ল।

# আৰক্ষীৰ জিম্মালৈ কুন্তী তাঁতীৰ দুই হত্যাকাৰী

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৪ ডিচেম্বৰ ঃ** যোৰহাট মহবন্ধা চাহ বাগিচাত ১০ ডিচেম্বৰৰ নিশা ৭০ বছৰীয়া বৃদ্ধা কুন্তী তাঁতীক হত্যা কৰা দুই যুৱকক আদালতত হাজিৰ কৰাই আজি পুলিবৰ থানাৰ আৰক্ষীয়ে জিম্মাত লয়। যোৰহাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কৰ্ণৱ পাটোৱাৰীৰ নেতৃত্বত যান-বাহন আৰক্ষীৰ উপ-পৰিদৰ্শক উৎপল দত্তৰ লগতে পুলিবৰ থানাৰ আৰক্ষীয়ে বৃদ্ধা কুন্তী তাঁতীক হত্যাকৰা সুভাষ কামান (শংকৰ)ক মৰিয়নিৰ গিবন অভয়াৰণ্যৰ সমীপৰ পৰা আৰু মুন্না লোহাৰক বোকাখাত থানাৰ আৰক্ষীৰ সহযোগত বোকাখাতৰ ইকৰাজানৰ পৰা কালি কৰায়ত্ত কৰিছিল। দুয়ো হত্যাকাৰীকে কালিৰে পৰা আৰক্ষীয়ে জেৰা কৰাৰ পাছত তেওঁলোকে হত্যা কৰা বুলি স্বীকাৰোক্তি দিয়ে। মদ-ভাঙৰ নিচাত থকা যুৱকদয়ে পথৰ কাষত জুই পুৱাই থকাৰপৰাই বৃদ্ধা গৰাকীক চাহ বাগিচাৰ মাজলৈ দাঙি নি হত্যা কৰা বুলি স্বীকাৰোক্তি দিছে বুলি আৰক্ষীয়ে উল্লেখ কৰিছে। চকুৰে কম দেখা বৃদ্ধাগৰাকীক চুঁচৰাই নিওতে পিন্ধি থকা কাপোৰ, আ-অলংকাৰ, চেন্দেল আদি বাটত পৰি গৈছিল। হত্যাকাৰীয়ে চুকা অস্ত্ৰ, তুপি মৃত দেহৰ সমিপতে পেলাই থৈ গৈছিল। পৰিয়ালৰ লোকে নিশা বিচাৰ-খোঁচাৰ কৰিও বৃদ্ধাগৰাকীক বিচাৰি পোৱা নাছিল। ঘৰৰপৰা কিছু নিলগত চাহ বাগিচাৰ মাজত ১১ ডিচেম্বৰৰ পুৱা কুন্তী তাঁতীৰ মৃতদেহ অৰ্ধ-উলংগ অৱস্থাত পৰিয়ালৰ লোক আৰু স্থানীয় লোকে প্ৰত্যক্ষ কৰিছিল। পুলিবৰ থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰিক্ষাৰ বাবে জেএমচিএইছলৈ প্ৰেৰণ কৰে। ইফালে স্নিফাৰ ডগ লৈ আৰক্ষীয়ে অনুসন্ধান কৰোঁতে স্নিফাৰ ডগ ঘটনাস্থলিৰপৰা যুৱকদয়ৰ ঘৰলৈ গৈছিল। ইফালে স্থানীয় লোকেও যুৱকদয়ে চাহ বাগিচাখনত মদ-ভাং খাই উদ্ৰগুলি কৰি থকাৰ লগতে অপকৰ্ম কৰিছিল বুলি আৰক্ষীক জনাইছিল।

বিদ্যালয় পৰিদৰ্শকৰ কোঠা, প্ৰেক্ষাগৃহ উদ্বোধন

# মাজুলীত নৱনিযুক্ত ১৩০ গৰাকী শিক্ষকক নিযুক্তি পত্ৰ বিতৰণ



**অসম বাৰ্তা, মাজুলী, ১৪ ডিচেম্বৰ ঃ** অসম চৰকাৰে শেহতীয়াকৈ লোৱা সিদ্ধান্ত অনুসৰি মাজুলী জিলাত নতুনকৈ নিযুক্তি পোৱা সৰ্বমুঠ ১৩০ গৰাকী স্নাতকোত্তৰ আৰু স্নাতক শিক্ষকে মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা এখন গাম্ভীৰ্যপূৰ্ণ সভাত তেখেতসকলৰ কৰ্মস্থলীৰ নিযুক্তি পত্ৰ সংগ্ৰহ কৰে। অনুষ্ঠানটিত উপস্থিত থাকে স্থানীয় বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবি, উপ আৰক্ষী অধীক্ষক ৰাজীৱ শইকীয়া। মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঁয়ে আদৰণি ভাষণ প্ৰদান কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থকা বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে নৱনিযুক্ত শিক্ষকসকলক উদ্দেশ্য কৰি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানটিৰ পূৰ্বে ১০ লাখ টকাৰ বিধায়ক পুঁজিৰে নৱীকৰণ কৰা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কোঠা আৰু কাৰ্যালয়ৰ প্ৰেক্ষাগৃহটি বিধায়ক ভুৱন গামে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ উপস্থিতিত ফিতা কাটি শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান কমলাবাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খন আন এখন বিদ্যালয়ত জাপি দিয়াৰ পিছত বিদ্যালয় খনৰ উন্নত মানৰ আহল বহল কোঠাত মাজুলী জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় স্থাপন কৰা হৈছিল।

### কি হ'ব পাৰে ভূপেন ৰায়ৰ ৰাজনৈতিক পৰিকল্পনা ?

# সমষ্টি নিৰ্ধাৰণৰ পিছতো বিজেপিয়ে এৰিব নেকি বঙাইগাঁও জিলাৰ সকলো আসন ?

**অসম বাৰ্তা, সৃজনগ্ৰাম, ১৪ ডিচেম্বৰ ঃ** নিৰ্বাচনৰ বাবে সাজু হৈছে ৰাজ্য। পিছ পৰি ৰোৱা নাই বঙাইগাঁও জিলাৰ ৰাজনৈতিক দল সমূহ। বিজেপিয়ে জিলাখনত সাংগঠনিক ভেটি মজবুত কৰি তোলাৰ বিপৰীতে অগপৰ প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে আশা কৰিছে সোণালী সুযোগৰ। এইবাৰ অৱশ্যে বিৰোধীৰ বিধায়ক দুটা সমষ্টিত থকাৰ পিছতো সাংগঠনিক প্ৰভাৱ দেখাব পৰা নাই সমষ্টি কেইটাত। অগপয়ে খুটা পুতি লোৱা বঙাইগাঁও সমষ্টি যে বেলেগ দলে জিকিব পৰাত কঠিনতা আছে সেয়া বিৰোধীয়ে বৰ্তমান ভালকৈ বুজি উঠাৰ বিপৰীতে মুখ্যমন্ত্ৰীৰ কথাৰ পৰা অনুমান কৰিব পাৰি যে অগপৰ বাদে মিত্ৰতাত থকা বেলেগ কোনেও সমষ্টিটোত প্ৰাৰ্থীত্ব লাভ নকৰিব। আনহাতে মিত্ৰতাৰ পৰিপেক্ষিতত আসন বুজা-বুজিত যে বিজেপিয়ে সংখ্যালঘু জনগাঁথনি প্ৰধান সৃজনগ্ৰাম সমষ্টি নিবিচাৰে সেয়া স্পষ্ট। সমষ্টিৰ পুনৰ নিৰ্ধাৰণত জনগাঁথনি সলনি হোৱা অভয়াপুৰী সমষ্টিত হ'ব পাৰে মিত্ৰ দলৰ প্ৰধান লক্ষ্য। সাংগঠনিক ভেটি মজবুত কৰি তোলা জিলা বিজেপিৰ লক্ষ্য বৰ্তমান অভয়াপুৰী সমষ্টি। বৰ্তমান সমষ্টিটোৰ বিধায়ক প্ৰদীপ সৰকাৰৰ প্ৰতি ৰাইজৰ অনিহাৰ বিপৰীতে কংগ্ৰেছে সমষ্টিটোৰ ভোটাৰ ৰাইজক আকৰ্ষণ কৰিব নোৱাৰাটো যেন বিজেপিৰ বাবে হৈ পৰিছে সেউজ সংকেত। এনে স্থিতিত বিজেপিয়ে অগপক অভয়াপুৰী এৰি দিয়াৰ দৰে মুৰ্খামী যে নকৰে সেয়া নিশ্চিত। কিন্তু ইয়াৰ বিপৰীতে অগপৰ সাধাৰণ সম্পাদক ভূপেন ৰায়ে অভয়াপুৰী সমষ্টিৰ পৰা নিৰ্বাচন খেলাৰ কুজকাৰাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। ধৰ্মীয় সংখ্যালঘুয়ে প্ৰাৰ্থীৰ ভাগ্য নিৰূপন কৰা ভূপেন ৰায়ৰ, সমষ্টি পুনৰ্নিৰ্ধাৰণে নতুনকৈ বিধায়ক হোৱাত সোণালী সুযোগ লাভ কৰিব বুলি বুজা গৈছে। যাৰ ফলত এই সুযোগ হেৰুৱাব খোজা নাই অগপ সাধাৰণ সম্পাদক গৰাকীয়ে। বিপৰীতে বিজেপিয়ে যে ৰায়ক এই সুযোগ নিদিব তাৰ স্পষ্ট ছবিখন বিগত পঞ্চায়ত নিৰ্বাচনত দেখা গৈছে। জিলাখনত সাংগঠনিক ভেটি সক্ৰীয় বিজেপিৰো প্ৰাৰ্থীৰ দৌৰ ইতিমধ্য দেখা গৈছে। সমষ্টিৰ নাম উল্লেখ নকৰাকৈ প্ৰাৰ্থীত্বৰ দাবীদাৰ বহুকেইগৰাকী প্ৰতিনিধিয়ে ৰাইজৰ মাজত নিৰ্বাচনী কুজকাৰাজ আৰম্ভ কৰিছে। প্ৰাৰ্থীত্বৰ দাবীদাৰ হিচাপে বৰ্তমানৰ জিলা সভাপতি উজ্জ্বলকান্তি ৰায়ক দেখা গৈছে যদিও, সভাপতিয়ে প্ৰাৰ্থীত্ব নোপোৱাৰ সম্ভাৱনাই নিশ্চিত কৰিব পৰা নাই উজ্জ্বলকান্তি ৰায়ৰ টিকট। সমান্তৰালকৈ প্ৰাক্তন জিলা সভাপতি হিমানী অধিকাৰী বৰ্তমান প্ৰাৰ্থীত্বৰ দাবীদাৰ হিচাপে চৰ্চাত দেখা গৈছে ৰাইজৰ মাজত। প্ৰাৰ্থীত্বৰ দাবীদাৰ হিচাপে সাংগঠনিক দিশ মজবুত কৰাৰ অন্যতম অৰিহণা দি থকা শ্যামল নাৰায়ণ দেৱ বৰ্তমান ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰিছে। আক্ৰাছুৰ দৰে সংগঠন এটাক একগোট কৰাত শ্যামল নাৰায়ন ৰায়ৰ ভূমিকা সৰ্বজনবিধিত। কোচ ৰাজবংশী সংখ্যাগুৰু সমষ্টিত যে শ্যামল নাৰায়ণ দেৱৰ ভূমিকাই দলৰ ভেটি মজবুত কৰাৰ লগতে প্ৰাৰ্থিত্ব প্ৰত্যাশী হিচাপে গুৰুত্ব লাভ কৰিব সেয়া অনুমান কৰিব পৰা গৈছে। জিতু বনিক্যৰ নাম ৰাইজৰ মাজত ওলাইছে প্ৰৰ্থিত্ব দাবীদাৰ হিচাপে। উল্লেখযোগ্য যে বিশিষ্ট ঠিকাদাৰ তথা বিজেপি সদস্য ৰুদ্ৰ কুমাৰ পাঠক টিকটৰ দৌৰত নাম যথেষ্ট চৰ্চাত আছিল যদিও শেহতীয়া এটা চাঞ্চল্যকৰ অভিযন্তাৰ আত্মহননত ঘটনাত নাম সাঙোৰ খোৱাত পাঠকৰ ৰাজনৈতিক টিকট কটা যোৱা বুলি ক'ব বিচাৰে বহুতে। বিপৰীতে বিশিষ্ট চিকিৎসক ডাঃ ইতেশ বৰদলৈ টিকটৰ দাবীদাৰ বুলি চৰ্চিত হৈছিল যদিও ৰাইজৰ মাজত লগতে ৰাজ্যক স্তৰত বিশেষ গুৰুত্ব বৰদলৈয়ে পোৱা নাই বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। কোনো সমষ্টিৰ নাম কোনো প্ৰাৰ্থীয়ে উল্লেখ কৰিব বিচৰা নাই যদিও মূলতঃ অভয়াপুৰী সমষ্টিতে যে সকলোৰে দৃষ্টি নিবদ্ধ ৰাখিছে সেয়া নিশ্চিত। আনহাতে সৃজনগ্ৰাম সমষ্টিত অগপ-ই এইবাৰ প্ৰথমবাৰৰ বাবে সংখ্যালঘু প্ৰাৰ্থী হিচাপে ছহিদুল হকক প্ৰক্ষেপ কৰাটো চৰ্চা লাভ কৰিছে। যাৰ ফলত ছহিদুল হকে সমষ্টিটোত অগপ-ক শক্তিশালী কৰাত উঠিপৰি লাগিছে। কিন্তু যদিহে অভয়াপুৰী বিজেপিয়ে প্ৰাৰ্থীত্ব প্ৰক্ষেপ কৰে তেন্তে ভূপেন ৰায় সৃজনগ্ৰাম সমষ্টিৰ পৰা নিৰ্বাচন খেলাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি আৰু এনে ক্ষেত্ৰত ছহিদুল হকে যে প্ৰাৰ্থিত্ব লাভ কৰিব তাৰ আশা ক্ষীণ। আনহাতে আমছু এৰি ৰেজাউল কৰিম সৰকাৰো সৃজনগ্ৰাম সমষ্টিৰ পৰা কংগ্ৰেছ নাইবা এ আই ইউ ডি এফ ৰ পৰা বিৰোধীৰ হৈ নিৰ্বাচন খেলাৰ কথা ৰাজনৈতিক মহলত গুণাগথা চলিছে। এই খবৰে সৃজনগ্ৰাম সমষ্টিৰ খেলখন অধিক ৰসাল কৰি তুলিব। অগপৰ দখলত থকা বঙাইগাঁও সমষ্টি অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফনীভূষণ চৌধুৰীয়ে যে পৰিয়ালৰ সুৰক্ষাৰ স্বাৰ্থত বেলেগ কাৰোবাক এৰি দিব সেয়া কল্পনাৰ অতীত। এনে ক্ষেত্ৰত অগপৰ নেতা কিছুমানে যে নিজৰ ৰাজনৈতিক ভৱিষ্যতক লৈ সংকট দেখিছে সেয়া নিশ্চিত।

### অ-নিয়ন্ত্ৰিত সামাজিক মাধ্যমে হিমালয় সদৃশ সমস্যা সৃষ্টি কৰিছেঃ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

# পাঁচ দিনীয়াকৈ আয়োজিত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ ডিচেম্বৰ ঃ** "সংবাদ মাধ্যমে সমাজত জাগ্ৰত প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতৰ দৰে এখন বিশাল গণতান্ত্ৰিক দেশত সংবাদ মাধ্যমে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভূমিকা পালন কৰি আহিছে। সাংবাদিক সকলক মানুহৰ সেৱাৰ বাবে নিজকে উৎসৰ্গিত মানসিকতাৰে কাম কৰি যাবলৈ উৎসাহ, প্ৰেৰণা আৰু সাহস যোগাব লাগিব। আনহাতে এচাম অসাধু লোকে সামাজিক মাধ্যমক অপব্যৱহাৰ কৰি সমাজত বিষবাষ্প বিয়পাই তুলিছে। অনিয়ন্ত্ৰিত সামাজিক মাধ্যমে সমাজত হিমালয় সদৃশ সমস্যাৰ সৃষ্টি কৰিছে।" তিনিচুকীয়া জিলাৰ ডুমডুমা নগৰ খেলপথাৰত যোৱা ৯ ডিচেম্বৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি দিনৰ ভাগত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰি অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এনেদৰে মন্তব্য প্ৰকাশ কৰে। জিলা সাংবাদিক সন্থাৰ সভাপতি ড° ঋষি দাসৰ পৌৰোহিত্যত অনুষ্ঠিত এই মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে আগন্তুক ২০২৬ চনৰ সমাগত নিৰ্বাচনৰ এই প্ৰাকক্ষণতো ৰাজনৈতিক ক্ষেত্ৰখনৰ বিষয়ে "টু" শব্দ এটা নোকোৱাকৈয়ে মন্ত্ৰী গৰাকীয়ে বৃহত্তৰ দেশ জাতিৰ জাতীয় জীৱনৰ লগতে কয়, ভক্তিৰ জৰিয়তে দেশত শান্তি প্ৰতিষ্ঠা কৰিব পাৰি। সমাজ খনক আগুৱাই নিবলৈ হ'লে বিজ্ঞান প্ৰযুক্তিৰ ব্যৱহাৰ সদায়েই ইতিবাচক হ'ব লাগিব যদিও ই মানবীয়তাক বিসৰ্জন দিলে নহ'ব। দীঘলীয়া বক্তব্যৰ মাজতে মন্ত্ৰী গৰাকীয়ে কয়, "মই সমালোচনা ভাল পাওঁ আৰু প্ৰশংসাক ভয় কৰোঁ" বুলি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। তেওঁৰ পাছতে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই বক্তব্যত তিনিচুকীয়া জিলাৰ সাংবাদিক সকলে স্বাধীনোত্তৰ কালৰ পৰাই দেশ আৰু জাতিৰ গতি আৰু প্ৰগতিত অৰিহণা যোগাই আহিছে। ইয়াৰ পাছতে জিলা সাংবাদিক সন্থাৰ মুখপত্ৰ "জয়ধ্বনি" উন্মোচন কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে। এই সভাতেই জিলা সাংবাদিক সন্থাই দ্বি-বাৰ্ষিক অধিৱেশনত সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি ভদ্ৰকৃষ্ণ গোস্বামীৰ সোঁৱৰণত প্ৰদান কৰি অহা ভদ্ৰকৃষ্ণ গোস্বামী সোঁৱৰণী সাংবাদিকতা বঁটা -২০২৫ এইবাৰ এন কে টিভিৰ গুৱাহাটীস্থ সাংবাদিক বনজিৎ কলিতাক প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু দহ হেজাৰ টকাৰ মাননি। আনহাতে উপেন চন্দ্ৰ নেওগ সোঁৱৰণী শ্ৰেষ্ঠ প্ৰেছক্লাবৰ বঁটা এইবাৰ তিনিচুকীয়া সাংবাদিক চ'ৰাক প্ৰদান কৰা হয়। এই বঁটাত সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু দহ হেজাৰ টকাৰ মাননি আগবঢ়োৱা হয়। আনহাতে সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ উপলক্ষত আয়োজন কৰা অসম ভিত্তিত মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত টেঙাখাট মহাবিদ্যালয়ে প্ৰথম, ডুমডুমা মহাবিদ্যালয়ে দ্বিতীয় আৰু ডিব্ৰুগড় হনুমান ব'সুৰজমল কানৈ মহাবিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। অনুষ্ঠানত তিনিওখন মহাবিদ্যালয়ৰ অধ্যক্ষ সকলে উপস্থিত থাকি পুৰস্কাৰ গ্ৰহণ কৰে। অনুষ্ঠানত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সম্পাদক জয়কান্ত মৰাণে সাম্প্ৰতিক সময়ত সংবাদ মাধ্যমক চতুৰ্থ স্তম্ভ বুলি কোৱা হয় যদিও চৰকাৰী পক্ষৰ দ্বাৰা সদায় হেঁচা আৰু চাপত ৰাখিবলৈ চেষ্টা কৰা দেখা যায় বুলি অভিযোগ ব্যক্ত কৰি মফচলীয়া সাংবাদিক সকলক কাকত গোষ্ঠীক নিয়মীয়াকৈ পাৰিতোষিক দিবলৈ আহ্বান জনায়। আৰম্ভণিতে অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদক অভিজিৎ খাটনিয়াৰে আদৰণি ভাষণ প্ৰদান কৰে। অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ক্ৰীড়া সচিব গকুল বুঢ়াগোহাঁইয়ে অনুষ্ঠানত উপস্থিত থাকি চমু বক্তব্য আগবঢ়ায়। ইয়াৰ পাছতে অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ "স্বৰ্ণগন্ধা" উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে। সভাত শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলীন চেতিয়া, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী বিষয়া অৰুণ জ্যোতি মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ সম্পাদিকা ৰুণজুণ মৰাণ, তিনিচুকীয়া পৌৰ সভাৰ সভাপতি পুলক চেতিয়া, অসম গৃহ নিৰ্মাণ পৰিষদৰ অধ্যক্ষ পুলক গোহাঁই, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোঁহাই, কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়া, অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ প্ৰণৱ জ্যোতি ডেকা, আদি কেইবাটাও জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃবৃন্দ, বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই সভাতেই ডুমডুমা অঞ্চলৰ পাঁচ শতাধিক শিল্পীয়ে হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী গীত পৰিৱেশন কৰে। শলাগৰ শৰাই আগবঢ়াই জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে। সন্ধিয়া যোৰহাটৰ আটিলা গাঁৱৰ পৰা আমন্ত্ৰিত মুকুন্দ মুৰাৰি শিল্পী সমাজৰ দ্বাৰা "শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ" ভাওনা ভাগি মঞ্চস্থ কৰে। ভাওনাভাগিৰ পূৰ্বে ডুমডুমা নামঘৰৰ নামঘৰীয়া ৰবীন ভৰালীৰ পৰিচালনাত ভাগৱত প্ৰতিষ্ঠা কৰি প্ৰসঙ্গ কৰে। আনহাতে এই বাতৰি প্ৰেৰণৰ সময়ত ডুমডুমা নাট্য মন্দিৰত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰতিনিধি সভাখন চলি আছে। এই প্ৰতিনিধি সভাখন উদ্বোধন কৰে অসম বাৰ্তাজীৱি সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মাই। এই প্ৰতিনিধি সভাত সন্থাৰ সাংগঠনিক দিশৰ ওপৰত উপস্থিত প্ৰতিনিধি সকলে আলোচনা আগবঢ়ায়। এই সভাতেই আগন্তুক দুটা বছৰৰ বাবে জিলা সাংবাদিক সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ'ব।

# বকোত দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্য্যনিৰ্বাহক সভা




**অসম বাৰ্তা, বকো, ১৪ ডিচেম্বৰ ঃ** ভূমিপুত্ৰ জনগোষ্ঠী সমূহৰ অন্যতম কোচ ৰাজবংশী জনগোষ্ঠীৰ সামগ্ৰীক বিকাশৰ স্বাৰ্থত কাম কৰি আহা যুৱ সংঠন কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কামৰূপ জিলাৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ এখন কাৰ্য্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। বকোস্থিত মুখ্য কাৰ্য্যালয় চিলাৰায় ভৱনত অনুষ্ঠিত হয় জিলা যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্য্যনিৰ্বাহক সভা খন। জিলা সভাপতি মিলন কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাৰ আত ধৰে সাধাৰণ সম্পাদক দ্বীপেন দাসে। সভাত বৃহত্তৰ অঞ্চলটোত কোচ ৰাজবংশী সকলোক একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি গাঁৱত শাখা সমিতি গঠন কৰা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে। কোচ ৰাজবংশী জনগোষ্ঠীৰ বসতি প্ৰধান গাঁৱৰ লোক সকলোক লৈ জনমত গঠন কৰি জাতীয় সংগঠনটো আগবঢ়াই নিয়াৰ সিদ্ধান্তগ্ৰহণ কৰে। ইফালে আজিৰ সভাতেই যোৱা ২৯ নৱেম্বৰত অসম চৰকাৰৰ মন্ত্ৰী গোটৰ জনজাতিৰ মৰ্য্যদাৰ প্ৰতিবেদন খনৰ ওপৰত আলোকপাত কৰে। সভাত অসম চৰকাৰৰ মন্ত্ৰী গোটৰ প্ৰতিবেদনত কোচ ৰাজবংশী সকলোক জনজাতিৰ নামত ভাগ ভাগ কৰাৰ বিৰুদ্ধে ক্ষোভ উজাৰে। কোনো কাৰণতে অবিভক্ত গোৱালপাৰাৰ কোচ ৰাজবংশী আৰু গোৱালপাৰাৰ বাহিৰৰ কোচ ৰাজবংশী হিচাপে ভাগ ভাগ কৰি জনজাতিৰ মৰ্য্যদা গ্ৰহণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাতেই অসমৰ থলগিৰি ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক অহা ২০২৬ বৰ্ষৰ বিধানসভাৰ নিৰ্বাচনৰ আগে আগে জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। এই ক্ষেত্ৰত দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ অন্তৰ্গত গাওঁবোৰত চৰকাৰে কৰা প্ৰতাৰণাৰ প্ৰত্যুত্তৰ দিনলৈ ঘৰে ঘৰে গৈ সজাগতা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত উপদেষ্টা ডিম্বেশ্বৰ দাস; উপদেষ্টা তথা দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়, অনুপম দাস, বিষ্ণু ৰাম দাস, ভবেন দাস, বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাসকে ধৰি বহু কেইজন বিশিষ্ট কোচ ৰাজবংশী নেতৃত্বই অংশগ্ৰহণ কৰে। সভাত সংগঠনটোৰ সাংগঠনিক দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে অহা অসম বিধানসভাৰ নিৰ্বাচনৰ আগে আগে জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী গৰাকীক আহ্বান জনাইছে। সভাত ভাৰতীয় জনতা পাৰ্টীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ অ বি চি মৰ্মাৰ সভাপতি কৌশিক, গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি অঞ্জন বৰুৱাৰ উপৰিও বকো মণ্ডল বি জে পিৰ অ বি চি মৰ্মাৰ সভাপতি ভেনাছ চৌধুৰীয়ে অংশগ্ৰহণ কৰে। ইফালে কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাত লোৱা সিদ্ধান্তৰ প্ৰতিবেদন ভাৰতীয় জনতা পাৰ্টীৰ অ বি চি মৰ্মাৰ নেতৃবৃন্দৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন আবেদন প্ৰেৰণ কৰে।

### খিলঞ্জীয়াৰ কৃষিভূমি নষ্ট কৰি জ্বলাই দিলে জুপুৰীগৃহ

# কামৰূপৰ বামুন্দীৰ চৰাঞ্চলত মিঞাৰ আগ্ৰাসন

**অসম বাৰ্তা, হাজো, ১৪ ডিচেম্বৰ ঃ** তীৰ্থনগৰী হাজোৰ বামুণ্দীৰ হাতীমূৰা নন কে অঞ্চলত মিঞাৰ ভয়াবহ আগ্ৰাসন। আগ্ৰাসী মিঞাৰ আক্ৰমণত যেন এতিয়া ভীতিগ্ৰস্ত হৈ পৰিছে খিলঞ্জীয়া কৃষক ৰাইজ। জানিব পৰামতে বামুণ্দীৰ বিষ্ণুপুৰৰ কৃষক সকলে ব্ৰহ্মপুত্ৰৰ বালিচৰত যুগ-যুগ ধৰি খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰি আছিল। সম্প্ৰতি খিলঞ্জীয়া কৃষক সকলক আগ্ৰাসী মিঞাই ভয়-ভাবুকি দেখুৱাই দখলৰ চেষ্টা কৰিছে এই কৃষিভূমি। ইতিমধ্যে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত শিলৰদিয়াত খিলঞ্জীয়াই খেতি-বাতি কৰি থকা ভূমি দখল কৰি আগ্ৰাসী মিঞাই ঘৰ সাজি লোৱাৰ পিছতে পুনৰ হাতীমূৰা নন কে অঞ্চলত খিলঞ্জীয়াৰ কেইবাটাও জুপুৰি ঘৰ জ্বলাই দিয়াৰ লগতে কাঁটা তাৰৰ বেৰ সমূহ উঠাই দি ভূমি দখলৰ বাবে উঠি-পৰি লাগিছে আগ্ৰাসী মিঞাই। যাৰ ফলত শ-শ মিঞাৰ ভয় ভাবুকিত এতিয়া যেন শংকিত হৈ পৰিছে খিলঞ্জীয়া লোক সকল। পলাশবাৰীৰ ৰাজহ চক্ৰৰ অন্তৰ্গত শিবিনা অঞ্চলৰ মিঞাই খিলঞ্জীয়াই কৰা খেতি নষ্ট কৰি পেলোৱাৰ লগতে চৰকাৰী আঁচনিৰ ফলকো ভাঙি পেলোৱাৰ অভিযোগ তুলিছে বামুণ্দীৰ কৃষকসকলে। এতিয়া যেন আগ্ৰাসী মিঞাৰ ভয়-ভাবুকিত ত্ৰাহি মধুসূধন সোঁৱৰিছে খিলঞ্জীয়াই। ঘটনাৰ বিষয়ে শুৱালকুছিনদী আৰক্ষীক এজাহাৰ যোগে জনাইছে যদিও মিঞাৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ অভিযোগ খিলঞ্জীয়া লোকৰ। শীঘ্ৰে আগ্ৰাসী মিঞাৰ বিৰুদ্ধে প্ৰশাসনে ব্যৱস্থা নললে হয়তো তীৰ্থনগৰী হাজোৰ অস্তিত্ব এদিন বিপন্ন হৈ পৰিব। খিলঞ্জীয়াৰ স্বাৰ্থত সদাই সৰৱ হৈ থকা মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাক গো আৰু মহ পালক তথা কৃষক সকলৰ নিৰপত্তা সু-নিশ্চিত কৰাৰ বাবে দাবী জনাইছে হাজোৰ কৃষক সকলে।

### ৰাইজৰ উৎসৱে চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ শিক্ষক আৰু ৰাইজৰ সম্পৰ্ক সুদৃঢ় কৰিব

# নগাঁৱৰ বৰচুংজাৰ প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ পালন




**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ চাপানালা সমল কেন্দ্ৰৰ ১০খন বিদ্যালয়ৰ ব্যৱস্থাপনাত আজি বৰচুংজাৰ প্ৰথমিক বিদ্যালয়ত সমগ্ৰ শিক্ষা নগাঁৱৰ উদ্যোগত অনুষ্ঠিত হয় ৰাইজৰ উৎসৱ। ৰাজ্য চৰকাৰে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত সম্পৰ্ক সুদৃঢ় কৰিবলৈ অনুষ্ঠিত কৰা ৰাইজৰ উৎসৱে এতিয়া চৰকাৰী মাধ্যমৰ বিদ্যালয়লৈ এক আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। আজি অনুষ্ঠিত হোৱা ৰাইজৰ উৎসৱত ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশত তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে এক সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। ইফালে, দহ খনকৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল একত্ৰিত হৈ বিভিন্ন খেলত অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক দিশত অংশগ্ৰহণ কৰে। দিনযোৰাকৈ অনুষ্ঠিত হোৱা ৰাইজৰ উৎসৱৰ কাৰ্যসূচীত দুপৰীয়া ১ বজাৰ পৰা অনুষ্ঠিত হয় মুকলি সভা। বিশিষ্ট সমাজকৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক হীৰালাল কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত দহখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও বৰচুংজাৰ অঞ্চলৰ স্থানীয় ৰাইজ উপস্থিত থাকে। শিক্ষক বিভূ কুমাৰ দাসে আঁত ধৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী সঞ্জীৱ বিশ্বাসে ৰাইজৰ উৎসৱে চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাৰ উত্তৰণত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। বিদ্যালয় সমূহত শিক্ষক আৰু ৰাইজৰ সম্পৰ্ক সুদৃঢ় কৰিবলৈ ৰাইজৰ উৎসৱে বলিষ্ঠ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জয়যাত্ৰাৰ সময়ত সমগ্ৰ শিক্ষাৰ জৰিয়তে শিক্ষা বিভাগে ৰূপায়ণ কৰা এই উৎসৱে এতিয়া বিদ্যালয়ৰ লগত ৰাইজ সম্পৰ্ক সুদৃঢ় কৰিব বুলি উল্লেখ কৰে। ইফালে, চাপানলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বসন্ত হাজৰিকাই ভাষণ প্ৰসংগত ভিতৰুৱা অঞ্চল চৰকাৰী বিদ্যালয়সমূহে পিছপৰা অঞ্চলৰ চাপানালাৰ শৈক্ষিক আৰু অন্যান্য পৰিবেশ সুন্দৰ কৰি গঢ়ি তোলাত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমান সময়ত ৰাইজৰ উৎসৱে চৰকাৰী শিক্ষাখণ্ডক ৰাইজৰ কাষলৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, বৰচুংজাৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ দিশৰ লগতে সাংস্কৃতিক দিশটো আগবাঢ়ি যাবলৈ সক্ষম হৈছে। বিদ্যালয়ৰ প্ৰধান শিক্ষক মিঠুপ্ৰতীম বৰাৰ লগতে আন শিক্ষক-শিক্ষয়িত্ৰী সকলে মানৱ সম্পদ গঢ়ি তুলিবলৈ চলোৱা প্ৰচেষ্টাই চৰকাৰী বিদ্যালয়খনলৈ সুন্দৰ বাতাবৰণ কঢ়িয়াই আনিব বুলি স্থানীয় ৰাইজ আশাবাদী।

# বঙাইগাঁৱত "বেপাৰী" Web-Seriesৰ শুভমুক্তি

**অসম বাৰ্তা, বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁৱৰ জলি ডাইন প্ৰেক্ষাগৃহত ধ্ৰুৱ ৰায়ৰ পৰিচালনাত নিৰ্মিত বহু-প্ৰত্যাশিত কোচ ৰাজবংশী ৱেব ছিৰিজ "বেপাৰী"ৰ শুভ মুক্তি অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। এই ৱেব ছিৰিজখন লক্ষ্যসন্ধান ইউটিউব চেনেলত দৰ্শকৰ বাবে উপলব্ধ। শুভ মুক্তি অনুষ্ঠানত কামতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মণ, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক বলোৰাম ৰায়, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি মণিৰাম ৰায়, আৰু বিশিষ্ট লেখক জনৰঞ্জন বৰ্মণ, ইউটিউবাৰ পুলক নিশাচৰকে ধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ধ্ৰুৱ ৰায়ৰ পৰিচালনাত নিৰ্মিত "বেপাৰী"ত অভিনয় কৰিছে হৰ্ষিতা ৰায়, তৰালী উপাধ্যায়, মৌ কুঁহী, জিতেন ৰায়, নবীন ৰায়, জয়ন্ত নিশাচৰ, জনৰঞ্জন বৰ্মণ, নৰোত্তম বৰ্মণ, শিখা মণি ৰায়, তৰালী মণ্ডল, ৰিমা, নগৰদ্বীপ, বিশ্ব সৰকাৰ, মিথুন ৰায়, সুৰজিৎ সিংহ, হেমপ্ৰভা ৰাজবংশী, নমিতা ৰায়, ঋতুমণি, চম্পক, বিক্ৰম, দীপক, ভাস্কৰ, তপন ৰায়, কুটু বাবা আৰু স্বয়ং ধ্ৰুৱ ৰায়-এ।

# চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজহ চক্ৰ পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনাৰ কৃত্ৰিম অনুশীলন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী ৰাজহ চক্ৰৰ অধীনত অনুষ্ঠিত তিনিদিনীয়া ৰাজহ চক্ৰ পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনাৰ কৃত্ৰিম অনুশীলন শুকুৰবাৰে সফলভাৱে সম্পন্ন হয়। এই অনুশীলনটো বঙাইগাঁও জিলাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (DDMA) আৰু বইটামাৰী ৰাজহ চক্ৰৰ দ্বাৰা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)ৰ সহযোগত আয়োজন কৰিছিল। ১০ ডিচেম্বৰত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক উদ্বোধনী অনুষ্ঠানৰ জৰিয়তে কাৰ্যসূচীটোৰ শুভাৰম্ভ কৰিছিল। উদ্বোধনী অনুষ্ঠানত উপস্থিত আছিল- বইটামাৰী ৰাজহ চক্ৰৰ ভাৰপ্ৰাপ্ত চক্ৰ বিষয়া ৰাজেশ সিং, ড° শেখ ফকৰুদ্দিন আলি আহমেদ, অধ্যক্ষ, মহাত্মা গান্ধী কলেজ, চলন্তাপাৰা, জ্যেষ্ঠ নাগৰিক কমল কিশোৰ অধিকাৰী, জিলা প্ৰকল্প বিষয়া অনন্ত সামন্ত, বঙাইগাঁৱৰ অগ্নিনিৰ্বাপক বাহিনীৰ ষ্টেশ্যন বিষয়া দয়াল চক্ৰৱৰ্তী, ক্ষেত্ৰ বিষয়া সাগৰিকা বৰুৱাৰ লগতে বিভিন্ন বিভাগৰ গণ্যমান্য বিষয়াসকল তথা বিভিন্ন ঠাইৰ পৰা অহা ৰাইজ উপস্থিত থাকে। প্ৰথম দিনটোত ৪টা বিশেষ প্ৰশিক্ষণ শাখা আয়োজিত হৈছিল- শিশুকেন্দ্ৰিক জৰুৰী প্ৰস্তুতি, দুৰ্যোগত পানী আৰু অনাময় ব্যৱস্থা আৰু উদ্ধাৰ কাৰ্য্য তথা সমন্বয় ব্যৱস্থাপনা। মুঠ ৯৬জন কৰ্মচাৰীয়ে প্ৰথম দিনৰ প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। ১১ ডিচেম্বৰত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত টেবুল-টপ অনুশীলন অনুষ্ঠিত হয়। বিভিন্ন বিভাগৰ ৯৬জন অংশগ্ৰহণকাৰী সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি দুৰ্যোগ পৰিচালনাৰ সিদ্ধান্তগ্ৰহণ আৰু সমন্বয় পদ্ধতি অনুশীলন কৰে। অন্তিম দিনটোত এক সম্পূৰ্ণ যৌথ মক ড্ৰিল সম্পন্ন কৰে। ঘটনা প্ৰতিক্ৰিয়া প্ৰণালী অনুসৰি বানপানী আৰু স্বাস্থ্য শিবিৰ স্থাপন কৰা হয়, য'ত ক্ষতিগ্ৰস্তলোকৰ দ্ৰুত সেবা আৰু চিকিৎসা সেৱা প্ৰদৰ্শন কৰে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ স্বেচ্ছাসেৱকসকলৰ বিশেষজ্ঞ দলে হৰিপাণি নদীত ডুব যোৱাৰ উদ্ধাৰ প্ৰদৰ্শন কৰে। মডেল ৰিলিফ কেম্পৰ অংশ হিচাপে স্থাপন কৰা হৈছিল- ৰেজিষ্ট্ৰেষন ডেস্ক স্বাস্থ্য পৰীক্ষা শিবিৰ শিশুকেন্দ্ৰিক ব্যৱস্থা আৰু শিশুক দুগ্ধপান কৰোৱা আছুতীয়া ব্যৱস্থা আদিৰ দৰে প্ৰয়োজনীয় সুবিধাসমূহ ৰখা হয়। চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৰিলিফ কেম্প হিচাপে ব্যৱহাৰ কৰা হৈছিল। তিনিদিনীয়া এই কাৰ্যসূচীৰ সময়ছোৱাত সকলো বিভাগে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আন্তঃবিভাগীয় সমন্বয় শক্তিশালী কৰাৰ লগতে দুৰ্যোগ পৰিচালনাত সমগ্ৰ অনুশীলনত সক্ৰিয়তা প্ৰদৰ্শন কৰে। অনুশীলনটোৰ অন্তত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক অনুষ্ঠান অনুষ্ঠিত হয় আৰু অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰে।

### ন-পুৰণি কিতাপ বিচাৰি আহ্বান

# জুবিনৰ নামত নিজ গৃহত পুথিভঁৰাল স্থাপন শিৱসাগৰৰ এজন যুৱকৰ

**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ১৪ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌ শুকান পুখুৰী গায়েন গাঁৱৰ যুৱক তথা চুটিগল্প পৃথিৱী অসমৰ সম্পাদক ৰণ্টু ৰঞ্জন কলিতাই স্থানীয় ল'ৰা-ছোৱালীসমূহক কিতাপ পঢ়াৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিবলৈ গ্ৰহণ কৰিছে এক প্ৰশংসনীয় পদক্ষেপ। নিজ গৃহতেই "জ্ঞান কক্ষ" নামেৰে স্থাপন কৰিছে এটা পুথিভঁৰাল। উল্লেখযোগ্য যে, এই পুথিভঁৰালটো ১৭ ডিচেম্বৰ, ২০২৫ তাৰিখে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব। ইতিমধ্যে ৰণ্টুৱে 'জ্ঞান কক্ষ'ৰ বাবে কেইবাশতাধিক কিতাপ সংগ্ৰহ কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে এই পুথিভঁৰালটোলৈ ন-পুৰণি কিতাপ দিব বিচাৰে তেন্তে ৬৯০১৩৫১৩৯৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# জাঁজী হাঁহচৰাৰ ক্ষুদ্ৰ ব্যৱসায়ী আদিত্য ভট্টাচাৰ্য্যৰ পৰলোক

**অসম বাৰ্তা, আমগুৰি, ১৪ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰা চূড়ামণি গাঁও নিবাসী, ক্ষুদ্ৰ ব্যৱসায়ী, আদিত্য ভট্টাচাৰ্যৰ আজি দুপৰীয়া পৰলোকপ্ৰাপ্তি ঘটে। হাঁহচৰাৰ হোটেল উদয়াদিত্যৰ অন্যতম স্বত্বাধিকাৰী ৬২ বছৰীয়া আদিত্য ভট্টাচাৰ্য্য যোৱা কিছুদিন ধৰি অসুস্থ হৈ আছিল। ব্যৱসায়ী গৰাকীৰ বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধই ভিৰ কৰে। আনহাতে হাঁহচৰা অঞ্চলৰ ব্যৱসায়িক প্ৰতিষ্ঠান সমূহ বন্ধ কৰি প্ৰয়াত ব্যৱসায়ী জনৰ প্ৰতি শ্ৰদ্ধা জনায়। মৃত্যুৰ সময়ত প্ৰয়াত আদিত্য ভট্টাচাৰ্য্যই পত্নী, তিনিজন জ্যেষ্ঠ ভ্ৰাতৃ আৰু এজন কনিষ্ঠ ভ্ৰাতৃ সহ বহু আত্মীয় এৰি থৈ গৈছে।

◀◀ ৰাজনৈতিক নেতাসকলৰ আৰু এক ৰূপে বহুতকে চিন্তান্বিত কৰিছে। পশ্চিম বংগ, দিল্লী, কেৰেলা আদি কেইখনমান ৰাজ্যৰ চৰকাৰে কেন্দ্ৰৰ সিদ্ধান্তক উপেক্ষা কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। বৰ্তমান এছ. আই. আৰ.ৰ বিৰোধিতা কৰা নেতাৰ অভাৱ নাই। স্বদেশৰ ভূমিৰ পৰা বহিৰাগত অবৈধ নাগৰীকৰ ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা কৰি সেই সকল নেতাই মূল্যবোধ জলাঞ্জলি দিবলৈ কুণ্ঠাবোধ নকৰে। দুই এজনে আৰু আগুৱাই গৈ জেন জিৰ সহযোগত ভাৰতত বাংলাদেশ আৰু নেপালৰ পৰিস্থিতিৰ সৃষ্টি কথাও চিন্তা কৰে। জুবিন গাৰ্গৰ মৃত্যুক লৈয়ো কিছুমানে অসমত নেপাল সদৃশ অস্থিৰতাৰ সৃষ্টি কৰাৰ পৰিকল্পনা কৰিছিল। সেয়া জাতীয় মূল্যবোধৰ জঘন্য ৰূপ। ▶▶

## সম্পাদকীয়

### পুঁজিপতিৰ স্বাৰ্থ নে জনসাধাৰণৰ অধিকাৰ?

২০২৫ চনৰ বিদ্যুৎ (সংশোধনী) বিধেয়কখনৰ খচৰা উলিওৱাৰ লগে লগে দেশৰ শক্তিখণ্ডই এটা গুৰুত্বপূৰ্ণ সন্ধিক্ষণত উপনীত হৈছে। সদৌ অসম বিদ্যুৎ উপভোক্তা সন্থাৰ তীব্ৰ অভিযোগ আৰু সতৰ্কবাণীয়ে এই আলোচনাক ৰাজ্যিক পৰিসীমা ভাঙি ৰাষ্ট্ৰীয় প্ৰসংগলৈ উন্নীত কৰিছে। ইয়াৰ মূল কথা হ'ল- এই বিধেয়কৰ জৰিয়তে শক্তিখণ্ড সম্পূৰ্ণৰূপে ব্যক্তিগত কোম্পানীৰ হাতলৈ যোৱাৰ লগতে বিদ্যুতৰ মাচুল অভাৱনীয়ভাৱে বাঢ়িব বুলি কোৱা হৈছে। এই ক্ষেত্ৰত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন সমাজৰ সন্মুখত ওলাই আহিছে। প্ৰথমতে, এই বিধেয়ক সাধাৰণ উপভোক্তাৰ স্বাৰ্থ ৰক্ষা কৰেনে? সন্থাই স্পষ্টকৈ কৈছে যে বিধেয়কখনৰ খচৰা প্ৰকাশ কৰোঁতে দেশৰ কোটি কোটি উপভোক্তাৰ পৰা মতামত গ্ৰহণ কৰা হোৱা নাই। আনহাতে, ৰাষ্ট্ৰীয় পৰ্যায়ত বিদ্যুৎকৰ্মী আৰু অভিযন্তা সন্থাৰ সংগঠন NCCOEEE-য়ে ইয়াক 'কৰ্মচাৰী, কৃষক আৰু উপভোক্তা-বিৰোধী' বুলি অভিহিত কৰিছে। বিধেয়কত থকা এক গুৰুত্বপূৰ্ণ ধাৰা হ'ল 'ক্ৰছ-ছাবছিডি' ব্যৱস্থা পাঁচ বছৰৰ ভিতৰত বিলুপ্ত কৰাৰ প্ৰস্তাৱ। এই ব্যৱস্থা নাথাকিলে ঘৰুৱা, কৃষি আৰু ক্ষুদ্ৰ উদ্যোগৰ দৰে ক্ষেত্ৰত বিদ্যুৎৰ খৰচ ব্যাপক হাৰত বাঢ়িব। কোনো কোনো বিশ্লেষকৰ মতে, ইয়াৰ ফলত এটা ৬.৫ হাৰ্চপাৱাৰৰ পানীৰ মটৰ দৈনিক ছয় ঘণ্টা চলালে কৃষকে মাহিলী কমেও ১২,০০০ টকা বিদ্যুৎ বিল দিবলগীয়া হ'ব পাৰে। গতিকে, সাধাৰণ মানুহৰ ওপৰত অৰ্থনৈতিক চাপ বৃদ্ধি হোৱাটোৱেই স্বাভাৱিক। দ্বিতীয়তে, ই ৰাজ্যৰ অধিকাৰ আৰু ফেডেৰেল ব্যৱস্থাক দুৰ্বল কৰেনে? ভাৰতৰ সংবিধানৰ সপ্তম অনুসূচী অনুসৰি, বিদ্যুৎ এক সামৰস্থাপত্ৰীয় বিষয়। অৰ্থাৎ ইয়াত কেন্দ্ৰ আৰু ৰাজ্য দুয়োৰে অধিকাৰ আছে। কিন্তু এই সংশোধনীৰ জৰিয়তে বিদ্যুৎ বিতৰণ আৰু মাচুল নিৰ্ধাৰণত কেন্দ্ৰীয় চৰকাৰে পোনপটীয়াকৈ হস্তক্ষেপ কৰাৰ সুযোগ সৃষ্টি হ'ব বুলি ভৱা হৈছে। ৰাজ্যসমূহৰ এই ক্ষমতা সংকুচিত হোৱাটো ফেডেৰেল ব্যৱস্থাৰ মূল চেতনাৰ লগত সাংঘৰ্ষিক। অসমৰ দৰে ৰাজ্য, য'ত বিদ্যুৎ উৎপাদন ক্ষমতা (৪১৯.৮৬ মেগাৱাট) বাৰ্ষিক পিক ডিমাণ্ড (২৮০৯.২৭ মেগাৱাট)ৰ তুলনাত যথেষ্ট কম, তেনে ৰাজ্যত এই বিধেয়কৰ প্ৰভাৱ আটাইতকৈ বেছি হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যিক বিতৰণ কোম্পানীসমূহৰ কৰ্তৃত্ব নোহোৱা হ'লে স্থানীয় প্ৰয়োজনীয়তাৰ ভিত্তিত নীতি ৰচনা কৰাটো কঠিন হৈ পৰিব। তৃতীয়তে, এইখিনিতে এটা ডাঙৰ অৰ্থনৈতিক অসাম্যৰ সম্ভাৱনা দেখা দিছে। বিধেয়কৰ জৰিয়তে ব্যক্তিগত কোম্পানীসমূহক চৰকাৰী বিতৰণ নেটৱৰ্ক ব্যৱহাৰ কৰি বিদ্যুৎ যোগান ধৰাৰ অধিকাৰ দিয়া হ'ব। তথাপি, এই নেটৱৰ্কৰ উন্নয়ন আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব আৰু ব্যয় চৰকাৰী কোম্পানীৰ ওপৰতেই ৰ'ব। ইয়াৰ ফলত ব্যক্তিগত কোম্পানীয়ে লাভজনক চহৰীয়া আৰু উদ্যোগিক গ্ৰাহকক বাছনি কৰিব, কিন্তু গ্ৰাম্য আৰু নিম্ন-আয়ৰ গ্ৰাহক সেৱা দিয়াৰ দায়িত্ব চৰকাৰী কোম্পানীৰ ওপৰতে পৰি ৰ'ব। ই চৰকাৰী কোম্পানীসমূহক দ্ৰুতগতিত দেওলীয়া হোৱালৈ ঠেলি নিব। চতুৰ্থতে, এই বিধেয়ক বাস্তৱিকতে বিদ্যুৎ খণ্ডক পুঁজিপতিৰ হাতত 'গটাই দিয়া'ৰ ষড়যন্ত্ৰ নেকি? সন্থাই দাবী কৰাৰ দৰে, ২০১৮ চনৰ পৰা একেধৰণৰ বিধেয়ক পাঁচবাৰকৈ সংসদত উত্থাপন কৰাৰ চেষ্টা হৈছিল, কিন্তু প্ৰতিবাদৰ বাবে পিছুৱাবলগীয়া হৈছিল। ইয়াৰ লগতে, বিৰোধী দল কংগ্ৰেছে 'কৰ্পৰেট স্বাৰ্থবিৰোধী' বুলি এই বিধেয়কৰ বিৰুদ্ধে প্ৰতিবাদ মিছিলৰ আয়োজন কৰিবলৈ ঘোষণা কৰিছে। আনকি ২৭ লাখতকৈ অধিক বিদ্যুৎকৰ্মী-অভিযন্তাৰ ৰাষ্ট্ৰীয় সংগঠন NCCOEEE-য়ে ২০২৬ চনৰ ৩০ জানুৱাৰীত 'দিল্লী চলো' আন্দোলন ঘোষণা কৰিছে। সেয়েহে, সাধাৰণ জনতাই এই বিধেয়ক সম্পৰ্কে সজাগ হ'বলগীয়া হৈছে। শেষত, উন্নত শক্তি ব্যৱস্থা ৰাজহুৱা সেৱাৰ মনোবৃত্তিৰে গঢ় দিব লাগে, নিৰ্ভৰশীলতা আৰু মুনাফাৰ চিন্তাৰে নহয়। চৰকাৰে এই বিধেয়কখন ৰাজ্যিক চৰকাৰ, কৰ্মচাৰী সংগঠন আৰু সাধাৰণ উপভোক্তাৰ লগত পৰ্যাপ্ত আলোচনা আৰু মতবিনিময় নকৰাকৈ আগবঢ়োৱাটো উচিত নহ'ব। অসম আৰু ভাৰতৰ সাধাৰণ মানুহৰ প্ৰশ্ন সহজ- এই সংশোধনীৰ পৰা আমি লাভান্বিত হ'ম নে ক্ষতিগ্ৰস্ত?

# মূল্যবোধ, ৰাজনীতি আৰু আমি

ড° আৰ কে বেজবৰুৱা

বৰ্তমান 'মূল্যবোধ' শব্দটোৰ বহুল প্ৰয়োগ আৰু চৰ্চা আমাৰ দৈনন্দিন জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। মূল্যবোধ এনেকুৱা এটা বিষয়- যাক কোনো সূত্ৰতে বান্ধিব পৰা নেযায়। তাৰ সম্যক ধাৰণা এটাহে দিব পৰা যায়। যি অৱধাৰণাজন সমূদায়ৰ যি কোনো হিতৰ চিন্তাত গ্ৰহণ কৰিব পৰা যায় সেয়াই 'মূল্যবোধ' হিচাবে গ্ৰহণ কৰিব পাৰি। উদাহৰণ স্বৰূপে, বৰ্তমান সময়ৰ ইজৰাইল আৰু ইৰানৰ যুদ্ধলৈ আঙুলিয়াব পাৰি।

ইজৰাইলৰ একাংশ লোকে যোৱা বছৰ ৭ অক্টোবৰত নিজৰ উৎসৱ পালন কৰি থকা অৱস্থাত অতৰ্কিতে হামাছে আক্ৰমণ কৰি বহু লোকক হত্যা কৰিছিল। তাত মূল্যবোধৰ প্ৰাসংগিকতা উত্থাপন হৈছে। কোনো এটা জাতি বা মানুহে কাকো অপকাৰ নকৰাকৈ নিজৰ কাম কৰি থকা অৱস্থাত কোনো লোকে আহি প্ৰাণ কাঢ়ি লোৱাটো উচিত নে? তেনেকুৱা ঘটনাৰ প্ৰতিকাৰ কৰাৰ অধিকাৰ বা প্ৰয়োজন থাকিবই। সেই ক্ষেত্ৰত আমি কাক সমৰ্থন কৰিম? প্ৰথমে আক্ৰমণ কৰা সকলক নে প্ৰতিকাৰ অৰ্থে প্ৰত্যাক্ৰমণ কৰা জনক? 'মূল্যবোধ'ৰ স্পষ্ট ৰূপ তাতেই প্ৰতিফলিত হৈছে।

হামাচৰ উত্থান ১৯৮৭ চনত। পেলেষ্টাইনৰ ৰাজনীতিৰ এক সশস্ত্ৰ গোট হৈছে হামাচ। ইজিপ্তৰ মুছলিম ব্ৰাদাৰহুডক প্ৰতিনিধিত্ব কৰা এটা সংগঠন হিচাবে হামাচক গঢ় দিয়া হৈছে। ইয়াৰ জন্মই হৈছে হিংসাত্মক জিহাদ পূৰণ কৰাৰ উদ্দেশ্যে। ইজৰাইলে দখল কৰা ভূমি কাঢ়ি লোৱাৰ বাবে তাৰ আত্মপ্ৰকাশ ঘটিছিল। গতিকে যিয়ে সত্যক সমৰ্থন কৰে সেয়াই ব্যক্তি বিশেষৰ মূল্যবোধ।

এই বাৰ চোৱা যাওক ২২ এপ্ৰিলৰ পেহেলগামত পাকিস্তানৰ উগ্ৰপন্থী লস্কৰ-ই-তৈয়বা বা হিজবুল মুজাহিদিনৰ আক্ৰমণলৈ। নিশ্চিন্ত মনে কাশ্মীৰৰ সৌন্দৰ্য উপভোগ কৰি থকা পৰ্যটকৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰি ২৬জন লোকক হত্যা কৰা হৈছিল।

এই দুয়োটা ঘটনাকে সম দৃষ্টিৰে চাব পাৰি। কোনো কাৰণতে ইজৰাইল আৰু ভাৰতৰ চৰকাৰে সেই পাশৱিক ঘটনাক সহ্য কৰিব নোৱাৰে। যদি সহ্য কৰে, তেন্তে সেয়া চৰকাৰৰ বাবে কাপুৰুষালীৰ বাহিৰে একো নহ'ব। দেশৰ জনসাধাৰণে চৰকাৰক কেতিয়াও ক্ষমা নকৰিব। হামচক লক্ষ্য কৰি ইজৰাইলে যি পদক্ষেপ গ্ৰহণ কৰিছে তাত নেতান্যাহুৰ ৰাজনৈতিক মূল্যবোধ বা আদৰ্শৰ ওপৰত প্ৰশ্ন উঠিব নোৱাৰে। নিজৰ ভূমি ৰক্ষা কৰা আৰু প্ৰজাক ৰক্ষণাবেক্ষণ দিয়াটো প্ৰশাসকৰ দায়িত্ব। আনহাতে, পেহেলগামৰ অপ্ৰৰোচিত বৰ্বৰ কাণ্ডৰ প্ৰতিশোধ লোৱাত ভাৰতে চলোৱা 'অপাৰেচন সিন্দূৰ'ক লৈয়ো কোনো প্ৰশ্ন উঠিব নোৱাৰে। তাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান ভাৰতীয় ৰাজনীতিত যি ধৰণৰ চৰ্চা চলিছিল বা এতিয়াও চলি আছে, সেয়া বিৰোধী পক্ষৰ ৰাজনীতিকে মূলবোধৰ ব্যৱসায় কৰা যেন পৰিলক্ষিত হৈছে। তাৰ ওপৰত কিছু চৰ্চাৰ প্ৰয়োজন বুলি আমি ভাবোঁ।

**প্ৰথমে অসমৰ পৰা আৰম্ভ কৰা যাওকঃ**

আহোম ৰাজনীতিত এসময়ত দেশ শাসনৰ ক্ষেত্ৰত বিচাৰ-বিবেচনাৰ এক গভীৰ মূল্যবোধ আছিল - যাৰ বাবে তেওঁলোকে ছশ বছৰীয়া শাসন কাল এটা পাৰ কৰিবলৈ সক্ষম হৈছিল। তাৰ মাজতো তিনিবাৰকৈ সিংহাসনত শূন্য কালৰ সৃষ্টি হৈছিল। কিছুমান ৰজা আৰু বিষয়াৰ মূল্যবোধৰ অৱনতিত বিদ্ৰোহ আৰু ক্ষুদ্ৰ জাতিসত্ত্বাৰ উত্থান ঘটিছিল। তাৰ পিছতো শক্তিশালী ব্যক্তিয়ে শাসন ব্যৱস্থা চম্ভালি লৈছিল। শেহতীয়াকৈ গদাপাণিয়ে ৰাজনৈতিক মূল্যবোধৰ অৱক্ষয় ৰোধ কৰাত সক্ষম হৈছিল, যদিয়ো তেওঁৰ শাসন ব্যৱস্থাত অনেক ত্ৰুটি আছিল। লাচিত বৰফুকনে নিজৰ মোমায়েকৰ শিৰশ্ছেদ কৰিছিল যদিয়ো তাত মূল্যবোধৰ অৱতাৰণা হোৱা নাছিল। কাৰণ দেশ আৰু মাতুলৰ মাজত যদি প্ৰশ্ন উঠে নিতান্তই দেশৰ কথা প্ৰথমেই আহিব। তাকেই কয় মূল্যবোধ। আহোম ৰাজ বংশৰ অন্তিম সময়ত পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদন বৰফুকনৰ পাৰিবাৰিক কন্দল বা শক্তিৰ দ্বন্দ্ব বৃত ৰাজনৈতিক মূল্যবোধ অধঃপতিত হৈছিল। যাৰ ফলত বদন বৰফুকনে কেৱল নিজৰ আধিপত্য প্ৰদৰ্শন কৰিবলৈ মানৰ হাতত দেশ তুলি দিছিল আৰু তাৰ পৰা বৃটিছে অসমক নিজৰ সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিবলৈ সুযোগ পাইছিল।

ভাৰতীয় প্ৰেক্ষাপটত ৰাজনৈতিক মূল্যবোধৰ অৱক্ষয় দেখা যায় আকবৰৰ শাসন কালত। ভাৰতৰ ক্ষুদ্ৰ জাতি সমূহে আক্ৰমণকাৰী মোগলৰ হাতত নিজৰ স্বকীয়তা সঁপি মূল্যবোধৰ নীচ পৰিচয় দাঙি ধৰিছিল। ক্ষুদ্ৰ জাতি সমূহে একগোট হৈ দেশৰ স্বাধীনতা ৰক্ষা কৰাৰ পৰিৱৰ্তে ব্যক্তিগত লাভা-লাভৰ চিন্তাক আগস্থান দিছিল। নিজৰ জীয়ৰী বা দেশৰ নাৰী আক্ৰমণকাৰীৰ হাতত তুলি পৰাজয় স্বীকাৰ কৰি দি সন্ধি কৰিছিল। ভাৰতীয় ৰাজনীতিত মূল্যবোধৰ চৰম অধঃপতন দেখা গ'ল পলাচীৰ যুদ্ধত সেনাপতি মীৰজাফৰৰ হাতত। চতুৰ ৰবাৰ্ট ক্লাইভৰ প্ৰলোভনত নিজৰ শহুৰেকক তুলি দিছিল বৃটিছৰ হাতত।

বৰ্তমানৰ ভাৰতীয় ৰাজনীতিত অভূতপূৰ্ব ভাবে মূল্যবোধৰ অৱক্ষয়ৰ বিপৰীতে মূল্যবোধৰ ৰাজনীতি দেখা গৈছে। বিগত কেইটামান দশক ধৰি বিভিন্ন মানসিকতা লৈ বিভিন্ন মানুহৰ ৰাজনৈতিক ক্ষেত্ৰলৈ আগমন ঘটিছে। তেওঁলোকৰ উদ্দেশ্য হৈছে একমাত্ৰ ব্যক্তিগত লাভালাভ। লাগিলে দেশখন বিদেশীৰ হাতত নাযাওক কিয়! কাশ্মীৰৰ পৰা আৰম্ভ কৰি কন্যাকুমাৰী পৰ্যন্ত মানুহৰ বিবেক-বিবেচনা শূন্য হ'বলৈ ধৰিছে। কাশ্মীৰৰ কথা আমি সকলোৱে জানো। এটা ৰাজনৈতিক দলৰ দীৰ্ঘ দিনৰ শাসন বৰ্তাই ৰখাৰ স্বাৰ্থত অস্থায়ী সাংবিধানিক ব্যৱস্থা এটা যোৱা সাতটা দশক জুৰি চলি থাকিবলৈ দিয়া হৈছিল। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে এখন দেশত এক সাংবিধানিক ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ লগে লগে বিভিন্ন মহলে কথাৰে আৰু কামেৰে বিভিন্ন ধৰণৰ ৰাজনৈতিক অস্থিৰতা সৃষ্টিৰ চেষ্টা চলাইছে। সৌ সিদিনা কৃষকৰ নাম লৈ দিল্লীত যি তাণ্ডৱ আৰু ধ্বংসাত্মক কাৰ্য চলালে, তাৰ পৰা কিছুমান কৃষক নেতাই হওক বা ৰাজনৈতিক নেতাৰ মূল্যবোধৰ পৰিচয় পাব পাৰি। কৃষকৰ নাম লৈ, পাকিস্তানী সন্ত্ৰাসবাদীক ন্যায় দিয়াৰ কথা কৈ, একাংশ নাৰীৰ ধৰ্মীয় বস্ত্ৰ হিজাবৰ ওপৰত সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ, ভাৰতত যি অস্থিৰতাৰ সৃষ্টি কৰিব খোজা হৈছিল, তাৰ দ্বাৰা কিছুমান নেতাৰ ৰাজনৈতিক মূল্যবোধৰ খহনীয়া স্পষ্ট হৈ উঠিছে। চাহিনবাগত হোৱা পৰিস্থিতি বা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত হোৱা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে তাত সমৰ্থন জনোৱা ৰাজনৈতিক দল-সংগঠনৰ নেতাৰ মূল্যবোধৰ মূল্যায়ন কৰা কঠিন নহয়। যি সত্য, তাক প্ৰতিষ্ঠা নকৰি তাৰ বিপৰীতে গণ আন্দোলন গঢ়ি তুলি দেশত অস্থিৰতা সৃষ্টি কৰাটো মূল্যবোধৰ পৰিপন্থী কাৰ্য্য।

মূল্যবোধৰ অপমৃত্যু ঘটা ঘটনা এটা দেখা গৈছিল কিছুদিন আগতে 'অপাৰেচন সিন্দূৰ' চলি থকাৰ মাজত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ যুদ্ধ বিৰতিৰ ঘোষণাত। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে তেওঁ নিজৰ অধিকাৰক চেৰাই গৈ আনৰ ৰাজনৈতিক বিষয়ত মূৰ সুমুৱাই নিজৰ মূল্যবোধৰ নিকৃষ্ট ৰূপটো প্ৰকাশ কৰিলে। একে কথাই দেখা যায় ইৰানৰ ওপত আক্ৰমণ কৰাৰ ঘটনাতো। নিঃসন্দেহে ইৰানে ইজৰাইলৰ লগত যুদ্ধত লিপ্ত হৈ নিজৰ মূল্যবোধ জলাঞ্জলি দিছিল। তেনেকুৱা কামবোৰকে মূল্যবোধৰ অৱক্ষয় বুলি কোৱা হয়।




আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে পৃথিৱীৰ প্ৰায় সকলো দেশৰ ওপৰত নিজৰ আধিপত্য দেখুৱাবলৈ গৈ নিজৰ মূল্যবোধৰ ব্যৱসায় নগ্ন ৰূপত তুলি ধৰিছে। পাকিস্তানৰ দৰে উগ্ৰপন্থীৰ জন্ম দাতা দেশ এখনক চলে বলে কৌশলে হাতৰ মুঠিত লৈ শান্তিৰ নোবেল বঁটালৈ হাকুটি মেলিছিল। তেনে ক্ষেত্ৰত মূল্যবোধ সংজ্ঞা যেন ধূলিৰে ধূসৰিত হৈছে। আজিৰ শক্তি সৰ্বস্ব ৰাজনীতিত চাৰিয়ো ফালে কেৱল মূল্যবোধৰ খহনীয়া। সেয়া ব্যক্তিগতই হওক বা ৰাজনৈতিকেই হওক। পাকিস্তানেই হওক বা আমেৰিকাই হওক, নিজৰ দপদপনি চলাই যাব লাগে।

এখন ৰাষ্ট্ৰৰ অধীনত থাকিলে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে, সুস্থিৰ শাসনৰ স্বাৰ্থত কিছুমান কথা দল-নেতা নিৰ্বিশেষে মানি চলা উচিত। ইজৰাইল-ইৰান যুদ্ধত ভাৰতৰ স্থিতিক লৈ বিৰোধী দলসমূহৰ মনোভাৱ কোনো পধ্যেই ভাল নহয়। বিৰোধী পক্ষৰ কিছুমানে ইৰানক সমৰ্থন দিয়াৰ পক্ষপাতী। কিন্তু হামাচৰ নিৰ্বিচাৰ হত্যাত তেৰোঁলোক নিমাত। অপাৰেচন সিন্দূৰৰ পৰিপ্ৰেক্ষিতত 'সিন্ধু জল-চুক্তি' বাতিলৰ বিপক্ষে বামপন্থীৰ স্থিতিয়ে দেশৰ স্বাৰ্থত ৰাজনৈতিক মূল্যবোধ হনন কৰিছে।

ৰাজনৈতিক নেতাসকলৰ আৰু এক ৰূপে বহুতকে চিন্তান্বিত কৰিছে। পশ্চিম বংগ, দিল্লী, কেৰেলা আদি কেইখনমান ৰাজ্যৰ চৰকাৰে কেন্দ্ৰৰ সিদ্ধান্তক উপেক্ষা কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। বৰ্তমান এছ. আই. আৰ.ৰ বিৰোধিতা কৰা নেতাৰ অভাৱ নাই। স্বদেশৰ ভূমিৰ পৰা বহিৰাগত অবৈধ নাগৰীকৰ ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা কৰি সেই সকল নেতাই মূল্যবোধ জলাঞ্জলি দিবলৈ কুণ্ঠাবোধ নকৰে। দুই এজনে আৰু আগুৱাই গৈ জেন জিৰ সহযোগত ভাৰতত বাংলাদেশ আৰু নেপালৰ পৰিস্থিতিৰ সৃষ্টি কথাও চিন্তা কৰে। জুবিন গাৰ্গৰ মৃত্যুক লৈয়ো কিছুমানে অসমত নেপাল সদৃশ অস্থিৰতাৰ সৃষ্টি কৰাৰ পৰিকল্পনা কৰিছিল। সেয়া জাতীয় মূল্যবোধৰ জঘন্য ৰূপ।

শেহতীয়াভাৱে বিহাৰত ভোটৰ লিষ্ট সংশোধন অভিযানৰ বিৰুদ্ধেও বিৰোধিতা কৰা হৈছে। ই ভি এম, এম এছ পি, সংশোধিত ৱাকফ বিল, পাকিস্তানৰ সৈতে কৰা যুদ্ধ বিৰতি, নৰেন্দৰ-ছাৰেণ্ডাৰ, সৰ্বদলীয় প্ৰতিনিধি মণ্ডলীৰ বিদেশ ভ্ৰমণ আদি অনেক কথাত ৰাজনৈতিক নেতাসকলে যেন মূল্যবোধৰ অধঃপতনত লিপ্ত হৈছে। কিছুবছৰ আগত ৰাম মন্দিৰ, তাৰ পিছত ৩৭০ ধাৰাৰ বিলুপ্তিৰ পিছত সংবিধানৰ পৰা Social আৰু Secular শব্দৰ বিলুপ্তিৰ ক্ষেত্ৰতো একেই ব্যৱসায় অব্যাহত আছে।

অতি সম্প্ৰতি সংসদৰ শীতকালীন অধিবেশন আৰম্ভ হোৱাৰ দিনাই ৰেণুকা চৌধুৰী নামৰ জ্যেষ্ঠ সাংসদ এগৰাকীয়ে সংসদলৈ কুকুৰ এটা লৈ যোৱা প্ৰসংগটো সকলোতে চৰ্চাৰ বিষয় হৈছে। তাৰ লগতে- "য়ে কাটটা নেহী, কাটনেৱালা ঔৰ হে সংচদ মে.." বুলি সাংসদ গৰাকীয়ে যি বক্তব্য ব্যৱহাৰ কৰিছিল তাৰ দ্বাৰা কুকুৰ আৰু সাংসদৰ মাজৰ সীমাৰেখা ডাল যেন হেৰাই থাকিল! সাংবাদিকৰ প্ৰশ্নত 'ভৌ ভৌ' কৰি উঠা দৃশ্য দেখাৰ পিছত এনে লাগিল যে দেশৰ উচ্চ আসনলৈ জনতাই নিৰ্বাচিত কৰি পঠোৱাজন প্ৰতিনিধিৰ চিন্তা আৰু কথাই যেন মানৱীয় মূল্যবোধক ঠেলি নি কুকুৰ শাৰী পোৱালে গৈ! সাধাৰণ জনতা হিচাপে আমি আশা ৰাখিম যে ৰাজনীতিবিদ সকলে মূল্যবোধৰ এনে নিকৃষ্ট ব্যৱসায় বন্ধ কৰিব লাগে। যাৰ মূল্যবোধক জন্তুৰ সৈতে তুলনা কৰা হৈছে তেনেকুৱা নেতা সদনৰ আসনত বহাৰ যোগ্যতা থাকে নে নাথাকে সেয়া জনতাৰ বৌদ্ধিক মূল্যবোধৰ ওপৰত ন্যস্ত থাকিব।

# সহানুভূতিশীলতা ঃ এক মানৱীয় গুণ


নিবেদিতা হাজৰিকা

হৃদয়বান লোকৰ প্ৰথম পৰিচয় হৈছে এই সহানুভূতিশীলতা। যাক ইংৰাজীত কোৱা হয় Syampathy। ই এক বিশেষ দক্ষতা। সহানুভূতিশীলতাই ব্যক্তিৰ ধনাত্মক চিন্তাধাৰা, মানৱীয় গুণৰাজি, পাৰস্পৰিক আচৰণ, সামাজিক আচাৰ - ব্যৱহাৰ, নেতৃত্ব আদিৰ দৰে দিশ সমূহ সুদৃঢ় বা সুস্থ-সৰল হিচাপে গঢ়ি তোলাত সহায় কৰে। আনৰ আৱেগ -অনুভূতি অনুভৱ কৰি সমভাগী হ'ব পৰা দক্ষতা তথা আনৰ অৱস্থা বুজি তথা আনৰ দৃষ্টিকোণেৰে সেই ব্যক্তি জনৰ শাৰীৰিক তথা মানসিক পৰিস্থিতি, অৱস্থা, আচৰণ, ব্যৱহাৰ আদি বুজি পাবলৈ প্ৰয়োজন হয় এটি সূক্ষ্ম মনৰ। জীৱনৰ সম্বন্ধ সমূহ সুস্থ-সৰল কৰি ৰখাৰ ক্ষেত্ৰত এই গুণ বা দক্ষতাই বিশেষ ভূমিকা পালন কৰে।

এগৰাকী ব্যক্তি সহনশীল হোৱাৰ ক্ষেত্ৰত এই গুণটো বিশেষ সহায়ক। কিয়নো, সহানুভূতিশীল ব্যক্তিয়ে আনৰ অবাঞ্চিত আচৰণ, অপ্ৰত্যাশীত আচৰণ আদিও সহজে হজম কৰিব পাৰে, মানৱীয় দৃষ্টিভংগীৰে ইয়াক বুজিব পাৰে, গ্ৰহণ কৰিব পাৰে। সহানুভূতিশীলতাই মৰম-চেনেহ, মান-সন্মান, শ্ৰদ্ধা-ভক্তিৰ আদান-প্ৰদান সৰল কৰাৰ লগতে বুজাপৰা তথা সহযোগ-সহযোগিতা আদি সহজ তথা স্বতঃস্ফূৰ্ত ভাৱে প্ৰকাশ কৰি তোলে।

সেৱাৰ মনোভাৱ জাগ্ৰত কৰাত সহানুভূতিশীলতা অদ্বিতীয়। দয়া, ক্ষমা, সহযোগিতা, মানৱীয়তা তথা ভাতৃত্ববোধৰ ভাৱ জাগ্ৰত কৰাত ই বিশেষ ভূমিকা পালন কৰে। আত্মকেন্দ্ৰিকতা ভাব হ্ৰাস কৰি ব্যক্তিৰ স্বাৰ্থপৰতা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰতো এই গুণ বিশেষ সহায়ক। শুনিবলৈ আচহুৱা যেন লাগিলেও এই কথা সঁচা যে মানসিক চিকিৎসাৰ ক্ষেত্ৰতো সহানুভূতিশীলতাভিত্তিক থেৰাপীৰ ব্যৱহাৰ সংযোজিত হৈছে। উল্লেখ্য যে, সহানুভূতিহীনতা, আত্মকেন্দ্ৰিকতা তথা স্বাৰ্থপৰতা আদি বদ গুণ সমূহ ইটো সিটোৰ পৰিপূৰক আৰু পৰিবৰ্ধক। অৰ্থাৎ, এটা বৃদ্ধি পালে আনটো বৃদ্ধি পায় আৰু আনহাতে এটা হ্ৰাস পালে আনটো হ্ৰাস পায়। সেয়ে আমি এই গুণ সমূহ আয়ত্ত তথা বিকাশ সাধনৰ বাবে সদায়ে যত্নপৰ হোৱা উচিত। কিয়নো, মানৱীয় গুণ অবিহনে মানুহ অসম্পূৰ্ণ। এই গুণে কেৱল যে ব্যক্তিৰ জীৱনত হে প্ৰভাৱ পেলায় এনে নহয়, সহানুভূতিশীলতাই ব্যক্তিক সমাজ তথা মানৱ কল্যাণ মূলক প্ৰচেষ্টাত আত্মনিয়োগ কৰাৰ প্ৰেৰণা যোগায় তথা এই দিশত সক্ষমতা প্ৰদান কৰে। সেৱাৰ মনোভাৱ তথা মানৱীয় গুণৰাশিৰ বিকাশ সাধন তথা সৰল কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা এই গুণৰাশিক সেয়ে ব্যক্তিৰ সোণোৱালী জীৱনাৰ্থে অন্যতম বিশেষ গুণ বুলি অভিহিত কৰা হৈছে।

কিন্তু বহুতৰ মাজতে এই গুণৰ অভাৱ পৰিলক্ষিত হয়। আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ এই পৃথিৱীত এনে গুণৰ অধিকাৰী লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা। সহানুভূতিয়ে মন প্ৰফুল্ল কৰে আৰু ধনাত্মক আৱেগৰ উদ্ৰেগ ঘটায়। মানৱ সম্পদ পৰিচালনা তথা নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত তথা সফল হোৱাৰ ক্ষেত্ৰতো প্ৰয়োজন হয় পৰ্যাপ্ত সহানুভূতিশীলতাৰ। সেয়ে আমি সকলোৱে এই মানৱীয় সৎ গুণ আহৰণ কৰি জীৱনৰ আনন্দ উপভোগ কৰিবলৈ শিকা উচিত।



# চাকৰি নে দক্ষতা? অসমৰ শিক্ষা ব্যৱস্থাৰ মূল সংকট

ললিত নাথ

> প্ৰশ্নটো হৈছে, আমি কিমান দিনলৈ কেৱল পৰীক্ষাত পাছ কৰা ছাত্ৰ গঢ়ি থাকিম? আজিৰ যুৱক-যুৱতীৰ হাতত লেপটপ আছে, ইণ্টাৰনেট আছে, সপোন আছে। কিন্তু তেওঁলোকৰ পিঠিত এতিয়াও সেই পুৰণি ডিগ্ৰীৰ বোজা। এই বোজা তেওঁলোকে নিজেই পেলাই দিবলৈ আৰম্ভ কৰিছে।

দ্ৰুতগতিত সলনি হৈ থকা এই বিশ্বত চাকৰিৰ ক্ষেত্ৰখনো ক্ষণে ক্ষণে নতুন ৰূপ লৈছে। প্ৰতিদিনে নতুন নতুন ক্ষেত্ৰত লাখ লাখ সুযোগ সৃষ্টি হৈ আছে। কৃত্ৰিম বুদ্ধিমত্তা, ডাটা ছায়েন্স, চাইবাৰ ছিকিউৰিটি, কণ্টেণ্ট ক্ৰিয়েচন, গেম ডেভেলপমেণ্ট, ডিজিটেল মাৰ্কেটিং আদি ক্ষেত্ৰত যুৱক-যুৱতীসকলে নিজকে প্ৰতিষ্ঠিত কৰাৰ সুযোগ লাভ কৰিছে।

কিন্তু অসমৰ শিক্ষা ব্যৱস্থাত এই পৰিৱৰ্তনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী নহয়। ফলত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ পৰা ডিগ্ৰী লৈ ওলাই আহিয়েই সততে এটা প্ৰশ্নৰ সন্মুখীন হয়, "তোমাৰ স্কিল কি?" এই প্ৰশ্নৰ উত্তৰ তেওঁলোকৰ হাতত নাথাকে, কাৰণ আমাৰ শিক্ষা ব্যৱস্থা এতিয়াও পুৰণি ধাৰাত আবদ্ধ।

অৱশ্যে ১৯৬৮ চনৰ জাতীয় শিক্ষা নীতিৰ পৰা আৰম্ভ কৰি ২০২০ চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিলৈকে কেইবাখনো শিক্ষানীতি প্ৰণয়ন কৰা হৈছে। এই নীতিসমূহে শিক্ষাক আধুনিকীকৰণ কৰাৰ লক্ষ্য ৰাখিছে যদিও বাস্তৱত বেছিভাগ শিক্ষানুষ্ঠানত পুৰণি পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতি অব্যাহত আছে। স্কুল-কলেজত আজিও মূলতঃ তিনিটা শাখা কলা, বিজ্ঞান আৰু বাণিজ্য। কোডিং, এ আই, ডিজিটেল ডিজাইন, এনিমেচন, গ্ৰাফিক্স ডিজাইন আদি আধুনিক বিষয়সমূহ মূল পাঠ্যক্ৰমৰ পৰা এতিয়াও বাহিৰত। যিখিনি কম্পিউটাৰ বিজ্ঞান বা আই টিৰ অংশ হিচাপে পঢ়োৱা হয়, সেইখিনিৰো বেছিভাগ তত্ত্বভিত্তিক। প্ৰায়োগিক জ্ঞানৰ অভাৱত ইঞ্জিনীয়াৰিং পঢ়া ছাত্ৰয়ো প্ৰথমবাৰ গিটহাব বা ভাৰ্চুৱেল ৰিয়েলিটিৰ নাম শুনিবলৈ পায় ইণ্টাৰভিউত। একেদৰে বাণিজ্যৰ ছাত্ৰ-ছাত্ৰীসকলে কেনভা, ফিগমা বা অ'ডবি ইলাষ্ট্ৰেটৰৰ দৰে টুলৰ সৈতে পৰিচয় হয় চাকৰিৰ সাক্ষাৎকাৰতহে।

কোম্পানীসমূহে আজিকালি নম্বৰ বা ডিগ্ৰীতকৈ দক্ষতাক অগ্ৰাধিকাৰ দিয়ে। ভালকৈ কথা কোৱা, টিমৱৰ্ক, সমস্যা সমাধান, নতুন প্ৰযুক্তি দ্ৰুতগতিত আয়ত্ত কৰা, এইবোৰ হৈছে চাকৰিৰ মূল চাবিকাঠি। কিন্তু আমাৰ পৰীক্ষা ব্যৱস্থা এতিয়াও মুখস্থবিদ্যা আৰু নম্বৰৰ তালিকাত সীমাবদ্ধ। ৯৫শতাংশ নম্বৰ লাভ কৰা ছাত্ৰয়ো ইণ্টাৰভিউত এটা সাধাৰণ প্ৰশ্নৰ স্পষ্ট উত্তৰ দিবলৈ অসমৰ্থ হয়। এই বিসংগতিয়ে অসমৰ যুৱপ্ৰজন্মক চাকৰিৰ বজাৰত পিছ পেলাই ৰাখিছে। ফলত বহুতেই নিবনুৱাৰ চিকাৰ হ'বলগা হৈছে।

কিন্তু অসমৰ নতুন প্ৰজন্ম এতিয়া জাগ্ৰত হৈ উঠিছে। তেওঁলোকে বুজি পাইছে যে চৰকাৰী চাকৰিৰ বাহিৰেও জীৱনত বহুত সম্ভাৱনা আছে। কলেজত যি নাপালে, তাক নিজে নিজে শিকি লৈছে। কোৰ্চেৰা, ইউডেমী, ফ্ৰীক'ডকেম্প, ইউটিউব, খান একাডেমী আদি অনলাইন প্লেটফৰ্মত শিকি হাজাৰ হাজাৰ অসমীয়া যুৱক-যুৱতীয়ে আজি বেংগালুৰু, হায়দৰাবাদ, পুণে, দিল্লী আনকি আমেৰিকা, কানাডাত উচ্চ পদত চাকৰি কৰি আছে। কোনোৱে ঘৰতে বহি ফ্ৰীলান্সিং কৰি ডলাৰ উপাৰ্জন কৰিছে, কোনোৱে ষ্টাৰ্টআপ খুলি কোটি কোটি টকাৰ ফাণ্ডিং আকৰ্ষণ কৰিছে। ফেচবুক, ইনষ্টাগ্ৰাম, ইউটিউবত এই সফলতাৰ কাহিনী দেখি গাঁৱৰ ল'ৰা-ছোৱালীয়েও লেপটপ খুলি লৈছে। তেওঁলোকৰ চকুত এতিয়া ভয় নাই, আছে কেৱল আত্মবিশ্বাস আৰু এটা প্ৰশ্নঃ "মই কিয় নোৱাৰিম?" এই পৰিৱৰ্তনৰ পিছতো শিক্ষা ব্যৱস্থাৰ গভীৰ সংস্কাৰৰ প্ৰয়োজন। শিক্ষাক কেৱল পৰীক্ষাৰ আওতাৰ পৰা মুক্ত কৰি জীৱনৰ প্ৰকৃত প্ৰস্তুতিলৈ ৰূপান্তৰিত কৰিব লাগিব। পাঠ্যক্ৰমত প্ৰায়োগিক দক্ষতা যেনে প্ৰজেক্ট-ভিত্তিক শিক্ষণ, ইণ্টাৰ্নশ্বিপ, ইণ্ডাষ্ট্ৰিয়েল ভিজিট অন্তৰ্ভুক্ত কৰিব লাগিব। ছফট্ স্কিল যেনে কমিউনিকেচন, ক্ৰিটিকেল থিংকিং, লিডাৰশ্বিপক গুৰুত্ব দিব লাগিব। অন্যথা কেৱল শিক্ষিত যুৱক-যুৱতীৰ সংখ্যা বাঢ়ি গৈ থাকিব, মানুহ গঢ়িব পৰা নাযাব। অসমৰ যুৱক-যুৱতীৰ মাজত প্ৰতিভাৰ অভাৱ নাই, অভাৱ কেৱল সুযোগ আৰু সঠিক দিশৰ। শিক্ষা ব্যৱস্থাই এই সুযোগ সৃষ্টি কৰিব লাগিব যাতে যুৱকসকলে চিন্তা কৰিব শিকে, সমস্যা সমাধান কৰিব শিকে, সৃষ্টি কৰিব শিকে আৰু নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকে।

এতিয়া প্ৰশ্নটো হৈছে, আমি কিমান দিনলৈ কেৱল পৰীক্ষাত পাছ কৰা ছাত্ৰ গঢ়ি থাকিম? আজিৰ যুৱক-যুৱতীৰ হাতত লেপটপ আছে, ইণ্টাৰনেট আছে, সপোন আছে। কিন্তু তেওঁলোকৰ পিঠিত এতিয়াও সেই পুৰণি ডিগ্ৰীৰ বোজা। এই বোজা তেওঁলোকে নিজেই পেলাই দিবলৈ আৰম্ভ কৰিছে। এতিয়া আমাৰ কাম হৈছে তেওঁলোকৰ হাতত এখন নতুন মানচিত্ৰ দিয়া- য'ত চাকৰিৰ ঠিকনা নাথাকে, থাকিব কেৱল সৃষ্টিৰ পথ। অসমৰ মাটিৰ পৰা এদিন এনে এটা প্ৰজন্ম ওলাব, যিসকলে কেৱল চাকৰি নিবিচাৰিব, চাকৰি সৃষ্টি কৰিব। যিসকলে কেৱল ক'ৰ্পৰেটৰ সপোন দেখা নহয়, নিজৰ মাটিৰ সপোন দেখিব। যিসকলে বেংগালুৰু বা আমেৰিকালৈ নগৈ বৰঞ্চ গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰৰ পৰাই বিশ্ব সলনি কৰিব। সেইদিনলৈ আমি অপেক্ষা নকৰোঁ। সেইদিন আমি আজিৰ পৰাই আৰম্ভ কৰোঁ। কাৰণ সময় এতিয়া আমাৰ হাতত আৰু অসমৰ যুৱশক্তিৰ হাতত ভৱিষ্যতৰ চাবি।

# আঘোণৰ ন-খোৱা অসমীয়া সমাজ জীৱনৰ এক পৰম্পৰা

## খগেশ্বৰ দাস

> চহা কৃষিজীৱি লোকসকলৰ কৃষিকাৰ্যৰ সক্ৰিয় সফলতাৰ প্ৰতীক চিনস্বৰূপে গণ্য কৰা নান্দনিক উৎসৱ ন-খোৱা। পৌৰাণিক ইতিহাস সমৃদ্ধ লোকবিশ্বাসমতে ন-খোৱা কেৱল যে উৎসৱ তেনে কোনো কথা নহয়; ই এক ভাতৃত্ববোধ, বজাই ৰখাৰ উৎসৱ বা ন চাউলৰ ভাতসাঁ জে আঘোণ মাহতে খোৱাৰ মাদকতাই সৃষ্টি কৰে এক নতুন পৰিকল্পনা, নৱ সম্ভাৱনা।

এগৰাকী শ্ৰেষ্ঠ কৃষৰ অতি পৰিচিত মাহ আঘোণ। আঘোণ বুলি ক'লে চহা খেতিয়কৰ বছৰজোৰা প্ৰতীক্ষাৰ অন্তত এক ফল প্ৰাপ্তিৰ যুগ আঘোণ। বোকা পানীৰে লুতুৰি-পুতুৰি হৈ চহা কৃষকে মাটিত পুতি থোৱা সেউজী লখিমীক পথাৰৰ পৰা ঘৰলৈ আনি আলফুলে লখিমীক ভঁৰালত আদৰিবলৈ এক ভাল লগা মুহূৰ্ত আঘোণ। আঘোণ এটি মাহ নহয়; ই এক ঋতু। আনন্দ উৎসাহৰ মাজেৰে পাৰ কৰা এটি মন পৰশা মাহ আঘোণ। অসমীয়া সমাজ সংস্কৃতি, জীৱন-যাপনৰ বাৰ মাহৰ অন্যতম বৈশিষ্ট্যপূৰ্ণ মাহ হিচাপে বিবেচিত আঘোণ মাহ। পৌৰাণিক ইতিহাস সমৃদ্ধ প্ৰাচীন কালৰেপৰা আঘোণৰ পথাৰে শাৰীৰিক আৰু মানসিক স্বাস্থ্য নিৰূপণ কৰি আহিছে অসমীয়াৰ অৰ্থনৈতিক বিকাশ সমৃদ্ধিৰ লেখাৰ উচ্চ-নীচ ক্ষেত্ৰত। মাঘ বিহুৰ ব্যাপক প্ৰস্তুতিৰ আগজাননীৰ বতৰা দিবলৈ আহে আঘোণে। চহা কৃষকৰ বাস্তৱ সপোন দিঠকত পৰিণত এটি সৌন্দৰ্যপূৰ্ণ মাহ আঘোণ। আঘোণৰ শুভ্ৰ বুকুৰ কোমল আঁচলেৰে সাৱটি ৰাখে কুঁৱলীৰ বুকুত থকা প্ৰতিগৰাকী জীৱক। সেউজী গছ-গছনি, হাবি বননিৰ পাতৰ আৰে-আৰে ওলমি থকা সৰু নিয়ৰৰ টোপোলে পুৱতিৰ শুভ্ৰ জ্যোৎসনা কিৰণে মুকুতাৰ দৰে ওলমি থাকে চিকি-মিকি। চহা কৃষকৰ মুখত অনাবিল আনন্দ, হাঁহিৰ প্ৰাপ্তি, নতুন আশা, নতুন উৎসাহ-উদ্দিপনাৰে মনলে আনে নৱ সঞ্চাৰ। সোণোৱালী ধাননিৰ বহল পথাৰে কৃষকে যেন দুখ-কষ্ট পৰিহাৰ কৰি আকৌ এবাৰ নতুন উদ্যমেৰে, ন-সাহসেৰে খেতি কৰাৰ প্ৰয়াস কৰে। চহা কৃষকৰ কেঁচা ঘামৰ টোপালে, ফচল সোণবৰণীয়া শস্যই যে জীৱন-ধাৰণৰ একমাত্ৰ সম্বল স্বৰূপ। এটি থূলমূল চমু আভাস দাঙি ধৰো আহক। উল্লেখযোগ্য কথা যে - আঘোণৰ ন খুৱাই অসমীয়া সমাজ জীৱনৰ এক পৰম্পৰা আকৌ কেনেধৰণৰ?

হয়, অসম ৰাজ্যৰ শ্ৰেষ্ঠ কৃষকে ধান চপোৱাৰ ঠিক আগতে লখিমী আইক পথাৰৰ পৰা ধূপ-দীপেৰে ঘৰলৈ আদৰি অন্যতম প্ৰথা অতীজৰে পৰা চলি অহা এক পৰম্পৰা। ধান কটাৰ প্ৰথম পবিত্ৰ দিনটোত আগ অনা অথবা লখিমী আদৰি থোৱা হয় ভৰালত। বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ মাজেৰে ভিন্ন নীতি নিয়মৰ মাজত বিৰাজিত অসমীয়া সমাজ জীৱন তথা হেঁপাহৰ আঘোণ আদি ইত্যাদি কথা। আঘোণ মাহৰ এক অতি গুৰুত্ব পূৰ্ণ বৈশিষ্ট্য তথা কৃষি ভিত্তিক উৎসৱ হিচাপে পৰিগণিত 'ন-খোৱা'। গ্ৰাম্য কৃষকৰ ন-



খোৱা এটা ডাঙৰ পবিত্ৰ উৎসৱ। নতুন ধানৰ আগমনিৰ ঠিক পিছতে আঘোণ মাহতে পতা হয় আদৰৰ ন-খোৱা। ঠাই বিশেষে ন-খোৱা নীতি নিয়ম বেলেগ যদিও ন-খোৱা উৎসৱৰ লগত জড়িত আন এক পৰম্পৰা "চুঙা পিঠা"। অসমীয়া লোক-সামাজত বিস্তৃতভাৱে প্ৰচলিত আঘোণ মাহত প্ৰতিজন অসমীয়াই ন- চাউলেৰে বনোৱা চুঙা পিঠা খোৱা এক প্ৰথা।

ইপিনে পথাৰত নিগনিৰ গাঁত খন্দাও এক পৰম্পৰা। এন্দুৰ বা নিগনি পথাৰৰ গৃহস্থ বুলি জনাজাত। পকা ধানৰ পথাৰত প্ৰথম হক এন্দুৰ বা নিগনিয়ে নিজৰ অধিকাৰৰ মাত্ৰাই সাব্যস্ত কৰে পথাৰত। পথাৰৰ মাজে মাজে আলিৰ কাষে-কাষে থকা এন্দুৰৰ গাঁতে ধান সংগ্ৰহ কৰা প্ৰথাক এন্দুৰৰ গাঁত খন্দা বুলি ক'ব পাৰি। সাম্প্ৰতিক সময়ৰ কুটিল গতিত সোণোৱালী আঘোণৰ এই পৰম্পৰা বোৰ বিলুপ্তিৰ মুখলৈ আগবঢ়া যেন পৰিলক্ষিত দেখা যায়। অসমীয়া সমাজ জীৱনৰ পৰম্পৰাগত কৃষিভিত্তিক ন-খোৱা উৎসৱে আঘোণৰ ধান কাটি মৰণা মৰাৰ পাছত নতুন ধানৰ ন-চাউলেৰে সমূহীয়াভাৱে ভিন্ন সেউজীয়া শাক-পাচলি নানা সু-স্বাদুৰ ব্যঞ্জনেৰে ভোজ-ভাত খোৱা কাৰ্য্যই ন-খোৱা।

চহা কৃষিজীৱি লোকসকলৰ কৃষিকাৰ্যৰ সক্ৰিয় সফলতাৰ প্ৰতীক চিনস্বৰূপে গণ্য কৰা নান্দনিক উৎসৱ ন-খোৱা। পৌৰাণিক ইতিহাস সমৃদ্ধ লোকবিশ্বাসমতে ন-খোৱা কেৱল যে উৎসৱ তেনে কোনো কথা নহয়; ই এক ভাতৃত্ববোধ, বজাই ৰখাৰ উৎসৱ বা ন চাউলৰ ভাতসাঁ জে আঘোণ মাহত খোৱাৰ মাদকতাই সৃষ্টি কৰে এক নতুন পৰিকল্পনা, নৱ সম্ভাৱনা। কেতিয়াবা কেতিয়াবা আকৌ কিছু কাৰণত আঘোণত ন-খাব নোৱাৰিলে মাঘ মাহত ন-খোৱাৰ প্ৰথা বিদ্যমান কিছু কিছু অঞ্চলৰ ঠাই ভেদে। ন-খোৱাৰ পবিত্ৰ প্ৰথাটি ক'ত কেতিয়া আৰু কেনেকৈ সৃষ্টি হ'ল ইয়াৰ কোনো সঠিক তথ্য বা ইতিহাস আৰু উদ্দেশ্য তেনে কোনো গম পোৱা নাযায়। কিন্তু মানুহ পৰস্পৰে পৰস্পৰক নিৰ্ভৰশীল। কৃষক সমাজৰ জীৱন দৰ্শনত এজনে আনজনৰ জীৱন সংগী। এনে এটা সময় গ'ল? যেতিয়া জীৱ-জন্তু, চৰাই চিৰিকটি আদিৰ পৰা শস্য ৰক্ষা কৰি কৃষি কৰ্মত ইজনে-সিজনৰ লগত লিপ্ত থাকি সক্ৰিয় সহায়-সহযোগিতা গ্ৰহণ কৰি এক অপৰিহাৰ্য অংগ হিচাপে পৰিগণিত হৈছে। আঘোণৰ ধান কাটি আজৰি হোৱাৰ পাছত নতুন চাউলেৰে সমূহীয়াকৈ ভিন্ন ব্যঞ্জনৰে ভোজ-ভাত মিলা প্ৰীতিৰে এখাজ তৃপ্তিৰে খোৱা পৰম্পৰাগত নীতিয়ে কৃষি জড়িত সহযোগিতা। ঠাইভেদে, জাতিভেদে ন-খোৱাৰ পৰম্পৰাগত পদ্ধতি আনন্দদায়ক আৰু সুকীয়া। যদিও ঠাইভেদে ন-খোৱাৰ পৰম্পৰা আৰু নীতি নিয়ম সুকীয়া তথাপি ইয়াৰ মূল উদ্দেশ্য আকৌ একেই। পবিত্ৰ ন-খোৱাৰ বাবে নিৰ্দিষ্ট শুভ দিন-বাৰ ঠিক কৰি নিমন্ত্ৰিত অথিতি বা পৰিয়ালৰ লোকক আমন্ত্ৰণ জনোৱা হয়। সদ্যহতে নামঘৰ, গোসাঁই ঘৰ, মন্দিৰ আদিত প্ৰথমে সমূহীয়াকৈ ন-খোৱাৰ আয়োজন ঠাই বিশেষে হয় যদিও প্ৰথমে ভগবান ঈশ্বৰক আৰাধনা কৰা হয়। সাম্প্ৰতিক সময়ত দেখা পোৱা নামঘৰসমূহত ন-খোৱাৰ দিনটোত গাঁৱৰ, ওচৰ চুবুৰি সকলো নামঘৰলৈ গৈ কীৰ্তন পাঠ গুৰুসেৱা আদি কৰে। যেনে নামঘৰত ন-খাওঁতে নতুন চাউলৰ পায়স, মাহ প্ৰসাদ দিয়া হয় কিন্তু ভাতৰ ব্যৱস্থা বিশেষকৈ নাথাকে। নামঘৰত ন-খোৱাৰ সমান্তৰালকৈ গাঁৱৰ ৰাইজ, ওচৰ-চুবুৰীয়া, সমূহীয়া মিটিৰ জাতি কুটুম্বৰ সৈতে মিলিজুলি ঘৰে ঘৰে খোৱা হয় ন। আনহাতে অঞ্চলভেদে, ঠাই বিশেষে ন-খোৱাৰ দিনা গো সেৱা কৰি নতুন চাউলৰ ভাত ৰান্ধি এখন ধুনীয়া আগলতি কলপাতত গোহাঁলিত নি তাত নিজ পথাৰৰ পৰা কেঁচা ধান এমুঠি দি এডোখৰ ঠাই পৰিষ্কাৰ কৰি পানীৰে গোহালিৰ মুখ্য গৰুটোৰ ঠেং চাৰিখন ধোৱাই দি সকলো গৰুকে সেৱা কৰি ভাতখিনি খোৱাৰ পিছত সিহঁতক আদৰ সন্মানেৰে গোহাঁলিত বান্ধি থোৱাই ন-খোৱাৰ পৰম্পৰা বাহাল ৰখা হয়। কিছু কিছু ঠাইত আকৌ ন-খোৱাৰ দিনা আয়তী, সমস্ত আই মহিলাসকলে লখিমী দেৱীক আদৰাৰ নিমিত্তে নাম কীৰ্তন গাই মেলি মংগল উৰুলি আদি কিছুমান ঠাইত দিয়ে। সেউজী অসমৰ নামনি বিশেষকৈ নলবাৰী জিলাত প্ৰচলিত নিয়ম অনুসৰি ন-খোৱাৰ দিনা গৃহস্থৰ ভাগিন-ভাগিনী উপস্থিত থকাটো একপ্ৰকাৰ বাধ্যতামূলক পৰমম্পৰা বুলি গ'ম পোৱা যায়। ভাগিন-ভাগিনীক ন' খুৱালেহে আই -লখিমী সন্তুষ্ট কৰিব পাৰি বুলি নতুন চাউলৰ জুতি লোৱাৰ লগতে কৃষিজীৱী চহা অসমীয়াৰ মাজত ঐক্য-সংহতি, শান্তি প্ৰগতি আজি মিলা-প্ৰীতিৰে জীয়াই আছে। বছৰজোৰা প্ৰতীক্ষাৰ অন্তত চহা কৃষকত কষ্টৰ ফল লাভ কৰাৰ আনন্দ উদযাপনে অসমীয়া সমাজ জীৱনৰ এক আৱশ্যকীয় স্বকীয়তা লাভ কৰি আছিছে। সময়ৰ কুটিল গতিত আধুনিকতাৰ গ্ৰাসত পৰি বিলুপ্তিৰ পথে গতি কৰিছে যদিও ঠায়ে বিশেষে আজিও পৰম্পৰাগতভাৱে প্ৰচলি হৈ পালন কৰি আহিছে ন-খোৱা। এতেকে, আগন্তুক দিনত নৱ প্ৰজন্মৰ প্ৰতিগৰাকী অসমীয়া সমাজ জীৱনৰ যুৱক-যুৱতী তথা কৃষক সমাজে জাতীয় লোকাচাৰ পৰম্পৰাসমূহ কেনেদৰে জীয়াই ৰাখিব পাৰে এই হ'ব গুৰুত্বপূৰ্ণ বিষয়।

### আঘোণ আহিছে

✍ লগিতা দাস

বতাহৰ ওঁঠৰ উঁৰিয়লিত
সুমিষ্ট হাঁহিৰ থুনপাক
সুবাসিত হৈছে পকা ধানৰ সুবাস
পথাৰৰ বঁকিয়াদি
হেঁপাহৰ আঘোণ আহিছে।

আহিছে লাৱনি ডাৱনী
পথাৰলৈ লৱৰি
ওঁঠত তিলফুলীয়া হাঁহিটি গুজি
দাৱনীৰ শাণিত কাঁচি
ধানৰ পাতৰ খচমচনি।

বিৰিয়া কান্ধত লৈ
আঘোণাও আহিছে
মূৰত পাগুৰি মাৰি
বুকুত আশাৰ মেটমৰা বোজা লৈ
উদং ভঁৰাল আঘোণতে পূৰাবলৈ।

### আঘোণ

✍ বিনীতা শইকীয়া

আঘোণৰ ধাননি পথাৰ শুৱনি
সোণোৱালী সোণগুটিৰে আছে
পথাৰ ভৰি।
জাকৰুৱা দাৱনী হাতে হাতে কাঁচি
চৈদিয়া আলি এঠৰ দুঠৰ কৈ থৈ যায়
ধানৰ মুঠি।
কঁকালত তামোলৰ হাঁচতি ...
মুখত মিচিকিয়া হাঁহি এটি দুটি
গানৰ কলি।
গাঁৱলীয়া ছোৱালী, বোৱাৰী
আমি শেৱালি, ৰূপালী।
নহয় আমি দুখীয়া মনৰ চহকী।
ঘৰলৈ আনিম আমি লখিমীক আদৰি!



# আঘোণৰ সোণোৱালী পথাৰত দাৱনীৰ ব্যস্ততা

## প্ৰিয়াশ্ৰী নেওগ

"পকা ধানৰ মাজে মাজে সৰু সৰু আলি
অ' সৰু সৰু আলি"

প্ৰতিজন অসমীয়াৰ ওঁঠত লাগি থকা এই গীতটিয়ে আমাৰ চকুৰ সন্মুখত আঁকি যায় আঘোণৰ এখন সুন্দৰ প্ৰতিফলিত ছবি। 'আঘোণ'- নামটোৱেই যেন কিবা এক মাদকতা ভৰা। আঘোণৰ এই মাদকতা পৰিপূৰ্ণতাৰ এখন বাস্তৱিক প্ৰতিফলিত ছবি বিৰাজ কৰে। প্ৰতিজন মানুহেই নিজৰ লগত কঢ়িয়াই ফুৰে নিজৰ শৈশৱকো। আঘোণ লগত শৈশৱৰো এক এৰাব নোৱৰা সম্পৰ্ক। আঘোণে বোকোচাত লৈ ফুৰে আমাৰ শৈশৱক। আঘোণৰ পথাৰত দাৱনীৰ ধান দোৱাৰ দৃশ্যই প্ৰতি শিশুকে আনন্দ বিভোৰ কৰি তোলে। আঘোণৰ সোণোৱালী শৈশৱ সমগ্ৰ জীৱন জুৰি আৱৰি থাকে প্ৰতিজন ব্যক্তিক। আনহাতে কৃষকৰ লখিমী হাতৰ পৰশত প্ৰাণ পোৱা প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যবৰ্ধক আৰু হেমন্তৰ হিমে ধুই নিকা কৰা মাহটোৱে হ'ল আঘোণ মাহ। কৃষকৰ সেউজীয়া সপোন বাস্তৱ কৰা অন্য এক নাম "আঘোণ"। আঘোণ মানেই পকা ধানৰ ভৰুণ পথাৰ। শৰতৰ নিয়ৰৰ মুকুতাই কাতিৰ পথাৰত জ্বলা শিকাই আঘোণক আদৰি আনে য'ত কৃষক সকলৰ নিহিত হৈ থাকে কৃষকসকলৰ তেজ মঙহৰ বিনিময় বিশাল আশা। কৃষকে বাৰিষাৰ বোকা পানী গচকি ৰুই থই অহা কঠীয়াই আঘোণৰ চৌপাশত সোণোৱালী পোহৰ ছটিয়াই। মুঠি মুঠিকৈ কাটি থোৱা ধানৰ লেছেৰি বুটলাৰ সময় আঘোণ। আঘোণৰ সোণোৱালী পথাৰত দাৱনীৰ অসীম ব্যস্ততা। সোণগুটি



ধাননিৰে ভৰা পথাৰখনিয়ে হাতবাউল দি মাতে দাৱনিক। দাৱনিৰ কাচিৰ খচখচনিত পকাধানে গাই উঠে আঘোণৰ জয়গান। নৱ নৱ বৈভৱ কঢ়িয়াই অনা হিম শীতল নিয়ৰেৰে তিতি থকা সোণগুটীয়া ধানবোৰে সোণোৱালী ওৰণিৰ তলত তলমূৰ কৰি থকা দৃশ্যই পৰ্যটকক দৃষ্টি আৰ্কষণ কৰে। এই সময়ছোৱাতে অসমলৈ বিভিন্ন দেশৰ পৰ্যটকৰ সোঁত বয়। আঘোণ সোমোৱাৰ লগে লগে কৃষক দাৱনিৰ লগতে গাওঁবাসীৰ ব্যস্ততা দেখিলে এনে লাগে যেন জীৱনত পৰিশ্ৰমৰ বিকল্প নাই। পথাৰত কোমল ৰ'দৰ তলত বহি কলপাতত ৰবাবটেঙা চকলিয়াই খোৱা, নৰাৰ পেঁপা সজা, নিশাৰ পথাৰত হিমৰ বেৰা দি সকলোৱে ভোজ ভাত দিন খোৱাৰ পৰ্ব, যি আমেজ বৰ্ণনা নকৰিলেও অৱতৰনিকাত আঘোণৰ সোণগুটীয়া পথাৰখনৰ বৰ্ণনা পোৱা যায়। প্ৰাৰ্চুযৰ সপোনে ৰং ছটিওৱা আঘাণে কৃষকক দিয়ে জীয়াই থকাৰ প্ৰেৰণা। কৃষি নিৰ্ভৰশীল অসমীয়া মানুহখিনিৰ আঘোণৰ স'তে জড়িত হৈ থাকে দৈনন্দিন জীৱনৰ বহুকথা। আঘোণৰ বিস্তৃৰ্ণ পথাৰত দাৱনিহঁতে মুঠি মুঠিকৈ ধান কাটি টঙালেৰে টঙালী বান্ধি কৃষকজনো দিনটোৰ শেষত ঘৰমুৱা হয়। কিন্তু আজি অতীত হ'ল আঘোণৰ সেই দৃশ্য। সেই অতীতৰ আঘোণ আৰু আজিৰ আঘোণৰ মাজত বহু পাৰ্থক্য হ'ল। য'ত তাহানিৰ গ্ৰাম্যঞ্চলৰ ডেকা গাভৰুৱে চুবুৰীয়ে চুবুৰিয়ে একগোট হৈ ইঘৰ সিঘৰৰ পথাৰৰ ধান কাটিছিল। সেই দৃশ্য আজি অসমৰ ইতিহাস। কৃষকসকলে ডাঙৰি বান্ধি নিজ বাহুবলেৰে পথাৰৰ ঠন ধৰা দৃশ্যবো আজি ছাঁ নাই। বিশ্বায়নৰ যুগত নৱ বৈজ্ঞানিকৰ সৃষ্টিমুখী হোৱাৰ ফলত কৃষকৰ বাহুবল হ্ৰাস পাইছে। ফলস্বৰূপে বিশ্বায়নৰ ধামখুমীয়াত নাঙল, যুৱলি, কোৰ, জাপি ইত্যাদি পথাৰৰ সঁজুলিবোৰ একাংশ নৱ প্ৰজন্মৰ বাবে অচিন সঁজুলি। ইয়াৰ কাৰণ বিজ্ঞান নে সন্তানক চৰকাৰী চাকৰিমুখী কৰি তোলা অভিভাৱকসকল নে আমাৰ আধুনিকতা? পাহৰি গৈছে একাংশই নিজৰ শিপাডালক। য'ত আজিৰ একাংশ নৱপ্ৰজন্মই পথাৰৰ সেই বৰ্ণময় দৃশ্য, ধান কঢ়িওৱা, মৰণা মৰা, ইত্যাদি পথাৰৰ কামবোৰ কৰিবলৈ তথা ক'বলৈ লাজ পোৱা দেখা যায়। গতিকে এইক্ষেত্ৰত অভিভাৱকৰ কিছু কৰণীয় আছে। তথা নিজৰ ল'ৰা বা ছোৱালীজনীক চিনাকি কৰাই দিয়াৰ দায়িত্ব আহি পৰিছে। যি কি হওক আঘোণ কৃষিপ্ৰধান গ্ৰাম্যসংস্কৃতিৰ ভেটি। তথাপি যেন কৰবাত অচিন পোকে ভৰ খেতি অনিষ্ট কৰা, ধানৰ সলনি পতান ওলোৱা, বানপানীয়ে নষ্ট কৰাৰ দেখাৰ পাছত কৃষকৰ বুকু চিৰাচিৰ হয়। দুখীয়া কৃষকৰ অভাৱ পূৰাবলৈ আঘোণ প্ৰতিবছৰে আহক। আঘানৰ বৰ্ণিল বুকুত লোককৃষ্টিৰ সুবাস বিলাই অসমৰ 'আঘোণৰ সোণালী পথাৰৰ পৰা নৰা কাটি ভেলাঘৰ মেজি সাজি ভোগালী বিহু উদযাপন কৰা অসমীয়া জাতিৰ এক ঐতিহ্য সংস্কৃতি। নৱকিৰণৰ আলোকেৰে আলোকিত হওক আঘোণৰ পথাৰ তথা কৃষকৰ ভঁৰাল।

# আঘোণ বুলিলে যেন ৰবাৰ টেঙা খোৱাৰ পৰ্ব

## বেণুৰাম ৰাভা

আঘোণৰ সোণগুটিৰ পথাৰত ধান কাটি থাকোঁতে দাৱনীয়ে সময় উলিয়াই কামৰ মাজে মাজে ৰবাৰ টেঙা খোৱাৰ এটা অতি আনন্দৰ পৰ্ব। চৌদিশে আঘোণে মলমলাই থকা ভৰা ধাননিৰ পথাৰত বহি কল পাত বা চেগুন গছৰ দৰে যিকোনো ডাঙৰ পাতত নিমখ, জলকীয়া সানি ৰবাৰ টেঙা খোৱাৰ পৰ্বই দাৱনীৰ ভাগৰ আৰু বিষাদ নিমিষতে দূৰ কৰে। এই আনন্দ আৰু বিষাদৰ সংমিশ্ৰণেই কৃষকৰ কৃষি আৰু হেমন্তৰ এক অপূৰ্ব মিশ্ৰণ। আঘোণৰ শস্য চপোৱাৰ সময়ত পথাৰত একেলগে বহি দাৱনীসকলে ৰবাৰ টেঙা খাই আনন্দ কৰাৰ উপৰিও জনজাতীয় গ্ৰাম্য সমাজত নিজে তৈয়াৰ কৰা পৰম্পৰাগত পানীয় খাই আনন্দ ফুৰ্তি কৰে। স্বতৈয়াৰি এই পানীয় জাতীয় নিচাক ৰাভা জনজাতিসকলে চকো বুলি কোৱাৰ লগতে মিছিং জনজাতিসকলে আপং বুলি কয়। একেদৰে বড়ো, কাৰ্বি, ডিমাছা আদি সকলৰো প্ৰত্যেক জনজাতীয়ৰে নিজা নিজা পৰম্পৰাগত পানীয় আছে। কৃষক আৰু দানৱীয়ে কৰা কামৰ ভাগৰ আৰু বিষাদ ৰবাৰ টেঙা, মৌচুমী টেঙা আৰু অন্যান্য ফলমূলৰ লগতে পৰম্পৰাগত পানীয়ে নিমিষতে নাইকিয়া কৰে। ৰবাৰ টেঙা খোৱাৰ পৰ্বটো আঘোণৰ এক অপৰিহাৰ্য্য অংগ আৰু ই অসমীয়া গ্ৰাম্য সমাজ জীৱনৰ প্ৰকৃত আনন্দ আৰু ফুৰ্তিৰ সময়।

আঘোণৰ অনুভৱ বৰ অনুপম তৃপ্তিৰ আনন্দ, সোণোৱালী ধাননি পথাৰত নিয়ৰৰ চেঁচা চেঁচা আৱৰণ আৰু শৰতক আদৰি অনাৰ এক সুমধুৰ ক্ষণ। শাওণ আহাৰত বোকা পানী গচকি কৰা কষ্টৰ ফল পায়, গ্ৰাম্য সমাজত চৌদিশে ন লক্ষিমীক আদৰাৰ প্ৰস্তুতি আৰু টেঙা মৰা জীপাল অনুভৱ। চহৰ-নগৰৰ যান্ত্ৰিকতা জীৱনৰ মাজতো আঘোণৰ সমুধৰ সুবাসে অতীতৰ ক্ষণ আৰু পৰম্পৰাক জীপাল কৰি তোলে। আঘোণৰ সোণ বৰণীয়া পথাৰৰ ধানেই লৈ আনে কৃষকসকৰ মনত অনাবিল আনন্দ অনুভৱ। কাৰণ আঘোণৰ পথাৰত দাৱনীয়ে ধান কাটি ধান দাই আনি ভড়ালত জমা কৰি বছৰটোৰ বাবে আৰ্থিক অনাটনৰ পৰা মুক্ত বুলি মনে প্ৰাণে শান্তি অনুভৱ কৰে।

আঘোণৰ সোণগুটিৰ পথাৰত হেজাৰ বিজাৰ খেতিয়কৰ আনন্দময় পৰিৱেশই, এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। শৰৎ নামি অহাৰ লগে লগে কুঁৱলীৰ ভিজা ভিজা টোপালেৰে আঘোণে নামি আহে গোপনে। পথাৰত পকা ধানৰ হালধীয়া ৰঙে সোণালী হৈ পৰে আঘোণৰ বতৰ।

আঘোণ অসমীয়া সমাজ জীৱনৰ সংস্কৃতিৰ এক অনন্য মাহ। এই আঘোণতে পথাৰত সোণোৱালী পকা ধানৰ সুগন্ধই পথাৰ জীপাল কৰি তোলে। গ্ৰাম্য সমাজৰ বুকুত আঘোণ ব্যস্তাৰে ভৰি পৰে, কিন্তু ই ব্যস্ততা আনন্দৰ ব্যস্ত, ফুৰ্তিৰ ব্যস্ত, য'ত কৃষকে কপালৰ ঘাম মাটিত পেলায় কষ্ট কৰা ফচল পাই আঘোণতে আৰু বছৰৰ সকলো আৰ্থিক অনাটন দূৰ হয় বুলি অনাবিল আনন্দ উপভোগ কৰে। এই আঘোণ মাহতে অসমীয়া সমাজ জীৱনৰ পৰম্পৰা অনুসৰি ন খোৱা পৰ্ব হয় বা ন খোৱা উৎসৱ পালন কৰা হয়। পথাৰৰ পৰা শস্য চপোৱাই আনি মৰণা মৰাৰ পিছত আবু - আইতা, বুঢ়া- বুঢ়ি, ডেকা - ডেকেৰী, জীয়ৰী বোৱাৰী সকলো মিলি ভোজ ভাত এখাজ খোৱা হয়। এই সময়ত খেতিয়কৰ মনৰ আশা পূৰ্ণ হয় আৰু আঘোণৰ পথাৰত সোণোৱালী শস্য উভয়নদী হৈ থাকে। ই আঘোণতে অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ উৎসৱ পাৰ্বন পালন কৰা দেখা যায় ই উৎসৱ সমূহৰ মূল উদ্দেশ্য হৈছে সকলো ডেকা ল'ৰা মিলি ঘৰ আৰু পথাৰৰ পৰা মহ খেদি পঠিওৱা হয়।

আঘোণৰ পকা ধানৰ সোণ হালধীয়া আৰু সোণালী ৰঙে গ্ৰাম্য সমাজৰ সহজ সৰল খেতিয়কৰ মন মোহিত কৰে। সেইদৰে ৰবাৰ টেঙাৰ গুলপীয়া টেঙা মিঠাৰ সোৱাদ



আৰু শৰৎ ঋতুৰ আগমনে গাঁৱৰ সহজ সৰল মানুহৰ মন ৰঙিন কৰি তোলে। পৰম্পৰা অনুসৰি ই আঘোণতে পথাৰৰ সোণগুটিৰ চপোৱাৰ পৰ্ব। হাজাৰ হাজাৰ খেতিয়কে কপালৰ ঘাম মাটিত পেলায় পথাৰৰ কঠীয়া ৰৈ সপোন দেখে আঘোণৰ পথাৰত সোণগুটিৰ চপোৱাৰ। অসমৰ অসমীয়া আৰু অসমীয়া গ্ৰাম্য সমাজৰ বাবে আঘোণৰ গুৰুত্ব অপৰিহাৰ্য্য। এই আঘোণতে অসমৰ বিভিন্ন জিলাত বিভিন্ন ধৰণৰ উৎসৱ পাৰ্বন পালন কৰে আৰু এই উৎসৱ হৈছে ঘৰখনৰ পৰা মহ আৰু খেতি পথাৰৰ পৰা পক পতংগ নাইকিয়া কৰি গৃহস্তক নদন বদন হ'বলৈ আশীৰ্বাদ দিয়া হয়। পৰম্পৰা আৰু বিধি অনুযায়ী এই উৎসৱ পালন কৰাৰ পিছত হে সাধাৰণতে খেতিয়কসকলে আঘোণৰ পথাৰত জাকে জাকে ধান কাটিবলৈ নাহে। বছৰৰ বাৰ মাহৰ ভিতৰত ই আঘোণেই এক অনন্য আৰু আনন্দ - ফুৰ্তিৰ মাহ।

আঘোণ মাহ কেৱল মাহেই নহয়, আঘোণ অসমীয়া জাতীয় জীৱনৰ এক প্ৰাপ্তি আৰু উলাহৰ মাহ। প্ৰতিজন কৃষিজীৱি মানুহৰ বাবে আঘোণ অতি ব্যস্তাপূৰ্ণ সময় আৰু শস্য চপোৱাৰ দিন। আঘোণ মানে সোণোৱালী ধানৰ সুগন্ধ আৰু ৰবাৰ টেঙাৰ জুতি লোৱাৰ পৰ্ব। আঘোণ মানে সোণ বৰণীয়া এখন ধাননি পথাৰ। দাৱনীৰ লিহিৰি লিহিৰি হাতৰ আঙুলিৰে মুঠিমৰা কাচিৰ খৰ খৰ শব্দই যেন প্ৰতিযোগিতাত নামি পৰে। কোনো কি কৈছে, কোনে কি চাইছে, কি খাইছে মূৰ দাঙি চাবলৈ সময় নাই, দাৱনী কেৱল ব্যস্ত আৰু ব্যস্ত, ই ব্যস্ত যন্ত্ৰণাৰ ব্যস্ত নহয় এই ব্যস্ততা কেৱল আনন্দ আৰু প্ৰাপ্তিৰ ব্যস্তহে। গ্ৰাম্য সমাজৰ বুকুত হে আঘোণৰ মাদকতা বিচাৰি পোৱা যায়। কাৰণ গ্ৰাম্য সমাজ মানে আঘোণ আৰু আঘোণ মানে কৃষি প্ৰধান।

আঘোণ মানে ন ন ধানৰ আগমন, আঘোণ মানে ভোগ পিয়াহৰ মাহ। বাইজমুঠি, বাচুদেৱ, আইজং, ৰঞ্জিত, মালশিৰা আদি সোণ বৰণীয়া ধানেৰে উপচি পৰে আঘোণ। পথাৰৰ পৰা শস্য ছপোৱাই অনাৰ বাবে গ্ৰাম্য সমাজৰ জীয়ৰী বোৱাৰী, আইতা হতে আনন্দ উলাহেৰে কাচি হাততলৈ দলে দলে পথাৰত নামি ধান কাটি আৰু আঘোণৰ মাদকতা সুকীয়া কৰি তোলে। ধানৰ মুঠি সমূহ চহা কৃষকে বিৰিয়াৰে কান্ধত লৈ আঘোণৰ লক্ষিমীক আদৰে। আঘোণৰ সোণ বৰণীয়া পকা ধানৰ মাজে মাজে সৰু আলিত বহি দাৱনীয়ে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে আৰু আজুৰিৰ সময়ত ৰবাৰ টেঙা, জলফাই টেঙাৰ সোৱাদ লয় আৰু টেঙা খোৱাৰ মাজে মাজে আনন্দ - ফুৰ্তিত খিলখিলাই হাঁহি আঘোণৰ পথাৰ ৰজনজনাই তোলে।

আঘোণ মাদকতাৰ মাহ। ই গ্ৰাম্য চহা জীৱনৰ এক আৰেক অনুভূতিৰ সৈতে জড়িত মাহ। সোণ বৰণীয়া পকা ধানৰ মলমলীয়া গোন্ধেই আঘোণৰ সুৱাস লৈ আনে। আঘোণৰ খোজে খোজ মিলাই শৰততেও নামি আহে সংগোপনে। শীতৰ চেঁচা চেঁচা আমেজে অসমীয়া গ্ৰাম্য সমাজৰ জুহালখন বৰকৈ দাউ দাউকৈ জ্বলি উঠে। ই জুহালখনতে সন্ধিয়া সাজৰ বাবে বজাৰ তথা দোকানৰ পৰা কিনি অনা মাছ বা মাংসৰ আঞ্জা ঘৰৰ সকলো সদস্য এক লগ হৈ ৰন্ধা হয় আৰু হাঁহি ধেমালিৰ আড্ডা কৰাৰ লগতে ঘৰৰ বিভিন্ন কাম কাজৰ বিষয়েও বিতংকৈ আলাপ আলোচনা কৰা হয়। এয়াই আঘোণ। আঘোণ মানে তৃপ্তিভৰা খাদ্যৰ সম্ভাৰ আৰু শীতৰ জুহাল মানে ঘৰখনৰ সকলো সদস্যৰ বান্ধোন।

আঘোণ মানে নিয়ৰৰ চেঁচা চেঁচা আচ্ছাদন। টোপ টোপ নিয়ৰৰ শব্দই জগায় তোলে মানুহৰ মনত কবিতা ময়ী পৰিৱেশ। আঘোণ হেঁপাহ আৰু প্ৰাপ্তিৰ মাহ। গ্ৰাম্য অসমীয়া সমাজৰ বুকুত আঘোণে প্ৰাণৰ সঞ্চাৰ কৰে।

## ধৰ্মশালাত ভাৰতৰ দক্ষিণ

মেচত ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ উইকেটত পৰাস্ত কৰি পাঁচ মেচৰ শৃংখলাত ২-১ ব্যৱধানত অগ্ৰগতি লাভ কৰিছে। শীতল আবহাওৱা আৰু চীম-বান্ধোনী পিচত ভাৰতীয় বলাৰসকলে দক্ষিণ আফ্ৰিকাক মাত্ৰ ১১৭ ৰাণত আউট কৰি দিয়ে, যাৰ পিছত বেটাৰসকলে সহজে লক্ষ্যত উপনীত হয়। টছত জয়লাভ কৰি ভাৰতীয় অধিনায়ক সূৰ্যকুমাৰ যাদৱে দক্ষিণ আফ্ৰিকাক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। প্ৰটিয়া দলটোৰ আৰম্ভণি আছিল বিপৰ্যয়পূৰ্ণ। প্ৰথম অভাৰতে আৰ্শদীপ সিঙে ৰিজা হেণ্ড্ৰিকক শূন্যতে এল বি ডব্লিউ কৰি আউট কৰে। এই উইকেটৰ জৰিয়তে আৰ্শদীপে টি-২০ আন্তঃৰাষ্ট্ৰীয়ত পাৱাৰপ্লে'ত ভাৰতৰ হৈ সৰ্বাধিক উইকেট দখলকাৰী বলাৰ হিচাপে স্থান লাভ কৰে। তেওঁৰ পাৱাৰপ্লে'ত উইকেটৰ সংখ্যা ৪৮লৈ বৃদ্ধি পায়, যিয়ে ভুৱনেশ্বৰ কুমাৰৰ ৪৭টা উইকেটৰ ৰেকৰ্ড অতিক্ৰম কৰে। তাৰ পিছৰ অভাৰত হৰ্ষিত ৰাণাই কুইণ্টন ডি ককক ১ ৰাণত আৰু ডেৱাল্ড ব্ৰেভিছক ২ ৰাণত আউট কৰি দক্ষিণ আফ্ৰিকাক ৭ ৰাণত ৩ উইকেটত পেলায়। সপ্তম অভাৰত হাৰ্দিক পাণ্ড্যিয়াই ত্ৰিষ্টান ষ্টাবছক (৯ ৰাণ) আউট কৰি নিজৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰত ১০০ সংখ্যক উইকেট সম্পূৰ্ণ কৰে। তেওঁ ভাৰতৰ হৈ এই মাইলৰ ষ্টোন স্পৰ্শ কৰা তৃতীয় বলাৰ হয় - আৰ্শদীপ সিং আৰু জশপ্ৰীত বুমৰাহৰ পিছত। এই ধ্বংসলীলাৰ মাজত দক্ষিণ আফ্ৰিকাৰ অধিনায়ক এডেন মাৰ্ক্ৰামে একমাত্ৰ প্ৰতিৰোধ গঢ়ি তোলে। তেওঁ ৪১টা বলত ৬টা চাৰি আৰু ১টা ছয়ৰ সহায়ত ৬১ ৰাণ সংগ্ৰহ কৰে, য'ত অৰ্ধশতকও অন্তৰ্ভুক্ত। অন্যান্য বেটাৰসকলৰ ভিতৰত ড'নভান ফেৰেইৰাই ২০ ৰাণ আৰু কৰবিন বছ আৰু মাৰ্কো জেনচেনে যথাক্ৰমে ৪ আৰু ২ ৰাণ যোগ দিয়ে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তী আৰু কুলদীপ যাদৱে ২টাকৈ উইকেট দখল কৰে, আনহাতে আৰ্শদীপ সিং, হৰ্ষিত ৰাণা, হাৰ্দিক পাণ্ড্যিয়া আৰু শিৱম ডুবে এটাকৈ উইকেট লাভ কৰে। ১১৮ ৰাণৰ সহজ লক্ষ্যত খেদি নামি ভাৰতে শক্তিশালী আৰম্ভণি কৰে। ওপেনাৰ অভিষেক শৰ্মাই ১৮টা বলত ৩টা চাৰি আৰু ৩টা ছয়ৰ সহায়ত ৩৫ ৰাণ সংগ্ৰহ কৰে। তেওঁৰ সৈতে শুভমান গিলে প্ৰথম উইকেটত ৬০ ৰাণৰ অংশীদাৰিত্ব গঢ়ে। গিলে ২৮টা বলত ৫টা চাৰিৰ সহায়ত ২৮ ৰাণ কৰে। অধিনায়ক সূৰ্যকুমাৰ যাদৱে ১২ ৰাণ যোগ দিয়ে, আনহাতে তিলক ভাৰ্মা ২৬ আৰু শিৱম ডুবে অপৰাজিত ১০ ৰাণ কৰি দলক জয়ৰ দোৰগোড়ালৈ লৈ যায়। ভাৰতে ১৫.৫ অভাৰত ৩ উইকেটত ১২০ ৰাণ সংগ্ৰহ কৰি মেচ জয় কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কৰবিন বছ আৰু লুংগি ঙিডিয়ে এটাকৈ উইকেট লাভ কৰে। এই জয়েৰে ভাৰতে শৃংখলাত অগ্ৰগতি লাভ কৰিছে আৰু পৰৱৰ্তী মেচসমূহত আত্মবিশ্বাসেৰে নামিব। শৃংখলাৰ চতুৰ্থ মেচ লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

## প্ৰেছ ক্লাব অৱ ইণ্ডিয়াৰ

এই শীৰ্ষ পদবীত অধিষ্ঠিত হোৱা তেওঁ প্ৰথমগৰাকী ব্যক্তি। দেওবাৰে ঘোষিত ২০২৫-২৬ বৰ্ষৰ নিৰ্বাচনী ফলাফলত সংগীতা বৰুৱা পিছাৰতিয়ে বৃহৎ ব্যৱধানত বিজয় লাভ কৰে। তেওঁ মুঠ ১, ০১৯ ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী অতুল মিশ্ৰক (১২৯ ভোট) আৰু অৰুণ শৰ্মাক (৮৯ ভোট) পৰাভূত কৰে। তেওঁৰ পেনেলে সকলো পদবী আৰু পৰিচালন সমিতিৰ আসনত একপেশে জয়লাভ কৰি ২১-০ ব্যৱধানত বিজয়ী হয়। ফলাফল ঘোষণাৰ পিছত সংগীতা বৰুৱা পিছাৰতিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, এই নিৰ্বাচনে সদস্যসকলৰ তেওঁলোকৰ পেনেলৰ দৃষ্টিভংগী আৰু স্বাধীন, নিৰপেক্ষ তথা দায়িত্বশীল সাংবাদিকতাৰ নীতি ৰক্ষাৰ প্ৰতি থকা বিশ্বাসক প্ৰতিফলিত কৰিছে। বৰ্তমান নতুন দিল্লীত কৰ্মৰত সংগীতা বৰুৱা পিছাৰতি ডিজিটেল সংবাদ মাধ্যম 'দ্য ৱায়াৰ'ৰ ৰাষ্ট্ৰীয় পৰিক্ৰমা সম্পাদক। অসমৰ সামাজিক-ৰাজনৈতিক বিষয়ত তেওঁৰ গভীৰ জ্ঞান আৰু দখল আছে। বিশেষকৈ অসম আন্দোলন আৰু অসম চুক্তিৰ ওপৰত লিখা তেওঁৰ গ্ৰন্থ 'Assam: The Accord, The Discord'ই দেশজুৰি বহুল প্ৰশংসা লাভ কৰিছিল। সংগীতা বৰুৱা পিছাৰতিৰ এই ঐতিহাসিক বিজয়ে অসমৰ সাংবাদিকতা জগতলৈ গৌৰৱ কঢ়িয়াই আনিছে আৰু মহিলা সাংবাদিকসকলৰ বাবে নতুন প্ৰেৰণাৰ উৎস হৈ পৰিছে। তেওঁৰ নেতৃত্বত প্ৰেছ ক্লাব অৱ ইণ্ডিয়াই আগন্তুক দিনত সাংবাদিকতাৰ মানদণ্ড আৰু স্বাধীনতাৰক্ষাত নতুন মাইলৰ শিল স্থাপন কৰিব বুলি আশা কৰা হৈছে।

## এপ্ৰিলৰ পৰা আৰম্ভ হ'ব

২০২৭ চনৰ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া এই মহাগণনা সময়মতে সম্পন্ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি ত্বৰান্বিত কৰিছে। যোৱা শনিবাৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই এই লোকপিয়লৰ বাবে অনুমোদন প্ৰদান কৰিছে আৰু ইয়াৰ মুঠ বাজেট ধাৰ্য কৰা হৈছে ১১, ৭১৮ কোটি টকা। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্ত্ৰীসভাৰ বৈঠকৰ পিছত অনুষ্ঠিত এখন সংবাদমেলত এই তথ্য প্ৰকাশ কৰে। তেওঁৰ ভাষ্যত, এই লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব আৰু ইয়াত জনসংখ্যা গণনাৰ লগতে গৃহ পিয়ল, সামাজিক-অৰ্থনৈতিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি বিভিন্ন দিশ অন্তৰ্ভুক্ত কৰা হ'ব। বিশেষকৈ দেশত প্ৰথমবাৰৰ বাবে এই লোকপিয়ল সম্পূৰ্ণৰূপে ডিজিটেল প্ৰক্ৰিয়াৰে সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনায় যে, তথ্য সংগ্ৰহৰ কাম এণ্ড্ৰইড আৰু আইওএছ প্লেটফৰ্মত উপলব্ধ মোবাইল এপৰ জৰিয়তে কৰা হ'ব। এই বিশাল প্ৰক্ৰিয়াত প্ৰায় ৩০ লাখ কৰ্মচাৰীক নিয়োজিত কৰা হ'ব বুলি অশ্বিনী বৈষ্ণৱে সদৰি কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ইতিমধ্যে প্ৰতিটো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সংশ্লিষ্ট বিভাগসমূহক লোকপিয়লৰ কাম সুচাৰুৰূপে চলোৱাৰ বাবে সাজু হ'বলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে, লোকপিয়লৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যই দেশৰ পৰৱৰ্তী এক দশকৰ নীতি নিৰ্ধাৰণ, পৰিকল্পনা আৰু উন্নয়নমূলক কাৰ্যসূচীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। পূৰ্বৰ লোকপিয়লসমূহত কাগজভিত্তিক প্ৰক্ৰিয়াৰ প্ৰাধান্য আছিল যদিও এইবাৰৰ ডিজিটেল পদ্ধতিয়ে প্ৰক্ৰিয়াটোক অধিক সঠিক, দ্ৰুত আৰু স্বচ্ছ কৰি তুলিব বুলি চৰকাৰে আশা প্ৰকাশ কৰিছে। এই লোকপিয়লে ভাৰতৰ জনগাঁথনিৰ এক বাস্তৱচিত্ৰ প্ৰতিফলিত কৰাৰ লগতে সামাজিক ন্যায় আৰু সমতাৰ ক্ষেত্ৰতো নতুন দিগন্ত মুকলি কৰিব বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এই উদ্যোগে দেশৰ পৰিসংখ্যাগত ব্যৱস্থাক আধুনিকীকৰণৰ নতুন পৰ্যায়লৈ লৈ যোৱাৰ সম্ভাৱনা আছে।

## বিশিষ্ট সাংবাদিক, পদ্মশ্ৰী

চিকিৎসাধীন হৈ থকা অৱস্থাতে ৯৩ বছৰ বয়সত এই বিশিষ্ট সাংবাদিকগৰাকীৰ মৃত্যু হয়। তেওঁৰ দেহাৱসানৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ অসমৰ সংবাদ জগতত গভীৰ শোকৰ ছাঁ পৰিছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, সোমবাৰে প্ৰয়াত বৰুৱাৰ নশ্বৰ দেহ গুৱাহাটীত ৰখা হ'ব যাতে গুণমুগ্ধসকলে শেষ শ্ৰদ্ধা নিবেদন কৰিব পাৰে। তাৰ পিছত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ১৯৩২ চনৰ ২৬ জুলাইত ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই দীৰ্ঘদিনীয়া কৰ্মজীৱনত অসমীয়া সংবাদ মাধ্যমৰ ভেটি মজবুত কৰাত অভূতপূৰ্ব ভূমিকা পালন কৰিছিল। তেওঁ 'দ্য আছাম ট্ৰিবিউন'ৰ প্ৰতিষ্ঠাপক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ পুত্ৰ আছিল আৰু পিতৃৰ উত্তৰাধিকাৰী হিচাপে দশক দশক ধৰি এই সংবাদপত্ৰক নেতৃত্ব দি আহিছিল। উত্তৰ-পূৱৰ আটাইতকৈ পুৰণি ইংৰাজী দৈনিক হিচাপে পৰিচিত 'দ্য আছাম ট্ৰিবিউন'ক তেওঁৰ নেতৃত্বত আৰু অধিক শক্তিশালী কৰি তোলা হৈছিল। সাংবাদিকতাৰ লগতে শিক্ষা আৰু সাহিত্য ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে ২০১৮ চনত তেওঁক দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী প্ৰদান কৰিছিল। ইয়াৰ উপৰি, ফেব্ৰুৱাৰী মাহত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ তৃতীয় সমাৱৰ্তন উৎসৱত তেওঁক সন্মানীয় ড'ক্টৰেট ডিগ্ৰী প্ৰদান কৰা হৈছিল। প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দেহাৱসানে অসমৰ সাংবাদিকতা জগতত এক অপূৰণীয় ক্ষতি কৰিলে। তেওঁৰ অৱদান চিৰকালৰ বাবে স্মৰণীয় হৈ ৰ'ব।

## অমিত শ্বাহৰ বটদ্ৰৱা

গৃহমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা প্ৰকল্পৰ সকলো প্ৰস্তুতি শেষ পৰ্যায়ত উপনীত হৈছে। এই প্ৰেক্ষাপটত দেওবাৰে অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা বটদ্ৰৱাত উপস্থিত হয় আৰু প্ৰকল্পস্থলীৰ বিভিন্ন নিৰ্মাণকাৰ্যৰ শেষ পৰ্যায়ৰ কামৰ তদাৰক কৰে। বিধায়ক ৰূপক শৰ্মা, অসম আৰক্ষীৰ আইজিপি অখিলেশ কুমাৰ সিং, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ প্ৰশাসনিক আৰু আৰক্ষী বিষয়াক লগত লৈ মুখ্য সচিবগৰাকীয়ে প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। তেওঁ পৃথিৱীৰ আটাইতকৈ ওখ গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ কাৰুকাৰ্য্য খচিত অতিথি গৃহ, দেৱবাদ্য তালৰ আকৃতিৰ কলাকেন্দ্ৰ (অডিটৰিয়াম), খোলৰ সাজত গৱেষণা কেন্দ্ৰ, নাৱৰ সাজত কৌশল বিকাশ কেন্দ্ৰ, জাপিৰ সাজত নাট্যশালা, প্ৰৱেশদ্বাৰৰ লগতে হেলিপেড আদিৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি শেষ পৰ্যায়ৰ কামৰ অগ্ৰগতিৰ বিষয়ে বুজ লয়। উল্লেখ্য যে, অহা ২৯ ডিচেম্বৰত গৃহমন্ত্ৰী অমিত শ্বাহে এই মহাপ্ৰকল্পৰ শুভ উদ্বোধন কৰিব। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৫০ হাজাৰ ভক্ত বৈষ্ণৱৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে। দুহেজাৰ গায়ন-বায়নৰ লগতে হেজাৰ হেজাৰ শিল্পীয়ে সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন প্ৰদৰ্শনীৰে গৃহমন্ত্ৰীগৰাকীক আদৰণি জনোৱাৰ প্ৰস্তুতি চলাইছে। এই অনুষ্ঠানে বটদ্ৰৱাক এক নতুন সাংস্কৃতিক আৰু আধ্যাত্মিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বুলি বিশ্বাস কৰা হৈছে। ইফালে, জাতীয় সাজ পৰিধান কৰি প্ৰথমবাৰৰ বাবে বটদ্ৰৱা থানলৈ অহা মুখ্য সচিব ড° ৰবি কোটাই থানত শৰাই নৈবেদ্য আগবঢ়াই সেৱা গ্ৰহণ কৰে। তেওঁ বটদ্ৰৱা থানৰ কীৰ্তনঘৰ, পদশিলা আৰু শিলিখা বৃক্ষ দৰ্শন কৰি গভীৰভাৱে আপ্লুত হৈ পৰে। পিছত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কাৰ্যালয়ত সমিতিৰ সভাপতি অম্লান জ্যোতি দেৱ গোস্বামী আৰু সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে গামোছা, চেলেং আৰু শৰাইৰে মুখ্য সচিবগৰাকীক আদৰণি জনায়। থান পৰিচালনা সমিতিৰ উপদেষ্টা ব্ৰজেন কাকতি, ইন্দ্ৰমোহন বৰুৱাকে ধৰি অন্যান্য সদস্যসকলে মুখ্য সচিবক সংগ দিয়ে। এই পৰিদৰ্শনে প্ৰকল্পৰ সকলো কাম সময়মতে সম্পূৰ্ণ কৰাৰ প্ৰতি প্ৰশাসনৰ দৃঢ় সংকল্প প্ৰতিফলিত কৰিছে। অমিত শ্বাহৰ আগমনেৰে বটদ্ৰৱা থান অঞ্চলৰ সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ নতুন অধ্যায়ৰ সূচনা হ'ব বুলি আশা কৰা হৈছে।

## বণ্ডি বিচৰ হানুকাহ উৎসৱত

আহত হৈ জিম্মাত লোৱা হৈছে। ঘটনাস্থলীত উপস্থিত থকা হাজাৰৰো অধিক লোকে 'চানুকাহ বাই দ্য চি' নামৰ উৎসৱত অংশগ্ৰহণ কৰিছিল। স্থানীয় সময় অনুসৰি সন্ধিয়া প্ৰায় ৬ঃ৪৫ বজাত ফুটব্ৰিজৰ পৰা দুজন বন্দুকধাৰীয়ে লং গানেৰে গুলীচালনা আৰম্ভ কৰে। গুলীচালনা প্ৰায় ১০ মিনিট ধৰি চলি থাকে, যাৰ ফলত উৎসৱস্থলীত চৰম আতংকৰ সৃষ্টি হয়। নিহতসকলৰ ভিতৰত চাবাড অৱ বণ্ডিৰ সহকাৰী ৰাব্বি এলি শ্লেংগাৰ, এজন ১২ বছৰীয়া ছোৱালী, এজন ইজৰায়েলী নাগৰিক আৰু এজন হলোকষ্ট জীৱিত থকা ব্যক্তি অন্তৰ্ভুক্ত বুলি জানিব পৰা গৈছে। আহতসকলক তৎকালীনভাৱে ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছে আৰু কেইবাজনৰো অৱস্থা সংকটজনক। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজে এই ঘটনাক 'অত্যন্ত দুখজনক আৰু হৃদয়বিদাৰক' বুলি অভিহিত কৰি কয় যে, এয়া ইহুদী অষ্ট্ৰেলিয়ানসকলৰ ওপৰত লক্ষ্য কৰি চলোৱা 'এণ্টিচেমিটিক সন্ত্ৰাসবাদী আক্ৰমণ'। তেওঁ নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰি কয়, "ইহুদী অষ্ট্ৰেলিয়ানসকলৰ ওপৰত আক্ৰমণ মানে প্ৰতিজন অষ্ট্ৰেলিয়ানৰ ওপৰত আক্ৰমণ।" আৰক্ষী আৰু জৰুৰীকালীন সেৱাসমূহে উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে বুলিও তেওঁ উল্লেখ কৰে। নিউ চাউথ ৱেলছৰ প্ৰধানমন্ত্ৰী ক্ৰিছ মিন্সে এই আক্ৰমণক 'ছিডনীৰ বাবে এক ভয়ংকৰ ৰাতি' বুলি অভিহিত কৰে। আৰক্ষীয়ে ঘটনাস্থলীত সন্দেহজনক বস্তু যেনে ইম্প্ৰভাইজড এ'প্ল'চিভ ডিভাইচ (আইইডি) উদ্ধাৰ কৰিছে আৰু তদন্ত অব্যাহত ৰাখিছে। বণ্ডি বিচ আৰু আশে-পাশেৰ অঞ্চলত নিৰাপত্তা কটকটীয়া কৰা হৈছে আৰু জনসাধাৰণক সেই অঞ্চল এৰাই চলিবলৈ আহ্বান জনোৱা হৈছে। স্থানীয় সাক্ষীসকলে বৰ্ণনা কৰা অনুসৰি, গুলীচালনাৰ পিছত ৰাস্তাত তেজেৰে লুটিপুটি হৈ পৰা লোকৰ দৃশ্য দেখা গৈছিল আৰু চাৰিওফালে চিঞৰ-বাখৰৰ মাজত আতংকৰ সৃষ্টি হৈছিল। এজন সাক্ষীয়ে কয়, "সকলো ঠিকে আছিল, হঠাৎ গুলীৰ শব্দ শুনা গ'ল আৰু সকলোৱে দৌৰিবলৈ ধৰিলে।" উল্লেখ্য যে, প্ৰায় ১১ বছৰ পূৰ্বে ছিডনীৰ লিণ্ডট কেফেতো এক সন্ত্ৰাসবাদী পণবন্দী ঘটনা সংঘটিত হৈছিল। শেহতীয়া এই আক্ৰমণে অষ্ট্ৰেলিয়াত সন্ত্ৰাসবাদী ভাবুকি আৰু নিৰাপত্তা ব্যৱস্থাক লৈ নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। বিশ্বৰ বিভিন্ন নেতাই এই ঘটনাৰ নিন্দা কৰিছে আৰু অষ্ট্ৰেলিয়াৰ লগত একাত্মতা প্ৰকাশ কৰিছে। তদন্ত অব্যাহত থকাৰ মাজতে ঘটনাৰ আঁৰৰ কাৰণ আৰু সম্ভাব্য সহযোগীৰ বিষয়ে অনুসন্ধান চলি আছে।

## জুবিন গাৰ্গৰ সৈতে কৰা

সাহিত্য উৎসৱ ২০২৬। শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত হ'বলগীয়া এই উৎসৱৰ এইবাৰৰ থিম হৈছে 'ছন্দ, শব্দ আৰু শিল্পৰ প্ৰয়াগ - মানৱতাৰ কণ্ঠ উদযাপন'। দেওবাৰে অনুষ্ঠিত এখন সংবাদমেলত এই কথা সদৰি কৰে বিশিষ্ট লেখিকা, উৎসৱৰ সঞ্চালক তথা 'আধাৰশিলা' ন্যাসৰ মুখ্য ন্যাসৰক্ষী ড° ৰীতা চৌধুৰীয়ে। সংবাদমেলত ড° ৰীতা চৌধুৰীয়ে উৎসৱৰ বিষয়ে বিশদভাৱে আলোচনা কৰি কয় যে, সাহিত্য, সংগীত আৰু মানৱীয় অভিজ্ঞতাৰ এই অবিস্মৰণীয় মিলনমেলাত সমগ্ৰ ভাৰতৰ লগতে চুবুৰীয়া দেশসমূহ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা আগশাৰীৰ কবি, সংগীতজ্ঞ, চিন্তাবিদ আৰু শিল্পীসকলে অংশগ্ৰহণ কৰিব। শিৱসাগৰৰ ঐতিহ্যমণ্ডিত পৰিৱেশত অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। অংশগ্ৰহণকাৰীসকলে কলা, স্থাপত্য, কবিতা পাঠৰ অনুষ্ঠানৰ লগতে যুৱ কৰ্মশালাতো অংশগ্ৰহণ কৰি উপভোগ কৰিব পাৰিব। বিশেষকৈ এইবাৰৰ উৎসৱত মহান সংগীতজ্ঞ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতি আৰু শিল্পীসত্তাক সন্মান জনোৱাৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব বুলি ড° চৌধুৰীয়ে উল্লেখ কৰে। তেওঁ লগতে জনায় যে, উৎসৱত কেইবাটাও শিতানত বঁটা প্ৰদান কৰা হ'ব। শিশু সাহিত্যিক দিব্যলতা দত্তক ৰূপা চৌধুৰী শিশু সাহিত্য বঁটা, বিকিয়ান বাইলুং আৰু দিনকৰ কুমাৰক সৃজনশীল সাহিত্য বঁটা, পৰিস্মিতা বৰদলৈক মলিনা চৌধুৰী সাহিত্য বঁটা আৰু অৰূপ কুমাৰ দত্তক ৰংমন বঁটা প্ৰদান কৰা হ'ব। প্ৰতিটো বঁটাৰ লগত এক লাখ টকাৰ নগদ মাননি যোগ কৰা হৈছে। এই উৎসৱত বড়ো আৰু মিচিং জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা, শিল্পকলা আৰু সংস্কৃতিৰ বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰা হ'ব বুলি সদৰি কৰে ড° ৰীতা চৌধুৰীয়ে। জুবিন গাৰ্গৰ বিষয়ে মন্তব্য কৰি তেওঁ কয়, জুবিনে মানৱতাবাদী চিন্তা-চেতনা, প্ৰকৃতিৰ প্ৰতি গভীৰ ভালপোৱা, নিজে জীয়াই থকাৰ লগতে আনকো জীয়াই থাকিবলৈ দিয়া আৰু বৃহত্তৰ অসমৰ সপোনত বিশ্বাস কৰিছিল। সকলোকে সমান চকুৰে চাই আগবাঢ়ি যোৱাৰ স্বপ্ন দেখিছিল তেওঁ। কিন্তু অকালতে আমাৰ মাজৰ পৰা বিদায় ল'লে। জুবিনৰ অনুৰাগীসকলৰ মাজত সৃষ্টি হোৱা শূন্যতা পূৰণৰ এক পদক্ষেপ হিচাপে জুবিন গাৰ্গৰ সৈতে কৰা প'ডকাষ্টৰ পৰা লাভ হোৱা ২, ৯০৯ ডলাৰৰ ৰাজহ আগন্তুক ২০ বছৰৰ বাবে ফি'ড ডিপ'জিট কৰা হ'ব। তাৰ পৰা পোৱা সুতৰ ধন উদীয়মান শিল্পীসকলক উৎসাহ যোগোৱাৰ কামত ব্যয় কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ মামলাত এছআইটিয়ে দাখিল কৰা চাৰ্জশ্বীটক লৈ প্ৰশ্ন কৰিলে ড° চৌধুৰীয়ে কয়, বিষয়টো বিচাৰাধীন হোৱাৰ বাবে এই বিষয়ে মন্তব্য কৰিব নিবিচাৰো। মই কলমৰ মাধ্যমেৰে যিখিনি কৰিব পাৰোঁ কৰি যাম। জুবিনৰ সকলো কৰ্মক গোটাই এটা তৰাৰ দৰে সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিম। চাৰ্জশ্বীটখন মই এতিয়ালৈ দেখা নাই, কিন্তু আমি সকলোৱে বিচাৰো যে জুবিনে ন্যায় পাওক। এই উৎসৱে অসমৰ সাহিত্য আৰু সাংস্কৃতিক জগতত নতুন উদ্যমৰ সঞ্চাৰ কৰিব বুলি আশা কৰা হৈছে। সাহিত্যানুৰাগী আৰু সংস্কৃতিপ্ৰেমীসকলে এই মহোৎসৱৰ অপেক্ষাত আছে।

## CAAৰ অধীনত বৰাক উপত্যকাত দুগৰাকী

লাভ কৰা অসমৰ প্ৰথমগৰাকী ব্যক্তি হিচাপে চিহ্নিত হৈছে। যোৱা শুকুৰবাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই দুগৰাকীক নাগৰিকত্বৰ শংসাপত্ৰ প্ৰদান কৰে, যাৰ ফলত অসমত চিএএৰ অধীনত নাগৰিকত্ব লাভ কৰা ব্যক্তিৰ সংখ্যা চাৰিলৈ বৃদ্ধি পাইছে। স্থানীয় সূত্ৰৰ পৰা পোৱা তথ্য অনুসৰি, নাগৰিকত্ব লাভ কৰা মহিলাগৰাকী বৰ্তমান শ্ৰীভূমি জিলাৰ বদৰপুৰত বাস কৰে আৰু তেওঁৰ উপাধি বেনাৰ্জী। মূলতঃ বাংলাদেশৰ চট্টগ্ৰামৰ নিবাসী এইগৰাকী মহিলা ২০০৭ চনত পৰিয়ালৰ এজন সদস্যৰ চিকিৎসাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়লৈ আহিছিল। তাতে তেওঁ বদৰপুৰৰ এজন স্থানীয় চিকিৎসকৰ সৈতে পৰিচয় হয় আৰু পিছত বিবাহপাশত আৱদ্ধ হয়। চিএএৰ নিয়ম কাৰ্যকৰী হোৱাৰ পিছত তেওঁ নাগৰিকত্বৰ বাবে আবেদন কৰে। প্ৰথমে জিলা সীমা নিৰ্ধাৰণৰ ফলত সৃষ্টি হোৱা জটিলতাৰ বাবে আবেদন নাকচ হৈছিল যদিও পুনৰ আবেদনৰ পিছত অনুমোদন লাভ কৰে। এইগৰাকী অসমত চিএএৰ অধীনত বিবাহসূত্ৰে নাগৰিকত্ব লাভ কৰা প্ৰথম মহিলা আৰু বৰাক উপত্যকাৰ প্ৰথমগৰাকী ব্যক্তি। আনগৰাকী লাভাৰ্থী এজন ৬১ বছৰীয়া পুৰুষ, যি কাছাৰ জিলাৰ শিলচৰত বাস কৰে আৰু তেওঁৰ উপাধি গোস্বামী। মূলতঃ বাংলাদেশৰ মৌলভীবাজাৰ জিলাৰ শ্ৰীমঙ্গলৰ নিবাসী তেওঁ ১৯৭৫ চনত মাত্ৰ ১১ বছৰ বয়সত পৰিয়ালৰ সৈতে ভাৰতলৈ আহিছিল। শিলচৰত স্থায়ীভাৱে বসবাস কৰি স্থানীয়ভাৱে বিবাহ কৰি পৰিয়াল গঢ়ি তুলিছিল। তেওঁৰ আইনী প্ৰতিনিধি জ্যেষ্ঠ অধিবক্তা ধৰ্মানন্দ দেবৰ মতে, চিএএ কাৰ্যকৰী হোৱাৰ পিছত আবেদন কৰাৰ ফলত তেওঁকো নাগৰিকত্ব প্ৰদান কৰা হয়। এই ক্ষেত্ৰত নাগৰিকত্ব স্বাভাৱিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে লাভ কৰা হৈছে। উল্লেখ্য যে, CAA ২০১৯ৰ অধীনত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টানসকলক নাগৰিকত্ব প্ৰদানৰ সুবিধা দিয়া হয়। অসমত এতিয়ালৈকে প্ৰায় ৪০জনে এই আইনৰ অধীনত আবেদন কৰিছে যদিও অনুমোদিত সংখ্যা এতিয়াও সীমিত। এই ঘটনাই বৰাক উপত্যকাত CAAৰ বাস্তৱ ৰূপায়ণৰ নতুন দিশ মুকলি কৰিছে যদিও ৰাজ্যত এই আইনক লৈ এতিয়াও মিশ্ৰিত প্ৰতিক্ৰিয়া দেখা গৈছে। আইনী প্ৰক্ৰিয়াৰ জটিলতা আৰু আবেদনৰ সংখ্যা কম হোৱাৰ কাৰণে বহুতো সম্ভাব্য লাভাৰ্থী এতিয়াও অপেক্ষাত আছে বুলি জানিব পৰা গৈছে।

## কলকাতাৰ বিশৃংখলাৰ মূল

ঘটনাক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত আইন-শৃংখলাৰ সম্পূৰ্ণ ভাঙোন ঘটা বুলি অভিযোগ উত্থাপন কৰে আৰু ভিআইপি সংস্কৃতিক এই বিপৰ্যয়ৰ মূল কাৰণ হিচাপে চিহ্নিত কৰে। মেছিৰ কলকাতাৰ যুৱভাৰতী ক্ৰীড়াঙ্গনত অনুষ্ঠিত অনুষ্ঠানত হাজাৰ হাজাৰ দৰ্শকে টিকট কাটি মেছিক চাবলৈ আহিছিল যদিও ভিআইপি আৰু ৰাজনৈতিক ব্যক্তিসকলৰ উপস্থিতিয়ে দৰ্শকসকলক প্ৰিয় তাৰকাক চোৱাৰ পৰা বঞ্চিত কৰে। ফলত ক্ষুব্ধ দৰ্শকে চেয়াৰ ভাঙি পেলোৱা, বটল নিক্ষেপ কৰা আৰু মাঠত নামি অহাৰ দৰে বিশৃংখলাৰ সৃষ্টি হয়। এই পৰিস্থিতিৰ বাবে দায়িত্ব শীৰ্ষৰ পৰা আৰম্ভ হ'ব লাগে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, "ৰাজ্যৰ গৃহমন্ত্ৰী যিগৰাকী মুখ্যমন্ত্ৰীও আৰু কলকাতা আৰক্ষী আয়ুক্তক গ্ৰেপ্তাৰ কৰা উচিত আছিল।" অৱশ্যে অনুষ্ঠানৰ আয়োজকক গ্ৰেপ্তাৰ কৰাৰ কথাকে তেওঁ সমৰ্থন বা বিৰোধিতা কৰা নাই বুলি স্পষ্ট কৰে। তেওঁৰ মতে, প্ৰাথমিক দায়িত্ব ৰাজ্যৰ গৃহমন্ত্ৰী আৰু আৰক্ষী আয়ুক্তৰ ওপৰত বৰ্তে। আন ৰাজ্যত অনুষ্ঠিত বৃহৎ জনসমাগমৰ তুলনা কৰি শৰ্মাই কয়, পশ্চিমবংগত ভিৰ পৰিচালনাত সম্পূৰ্ণৰূপে ব্যৰ্থতা প্ৰমাণিত হৈছে। তেওঁ উদাহৰণস্বৰূপে কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ পিছত গুৱাহাটীৰ ৰাজপথত তিনিদিন ধৰি প্ৰায় ১০ লাখ লোকে জমা হৈছিল, কিন্তু কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাছিল। ইয়াতে পোষ্ট মেলনৰ অনুষ্ঠানত প্ৰায় ৫০ হাজাৰ লোক উপস্থিত আছিল, তথাপি সকলো শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছিল। মুম্বাইত মহিলা বিশ্বকাপৰ ফাইনেলো শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈছিল। কিন্তু পশ্চিমবংগ এনে এখন ৰাজ্য য'ত একোৱেই ভৱিষ্যদ্বাণী কৰিব নোৱাৰি আৰু ভিআইপি সংস্কৃতি চৰমে উঠিছে।" এই ঘটনাই ৰাজ্য নেতৃত্বৰ আত্মমন্থনৰ সুযোগ সৃষ্টি কৰিব লাগে বুলি মত পোষণ কৰি শৰ্মাই কয়, "মেছি সমগ্ৰ বিশ্বৰ বাবে এজন আদৰ্শ। মমতা বেনাৰ্জীয়ে আত্মমন্থন কৰা উচিত। বংগত প্ৰতিদিনে নিৰীহ লোকক অত্যাচাৰ কৰা হৈছে। এয়া এক চিন্তাৰ বিষয়।" উল্লেখ্য যে, মেছিৰ কলকাতা অনুষ্ঠানৰ পিছত ক্ষুব্ধ দৰ্শকৰ বিশৃংখলাৰ ফলত আয়োজক শতদ্ৰু দত্তক গ্ৰেপ্তাৰ কৰা হৈছে আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই ঘটনাক 'দুৰ্ভাগ্যজনক' বুলি অভিহিত কৰি তদন্তৰ নিৰ্দেশ দিছে। হিমন্ত বিশ্ব শৰ্মাৰ এই তীব্ৰ সমালোচনাই দুয়োখন ৰাজ্যৰ মাজত ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিছে।

## 'সাংসদ ক্ৰীড়া মহোৎসৱ'

আৱৰ্ত ভৱনত অনুষ্ঠিত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এই মহোৎসৱৰ বিস্তৃত কাৰ্যসূচী ৰাজহুৱাকৈ প্ৰকাশ কৰে। পবিত্ৰ মাৰ্ঘেৰিটাৰ ভাষ্যত, আগন্তুক ২১ৰ পৰা ২৪ ডিচেম্বৰলৈ চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব এই ক্ৰীড়া মহোৎসৱ। যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত ১০খন বিধানসভা সমষ্টিৰ ৩৬টা মণ্ডলক সামৰি এই প্ৰতিযোগিতা আয়োজিত হ'ব। বিভিন্ন এথলেটি'ইভেণ্ট, কাবাডীৰ লগতে পৰম্পৰাগত খেলসমূহো এই মহোৎসৱত অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিযোগিতাসমূহ মূলতঃ ৰাষ্ট্ৰীয় মানদণ্ডত অনুষ্ঠিত হ'লেও দেশৰ বাহিৰৰ খেলুৱৈসকলেও ইয়াত অংশগ্ৰহণ কৰিব পাৰিব বুলি তেওঁ সদৰি কৰে। খেলুৱৈসকলে অনলাইন বা অফলাইনৰ জৰিয়তে নাম পঞ্জীয়ন কৰিব পাৰিব। মহোৎসৱৰ প্ৰথম কাৰ্যসূচী মাজুলীত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, মাজুলীৰ পৰ্যটন খণ্ডৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে এই সিদ্ধান্ত লোৱা হৈছে। ২১ ডিচেম্বৰত মাজুলীত হাফ মাৰাথনৰ আয়োজন কৰা হ'ব, য'ত পুৰুষ আৰু মহিলা দুয়োটা শাখাতে প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিজয়ীসকলে ৫০ হাজাৰ টকাৰ নগদ পুৰস্কাৰ লাভ কৰিব। একেদিনা সন্ধিয়া টীয়কৰ বলমাতত অনুষ্ঠিত হ'ব ভলীবল প্ৰতিযোগিতা, য'ত যোৰহাট লোকসভা সমষ্টিৰ ১০টা দলে অংশগ্ৰহণ কৰিব। সমান্তৰালভাৱে এথলেটি', কাবাডী আৰু পৰম্পৰাগত খেলসমূহো চলি থাকিব। মহোৎসৱৰ সামৰণি অনুষ্ঠান ২৪ ডিচেম্বৰত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব, য'ত ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। নিজকে এই মহোৎসৱৰ মুখ্য উদ্যোক্তা হিচাপে ঘোষণা কৰি পবিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ বৰ্তমানৰ সাংসদ গৌৰৱ গগৈক তীব্ৰ কটাক্ষ কৰে। তেওঁৰ ভাষ্যত, "যোৰহাট লোকসভা সমষ্টিৰ সাংসদজনৰ খালী ঠাই পূৰণ কৰিবলৈ মই যোৰহাটত আছো। সেয়েহে সমষ্টিবাসীয়ে মোক যোৰহাটৰ সাংসদ হিচাপে মানি ল'ব।" গৌৰৱ গগৈক "দৰবত দিবলৈও নোপোৱা" বুলি কটাক্ষ কৰি তেওঁ পৰোক্ষভাৱে সমষ্টিটোত বিজেপিৰ প্ৰভাৱ বৃদ্ধিৰ ইংগিত দিয়ে। গৌৰৱ গগৈয়ে এই আক্ৰমণৰ কেনে প্ৰত্যুত্তৰ দিয়ে, সেয়া আগলৈ লক্ষণীয় হ'ব। বিৰোধী দলসমূহৰ মিত্ৰতাৰ বিষয়ে মন্তব্য কৰাৰ পৰিৱৰ্তে উন্নয়নৰ কথাহে আলোচনা কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। সংবাদমেলত জুবিন গাৰ্গৰ মৃত্যুৰ মামলাৰ চাৰ্জশ্বীটক লৈ অখিল গগৈৰ তীব্ৰ সমালোচনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পবিত্ৰ মাৰ্ঘেৰিটাই কয়, "অখিল গগৈৰ বিষয়ে মই কোনো মন্তব্য কৰিব নিবিচাৰো। তেওঁ হয়তো জুবিনক ভাল পাইছে বা নতুনকৈ ভাল পাবলৈ আৰম্ভ কৰিছে। তেওঁৰ উদ্দেশ্য হয়তো আমাৰ পৰা কোনো প্ৰতিক্ৰিয়া আদায় কৰা। কিন্তু এই বিষয়টো বিতৰ্কৰ মাজলৈ অনা উচিত নহয়। এছআইটিয়ে ইতিমধ্যে চাৰ্জশ্বীট দাখিল কৰিছে আৰু আমি বিচাৰ ব্যৱস্থাৰ ওপৰত বিশ্বাস ৰাখি আগবাঢ়ি যোৱা উচিত।" এই ক্ৰীড়া মহোৎসৱে যোৰহাট লোকসভা সমষ্টিত বিজেপিৰ ৰাজনৈতিক সক্ৰিয়তা বৃদ্ধি কৰাৰ লগতে যুৱ সমাজৰ মাজত দলটোৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰিব বুলি বিশ্লেষকসকলে মত পোষণ কৰিছে। আগন্তুক দিনত এই অনুষ্ঠানে কিমান প্ৰভাৱ পেলায়, সেয়া লক্ষণীয় হৈ পৰিছে।

## নতুন দিল্লীৰ যন্তৰ মন্তৰত

সমিতিৰ উদ্দ্যোগত তথা যৌথ সংগ্ৰাম সমিতিৰ অন্তৰ্গত ১৭টা জনগোষ্ঠীৰ ৩৪টা দল-সংগঠনৰ সহযোগত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে ২০২৪ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে অসম চৰকাৰে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি কৰণৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ পিছত তাক কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰনালয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰদান কৰে যদিও বিগত ১৫ মাহে সংশি-ষ্ট বিভাগ তথা অসম চৰকাৰে বিষয়টো সম্পৰ্কে কোনো গুৰুত্ব প্ৰদান কৰা নাই বুলি ধৰ্ণাস্থলীত ভাষণ দি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ মুখ্য আহ্বায়ক তথা ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। আনহাতে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি কৰণৰ ক্ষেত্ৰত যদি শীঘ্ৰে ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত নকৰে আৰু ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে ৰাভা হাছঙক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি নকৰে তেন্তে বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপিক তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হব বুলি ভাষণ প্ৰসংগত ব্যক্ত কৰে ৰাভা হাছং পৰিষদৰ চিফ গৰাকীয়ে। উল্লেখ্য যে ৰাভা হাছং অঞ্চলত ব্যাপক ভাৱে হোৱা অবৈধ অনুপ্ৰবেশকাৰীৰ প্ৰতিৰোধৰ লগতে অসমৰ খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ অস্তিত্বৰ সুৰক্ষাৰ ক্ষেত্ৰত দেখা দিয়া ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি ৰাভা জাতীয় সংগঠন সমূহে দীৰ্ঘদিনে চলাই অহা ৰাভা জাতীয় সংগ্ৰামৰ ন্যায্যতাক স্বীকৃতি দি ১৯৯৫ চনৰ ১০ মাৰ্চ তাৰিখে অসম চৰকাৰে ঐতিহাসিক "ৰাভা চুক্তি"স্বাক্ষৰ কৰিছিল। সেই চুক্তি স্বাক্ষৰ কৰাৰ ৩০টা বছৰ পাৰ হৈ যোৱা সত্বেও ৰাভা হাছং অঞ্চলত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ সাত লাখ বাসিন্দাক সাংবিধানিক অধিকাৰ প্ৰদান কৰাৰ বাবে অঞ্চলবাসী ৰাইজে দীৰ্ঘদিনৰ পৰা যি সংগ্ৰাম অব্যাহত ৰাখিছে তাক অতি শীঘ্ৰে মান্যতা দিয়াৰ বাবে আজিৰ ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাভা জাতীয় সংগঠনৰ লগতে বিভিন্ন জনগোষ্ঠীৰ দল সংগঠনৰ নেতৃত্বই আহ্বান জনায়। উল্লেখ্য যে অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদক কেন্দ্ৰীয় চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি যাবতীয় সকলো কাম-কাজ কৰাৰ বাবে বাৰম্বাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিছে যদিও এতিয়ালৈকে কাৰ্যক্ষেত্ৰত প্ৰতিফলিত হোৱা নাই। ধৰ্ণা কাৰ্যসূচীৰ জৰিয়তে ৰাভা জাতীয় সংগঠনসমূহে ষষ্ঠ অনুসূচীত অন্তৰ্ভু ক্তিৰ উপৰিও মেঘালয় আৰু পশ্চিমবংগত বসবাস কৰা ৰাভাসকলক ৰাজনৈতিক অধিকাৰ প্ৰদান কৰা, ৰাভা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে অধিক সম্প্ৰসাৰণ কৰা আদিৰ দাবীত কেন্দ্ৰীয় চৰকাৰলৈ এটি স্মাৰকপত্ৰ প্ৰদান কৰে। আজিৰ ধৰ্না কাৰ্যসূচীত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উপসভাপতি ৰোহিত লামচাল, বেংগলী যুৱ ছাত্ৰ পৰিষদৰ উপসভাপতি গোপাল সৰকাৰৰ উপৰিও যৌথ মঞ্চৰ বহু কেইজন নেতাই অংশগ্ৰহণ কৰাৰ লগতে ভাষণ প্ৰদান কৰে।

## নীতিন নবীন বিজেপিৰ

হৈছে। বিজেপিৰ সংসদীয় ব'ৰ্ডে এই নিযুক্তিৰ অনুমোদন জনাইছে আৰু ই তাৎক্ষণিকভাৱে কাৰ্যকৰী হৈছে। এই নিযুক্তিৰ জৰিয়তে নীতিন নবীনে বৰ্তমানৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ স্থানত দায়িত্ব গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। মাত্ৰ ৪৫ বছৰ বয়সতে এই গুৰু দায়িত্ব লাভ কৰি নীতিন নবীন বিজেপিৰ ইতিহাসত আটাইতকৈ কনিষ্ঠ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে পৰিগণিত হৈছে। নীতিন নবীন বিহাৰ চৰকাৰত সড়ক নিৰ্মাণ বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে আৰু পাটনাৰ বাংকীপুৰ সমষ্টিৰ পৰা পাঁচবাৰৰ বিধায়ক। তেওঁ প্ৰয়াত বিজেপি নেতা নবীন কিশোৰ সিনহাৰ পুত্ৰ। ২০০৬ চনত উপ-নিৰ্বাচনৰ জৰিয়তে প্ৰথমবাৰৰ বাবে নিৰ্বাচনী ৰাজনীতিত প্ৰৱেশ কৰিছিল নীতিন নবীনে। তেতিয়াৰ পৰা ২০১০, ২০১৫, ২০২০ আৰু ২০২৫ চনৰ বিধানসভা নিৰ্বাচনতো একে সমষ্টিৰ পৰা বিজয়ী হৈ আহিছে তেওঁ। দলীয় সাংগঠনিক ক্ষেত্ৰতো নীতিন নবীনৰ বহু অভিজ্ঞতা আছে। তেওঁ বিজেপিৰ যুৱ মৰ্চাৰ বিহাৰ ৰাজ্যিক সভাপতি হিচাপে ২০১৬ৰ পৰা ২০১৯লৈ দায়িত্ব পালন কৰিছিল। ইয়াৰ উপৰি দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰ পদতো আছিল তেওঁ। ছিকিম আৰু ছত্তীশগড়ত দলৰ নিৰ্বাচনী আৰু সাংগঠনিক প্ৰভাৰী হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে নীতিন নবীনে। তেওঁৰ এই সমৃদ্ধ সাংগঠনিক অভিজ্ঞতা আৰু পৰিশ্ৰমী স্বভাৱে দলৰ শীৰ্ষ নেতৃত্বৰ বিশ্বাস অৰ্জন কৰিছে। এই নিযুক্তিৰ খবৰ প্ৰকাশ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত নীতিন নবীনক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে তেওঁক এগৰাকী পৰিশ্ৰমী কৰ্মী আৰু সাংগঠনিক অভিজ্ঞতাৰে পৰিপুষ্ট যুৱ নেতা বুলি অভিহিত কৰি কয় যে, তেওঁৰ শক্তি আৰু নিষ্ঠাই দলক আৰু শক্তিশালী কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নীতিন নবীনৰ জনসেৱাৰ অভিজ্ঞতাক প্ৰশংসা কৰি অভিনন্দন জনাইছে। বিজেপিৰ বৰ্তমান ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাইও তেওঁক শুভকামনা জনাইছে আৰু দলৰ নতুন উচ্চতা লাভৰ বাবে আশাবাদ ব্যক্ত কৰিছে। বিহাৰত এই খবৰে দলীয় কৰ্মীসকলৰ মাজত উৎসাহৰ সৃষ্টি কৰিছে। নীতিন নবীনৰ বাসগৃহত অভিনন্দন জনোৱাৰ বাবে কৰ্মীসকলৰ ভিৰ জমা হৈছে আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিহাৰ বিজেপিৰ নেতা-কৰ্মীসকলে এই নিযুক্তিক দলৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰিছে। নীতিন নবীনে নিজেও দলৰ শক্তি বৃদ্ধিৰ বাবে নিৰন্তৰ কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিছে। এই নিযুক্তিয়ে বিজেপিত প্ৰজন্মান্তৰীয় পৰিৱৰ্তনৰ সংকেত দিছে আৰু পূব ভাৰতৰ প্ৰতি দলৰ গুৰুত্ব বৃদ্ধিৰ ইংগিত বহন কৰিছে। নীতিন নবীনৰ নেতৃত্বত দলৰ সাংগঠনিক শক্তি আৰু বৃদ্ধি পাব বুলি বিশ্বাস কৰা হৈছে।

## গুৱাহাটী কনচাৰ্টৰ পূৰ্বে মা

গুৱাহাটী কনচাৰ্টৰ পিছতেই নগৰীত উপস্থিত হৈছে ভাৰতৰ প্ৰখ্যাত সংগীত শিল্পী সোনু নিগম। আজি দেওবাৰে সন্ধিয়া গ্ৰীণউড ৰিজৰ্টত অনুষ্ঠিত হ'বলগীয়া তেওঁৰ একক লাইভ কনচাৰ্টৰ পূৰ্বে পুৱা তেওঁ মা কামাখ্যা মন্দিৰ দৰ্শন কৰে। নীলাচল পাহাৰত অৱস্থিত প্ৰসিদ্ধ শক্তিপীঠ মা কামাখ্যা মন্দিৰত সোনু নিগমে পূজা-অৰ্চনা কৰে আৰু দেৱীৰ আশীৰ্বাদ গ্ৰহণ কৰে। এই সময়তে তেওঁক ওচৰৰ পৰা চাবলৈ আৰু ছবি তুলিবলৈ অনুৰাগীসকলে ভিৰ কৰা দেখা গৈছে। মন্দিৰ দৰ্শনৰ এটা সুন্দৰ ভিডিঅ' তেওঁ নিজৰ ফেচবুক পেজত শ্বেয়াৰ কৰিছে, য'ত তেওঁৰ ভক্তি আৰু আনন্দ প্ৰকাশ পাইছে। উল্লেখযোগ্য যে, আজি গুৱাহাটীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব সোনু নিগমৰ একক লাইভ কনচাৰ্ট। এই কনচাৰ্টৰ জৰিয়তে তেওঁ নিজৰ নতুন 'দিৱানা তেৰা ট্যুৰ'ৰ শুভাৰম্ভ কৰিছে। কনচাৰ্টটো সন্ধিয়া ৭ বজাৰ পৰা গ্ৰীণউড ৰিজৰ্টত আৰম্ভ হ'ব বুলি জানিব পৰা গৈছে। শনিবাৰে তেওঁ গুৱাহাটীত উপস্থিত হৈছিল আৰু আজি পুৱাই মা কামাখ্যাৰ দৰ্শন কৰি কনচাৰ্টৰ বাবে নিজকে প্ৰস্তুত কৰিছে। গুৱাহাটীৰ পিছত 'দিৱানা তেৰা ট্যুৰ' ইন্দোৰ, জয়পুৰ আৰু লক্ষ্ণৌত অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ জনসম্পৰ্ক বিষয়াই প্ৰকাশ কৰা অনুসৰি, গুৱাহাটীত এই ট্যুৰ আৰম্ভ কৰাৰ সিদ্ধান্ত সোনু নিগমৰ ব্যক্তিগত পছন্দ। এই চহৰখন অসমৰ প্ৰয়াত সংগীত মহাৰথী জুবিন গাৰ্গৰ স্মৃতিৰ সৈতে গভীৰভাৱে জড়িত হৈ আছে। জুবিন গাৰ্গৰ অকাল বিয়োগে সোনু নিগমৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে। সোনু নিগমে প্ৰকাশ কৰিছে যে, জুবিন গাৰ্গক সন্মান জনোৱাৰ বাবে অসমৰ ৰাইজে দেখুৱাইছে একতা আৰু শ্ৰদ্ধাই তেওঁক অত্যন্ত আৱেগিক কৰি তুলিছে। তেওঁ কয়, "এনে ৰাইজৰ মৰম আৰু শ্ৰদ্ধা মই পৃথিৱীৰ আন ক'তো দেখা নাই। অসমৰ লোকৰ আন্তৰিকতা আৰু সৰল আৱেগৰ বাবেই এই ৰাজ্যৰ সৈতে মোৰ সম্পৰ্ক কেৱল সংগীতৰ সীমা অতিক্ৰম কৰি গৈছে।" আনকি তেওঁ এইটোও স্বীকাৰ কৰিছে যে, যদি পুনৰ্জন্ম হয়, তেন্তে তেওঁ জন্মস্থান হিচাপে অসমকেই বাছি ল'ব। সোনু নিগমৰ এই গুৱাহাটী অভিজ্ঞতা আৰু কনচাৰ্টে অসমৰ সাংস্কৃতিক জীৱনত নতুন মাত্ৰা যোগ কৰিব বুলি আশা কৰা হৈছে। ভক্তসকলে তেওঁৰ জনপ্ৰিয় গীতসমূহৰ লগতে এই আৱেগিক সংযোগৰ সাক্ষী হ'বলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

